# ভৈয়াম কাৰ্বিৰ লোক পৰম্পৰা

আৰু

# গীত-পদ

মুৰুলীধৰ দাস

*Bhaium Karbir Lokaparampara Aru Git-mat* : A book on Karbi culture written by Murulidhar Das, published by Directorate of Assam Institute of Research for Tribals & Scheduled Castes, Jawaharnagar, Guwahati,

প্ৰথম প্ৰকাশ ঃ ২০০৭

প্ৰকাশক ঃ অসম জনজাতি আৰু অনুসূচিত
জাতি গৱেষণা প্ৰতিষ্ঠান
জৱাহৰ নগৰ, গুৱাহাটী-২২

বেটু পাত ঃ শিৱ প্ৰসাদ মাৰাৰ

মূল্য ঃ ৫০.০০ টকা

মুদ্ৰক ঃ বহ্নিমান প্ৰিন্টাৰ্চ
গুৱাহাটী

# PREFACE

The Assam Institute of Research for Tribals and Scheduled Castes, Guwahati under the aegis of Ministry of Tribal Affairs, Government of India, have been providing grants-in-aid to authors for publication of books written on different aspects of tribals and scheduled castes. The scheme is known as 'Grants-in-Aids for Literary Works for Scheduled Castes and Scheduled Tribes.' The scheme receives very good response from different authors. In fact, it is difficult to accommodate all the authors under the scheme. As a part of this popular scheme, the book on ***Bhaiyam Karbir Loka Parampara Aru Git-pad*** by ***Muruli Dhar Das*** has been sponsored by the Institute for publication. It is expected that the readers will receive the book with pleasure. We look forward to comments and suggestions from the readers.

I am grateful to the Ministry of Tribal Affairs, Government of India, and Welfare of Plain Tribes and Backward Classes Department, Government of Assam for providing financial assistance for implementation of the scheme.

I also offer my thanks to the officers and staff of this Directorate for their help and cooperation.

Finally, I like to thank M/s. Bohniman Printers, Guwahati for their help and cooperation in bringing out the book.

*(G.C. Kakati)*
**Joint Director**
Assam Institute of Research for
Tribals and Scheduled Castes.
Guwahati-22

# আমাৰ এষাৰ

আমি পাহাৰে-পৰ্বতে লোক সাহিত্যৰ সমল বিচাৰি ঘূৰি ফুৰা এগৰাকী লোক সাহিত্যৰ সংগ্ৰাহক বা এগৰাকী সাহিত্যসেৱী। আমি আমাৰ অভিজ্ঞতাৰে এই কথা নিশ্চিতকৈ ক'ব পাৰো যে অসমৰ জনজাতি লোকখিনি তেনেই উছব প্ৰিয় আৰু সংগীতময় জনগোষ্ঠী। তেওঁলোকৰ এনে এটি লোকানুষ্ঠান নোলাব য'ত লোকগীত এটি পৰিৱেশন নহ'ব, লোকনৃত্য এটি নানাচিব বা লোকবাদ্য এটি নবজাব।

আমি সামৰ্থনুসাৰে কাৰ্বি লোক সাহিত্য-সংস্কৃতিৰ সংগ্ৰহ আৰু লেখামেলাতহে বিশেষকৈ মনোনিবেশ কৰি আহিছো। ইয়াৰো এটি বিশেষ কাৰণ আছে. সেয়া হ'ল আমাৰ ঘৰৰ সিফালৰ পৰিয়ালটিয়েই কাৰ্বি গাওঁ এখনৰ লোক। সেয়েহে তেওঁলোকৰ সংস্কৃতিৰ লগত আমি সৰুৰে পৰাই চিনাকি। অৱশ্যে আমাৰ আজিৰ পৰিষৰ আগতকৈ ভালেখিনি বাঢ়িছে। সৰহখিনি কাৰ্বি গাঁৱলৈ গৈছো।

গ্ৰন্থখনিৰ নাম ৰখা হৈছে 'ভৈয়াম কাৰ্বিৰ লোকপৰম্পৰা আৰু গীত-পদ'। বিনম্ৰভাৱে কৈ থও যে ভৈয়াম কাৰ্বি মানেই এটি সুকীয়া জনগোষ্ঠী নহয় বা এটি সুকীয়া জনগোষ্ঠীক নুবুজায়। ডিমৰীয়া বা কামৰূপ জিলাৰ দক্ষিণ অঞ্চলত পৰ্বত-ভৈয়াম উভয়তে বাস কৰা কাৰ্বি লোক খিনিৰ কথাহে আমাৰ গ্ৰন্থখনিত দাঙি ধৰাৰ প্ৰয়াস কৰিছো।

ডিমৰীয়া অঞ্চলত কাৰ্বি লোকসাহিত্যৰ সমল খোজ দিব নেৰাৰাকৈ চহকী। সেয়া লোক সাধুও হ'ব পাৰে, কিম্বদন্তীও হ'ব পাৰে বা মালিতাও হ'ব পাৰে। লোক-সাহিত্যখিনি সংগ্ৰহ কৰিবলৈ যাওঁতে আমি ক'ব নোৱাৰাকৈ কাৰ্বি লোক সংস্কৃতিৰ মাজতো সুমাই পৰিলো। এয়া তেনেই স্বাভাৱিক কথা, যিহেতু সাহিত্য আৰু সংস্কৃতি ইটো আনটোৰ পৰিপূৰক। আনহাতে কাৰ্বি বহুৰঙী জনগোষ্ঠীটিৰ বহুৰঙীৰূপ তেওঁলোকৰ মাজলৈ গ'লেহে অনুভৱ বা উপলব্ধি কৰিব পৰা যায়। কাৰ্বি লোকসমাজ আৰু কাৰ্বি লোকসংস্কৃতিৰ প্ৰতি গভীৰ শ্ৰদ্ধা ৰাখিয়েই আমাৰ সীমিত জ্ঞানেৰে কৰা ক্ষেত্ৰ অধ্যয়ন আৰু স্বাক্ষুস অভিজ্ঞতাৰ ভিত্তিতেই উক্ত পুথিখনিও যুগুত কৰি উলিয়াইছো।

আমাৰ আন এখন কাৰ্বি সম্বন্ধীয় গ্ৰন্থ হৈছে 'ভৈয়াম কাৰ্বি লোক সংস্কৃতিত এভুমুকি'। উক্ত পুথিখনি যুগুত কৰাৰ আঁৰতো যেনেদৰে আছে আমাৰ ব্যক্তিগত আগ্ৰহ আৰু ডিমৰীয়া-কামৰূপ অঞ্চলৰ কাৰ্বি গাঁৱৰ সংস্কৃতিবান লোকসকলে আমাৰ প্ৰতি আগবঢ়োৱা মৰম-চেনেহ, সহায়-সহযোগিতা, তেনেদৰে ভৈয়াম কাৰ্বিৰ লোক পৰম্পৰা আৰু গীত-পদ' খনিৰ আঁৰতো আছে একে মৰম-চেনেহ, সহায়-সহযোগিতা (সেই সংবাদদাতা সকলৰ নাম আমি প্ৰৱন্ধবোৰত শ্ৰদ্ধাৰে উল্লেখ কৰিছো)। সেয়েহে তেওঁলোকৰ প্ৰতি আমি প্ৰথমতে কৃতজ্ঞতাৰে 'কাৰ্দম' যাচিছো।

আমাক লাখটকীয়া আনন্দটি দিছে 'Assam Institute of Research for Tribals & Scheduled Castes' এ আমাৰ কাৰ্বি সম্বন্ধীয় পুথিখনি প্ৰকাশ কৰি দি। সেয়েহে আমাৰ কৃতজ্ঞতা থাকিল অনুষ্ঠানটিৰ সঞ্চালিকা শ্ৰীযুতা সুমিত্ৰা দাস আৰু যুটীয়া সঞ্চালক শ্ৰীযুত জি, চি কাকতিলৈ। লগতে আমি যোগেন চৌধুৰীৰ সহায়-সহযোগিতাৰ কথাও শ্ৰদ্ধাৰে সুঁৱৰিছো। বন্ধুবৰ জ্যেষ্ঠ ফটো সাংবাদিক সমীৰ চৌধুৰী আৰু আমাৰ ল'ৰা সীমান্ত দাসেও ভালেকেইখন কাৰ্বি সম্বন্ধীয় ফটো দি সহায় কৰিছে। তেওঁলোক দুজনৰো শলাগ ল'লো। সময় উলিয়াই বেটুপাতৰ ছবিখন আঁকি দিয়াৰ কাৰণে শিল্পী শিৱপ্ৰসাদ মাৰাৰো আমাৰ শলাগৰ পাত্ৰ।

শেষত আমাৰ আন আন পুথি কেইখনিৰ নিচিনাকৈ 'ভৈয়াম কাৰ্বিৰ লোক পৰম্পৰা আৰু গীত-পদ' খনিকো পাঠক সমাজে আদৰ কৰিলে, ভুল-ভ্ৰান্তি সমূহ আঙুলিয়াই দিলে আমাৰ কষ্ট ভালেখিনি লাঘৱ হৈছে বুলি ভাবিম।

মুৰুলীধৰ দাস

# সূচীপত্ৰ


| | | |
|---|---|---|
| ১। | কাৰ্বি লোক সমাজত তাৰাংহেমৰ ভূমিকা | ১ |
| ২। | বৰ বিহু দমাহীপে আৰু দ'মাহী আলুন | ৭ |
| ৩। | কেঁচুৱাৰ নাম থোৱা অনুষ্ঠান অছ' আমেন কিৰি | ১৩ |
| ৪। | ভৈয়াম কাৰ্বিৰ লোক পৰম্পৰাত বিবাহ | ১৯ |
| ৫। | ভৈয়াম কাৰ্বিৰ শসৎকাৰ | ২৭ |
| ৬। | ভক্তিগীত— আতাম | ৩৪ |
| ৭। | কাৰ্বি লোক সমাজত মদৰ ব্যৱহাৰ | ৪০ |
| ৮। | কাৰ্বি লোক পৰম্পৰাত চুঙা আৰু লাউৰ ব্যৱহাৰ | ৪৮ |
| ৯। | ফকৰা-যোজনা, সাঁথৰ আৰু জিভাকেঁকুৰি | ৫৩ |
| ১০। | ভৈয়াম কাৰ্বিৰ লোক নৃত্য আৰু লোক বাদ্য | ৫৮ |
| ১১। | নিচুকনি গীত অছ' কাপাদক আলুন | ৬৪ |
| ১২। | বোৱা-কটা গীত 'ফল কিফেৰ আলুন' আৰু 'পেকিথাক আলনু' | ৬৯ |
| ১৩। | বিথাৰ কিতাক আলুন | ৭৪ |
| ১৪। | চহা কবিৰ ৰচনাত কাৰ্বি সুৰীয়া অসমীয়াগীত | ৭৮ |
| ১৫। | ৰেতকিনং আলুনত কাৰ্বি সমাজ জীৱনৰ ছবি | ৮৩ |
| ১৬। | কাৰ্বি পৰম্পৰাত আঘোণ | ৯৫ |


# কাৰ্বি লোক সমাজত তাৰাংহেমৰ ভূমিকা

অসমৰ প্ৰায়খিনি জনজাতীয় লোকৰ মাজত আজিও ডেকাচাঙৰ ব্যৱস্থা আছে। তেওঁলোকৰ মানত ডেকাচাংখন অতি পৱিত্ৰ আৰু প্ৰয়োজনীয় অনুষ্ঠান। ড° বিৰিঞ্চি কুমাৰ বৰুৱাই তেখেতৰ লোক সংস্কৃতি মূলক গ্ৰন্থত 'জনজাতীয় ডেকা চাঙৰ আদৰ্শতে শংকৰ দেৱৰ অসমীয়া সংস্কৃতিৰ নামঘৰৰ আৰ্হি স্থাপন হৈছে' বুলি উল্লেখ কৰি গৈছে।

কামৰূপৰ কাৰ্বি সকলৰো ডেকাচাং আছে আৰু ডেকাচাঙক তেওঁলোকে 'তাৰাংহেম' বোলে। 'তাৰাংহেম'ৰ প্ৰাসংগিকতা কাৰ্বি লোক সমাজত আজিও বিদ্যমান। অৱশ্যে গছৰ তল বা শিলৰ গুৰিতেই যেনেকৈ এটা সময়ত কাৰ্বি সকলৰ পূজা-পাতলৰ স্থল আছিল, তেনেকৈ তাৰাংহেম সৃষ্টিৰ আগতেও তেওঁলোকে গছৰ তলত বহি গাঁৱৰ দায়-জগৰৰ বিচাৰ বোৰ কৰিছিল, গাঁৱৰ উন্নয়ন মূলক কামৰ বিষয়েও আলোচনাত বহিছিল। কাৰ্বিত তাক 'চিবেন-আবেন' বা 'দেৱান-দেপাত' বুলিছিল। উন্নয়নৰ ঢাপত সমাজে এখোজ আগবঢ়াৰ পিছতহে কাৰ্বি লোক সমাজে দায়-জগৰৰ বিচাৰখন, উন্নয়নৰ কথাবোৰ গছৰ তলৰ পৰা তাৰাংহেম বা ডেকাচাঙলৈ আদৰি আনিছিল।

কাৰ্বি গাঁও এখনত 'ৰেচ' (ৰজা) বা 'বাংঠৈ' এজনৰ মুখ্য ভূমিকা থাকে। ডেকাচাং এখনতো তেওঁলোকৰ ভূমিকাই মুখ্য। ৰজা বা বাংঠৈজনেই তাৰাংহেমৰ লাইখুঁটা (নুমপে) টিও পোতে। সাধাৰণতে তাৰাংহেমত নটা খুঁটা থাকিব লাগে। তাৰে মাজৰ শাৰীৰ মাজৰ খুঁটাটো মূল খুঁটা। ইয়াক 'খেত-খমাৰ' বোলে। এই খুঁটাটো কাটিবলৈ ৰাইজে দিন-বাৰ চাই পাহাৰলৈ যায়। সাৰুৱা সোণাৰু বা জিয়াকুঁহি (তুমুৰ) গছ এডালৰ গুৰিত 'আৰ্কেং বিথি বটা ইছি' (তামোল পাণৰ বটা এটা) 'হৰবং ইছি' (মদ এলাউ)ভক্তি ভাৱেৰে আগবঢ়াই 'আতাম' এটি(স্তুতি গীত) মাতি গছডাল কাটে। প্ৰাৰ্থনাটি হ'ল এনেকুৱাঃ

ঐ নাং ঠেংপে কিমে ঠেংছ' কিমে
হালিহেম ছৈৰা তাৰাং তিবি আফান

কৰ আয়কপুছি তে আয়ক পুছি
নাংথু এন্থমে নাংথাত এন্থমে
নাং দংহয়েক পক দংহয়েক
নাং চানজিছি দয়ে চানজালছি দয়ে
কুৰমে দামে দাৰমে দামে
ঐ নাং ঠেংপে কিমে ঠেংছ' কিমে
তে হেম হেম হেম
(ৰাৱণ ৰহাঙৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ তোমাক আমাৰ তাৰাংহেমৰ বৰ খুঁটা কৰি মান সম্মানেৰে কাটি নিলো।তুমি দুখ নকৰিবা। তোমাক কাটি নিয়াৰ পিছতো বৈ যোৱা গুৰিৰ পৰা বংশ বৃদ্ধি হ'ব,পুলি-পোখা মেলিব।

খুঁটাডাল কাটি হোৱাৰ পিছত ৰাইজে 'চেং-মুৰীত (ঢোল-কালি) বজাই ডেকাচাংখন পাতিব খোজা ঠাইলৈ খুঁটাডাল কঢ়িয়াই লৈ আনে। উক্ত অনুষ্ঠানত 'ৰিছ'-মেন্ছ'(ডেকা-গাভৰু) আৰু 'ছাৰপ'-ছাৰপী'(বুঢ়া-বুঢ়ী) উপস্থিত থাকিব লাগে। খুঁটাটো পোতাৰ আগতে তাৰ গাত ফুল কাটি জাক-জমকীয়া কৰি তোলে। বাংঠে বা ৰেছ'ই গাঁতত তামোল-পাণ এবটা আৰু বন্তি এগছি জ্বলাই খুঁটাটো পোতে। তেতিয়াও স্তুতি গীত মাতেঃ

ঐ নাং তাৰাং কিঠে তিবি কিঠে
ছৈৰা কিঠে আগছালি কিঠে
হালিকে হৌ
কৰ চিৱান ন'তে চিৱান ন'
কৰ পাৰ্জাৰৱ' তে পাৰ্জৰৱ'
মেক ৱাংলাং দুন ন' ৱাং অনে দুন
(মুকুল ইংতি আৰু সন্তৰাম ৰংপেৰ মুখৰ পৰা)

ভাৱাৰ্থঃ ডেকা চাঙৰ বৰ খুঁটা কৰি তোমাক পুতিলো, আজিৰ পৰা ডেকা চাং ডাঙৰ,আগচালি ডাঙৰ। তুমি আমাৰ কথা কাণ পাতি শুনিৱা, চকুমেলি চাবা।



মূল খুঁটাটোৰ নামত এটা গাহৰি আৰু ৰঙা কুকুৰা এটা কাৰকুন বাবধাৰী লোকজনে দাৰে কাটে। বলিৰ তেজ 'নুমপে'ত ছটিয়ায়।

তাৰাংহেমত দায়-জগৰৰ বিচাৰ কৰা হয় বুলি আৰম্ভণিতে উল্লেখ কৰি অহা হৈছে। সেই বিচাৰ ডেকা-গাভৰুৰ মিলন সম্পৰ্কীয়ও হ'ব পাৰে, সৰুৱে ডাঙৰৰ গাত হাত তোলা,বাদ-অপবাদ বা অসামাজিক কামত লিপ্ত হোৱা সম্পৰ্কীয়ও হ'ব পাৰে।বাংঠে, ৰংছাৰপ' বা বিচাৰপ' সকলৰ তুলাচনীত জগৰৰ ধৰণ অনুসৰি দোষীয়ে দায়-দণ্ড ভৰিবলগীয়া হয়।কোনোৱে গাহৰিটো, কোনোৱেবা কুকুৰাটো।

এইখিনিতে এটি কথা উনুকিয়াই থোৱা ভাল হ'ব যে ভৈয়াম কাৰ্বি লোক সকলৰ মাজত আজি কালি 'হং'(চাং) থকা ডেকাচাং কাচিৎহে দেখাপোৱা যায়। চাং নেহোৱা ডেকাচাং খনক তেওঁলোকে 'ছৈৰাহেম' বুলিহে ক'ব বিচাৰে। তাৰাংহেমত ৰাইজৰ বছৰত দুবাৰ মেল বহে। এবাৰ অছ' দ'মাহী (মাঘ বিহুত) সাত বিহুৰ দিনাখন আৰু এবাৰ বৰবিহু দ'মাহীপে (ব'হাগ বিহু)ৰ সাত বিহুৰ দিনাখন।কিছুমান কাৰ্বি গাঁৱত অৱেশ্যে কাতি মাহৰ এক তাৰিখেও মেল বহে। উক্তমেল সমূহক 'ৰিছ' আমেল' (ডেকা সকলৰ মেল) বোলে।সেই মেললৈ যদি গাঁৱৰ কোনোবা ডেকা ল'ৰা নহাকৈ থাকে,তেনেহলে তেওঁ দণ্ড হিচাপে কুকুৰা চৰাই এটি ভৰিব লগীয়া হয়।তাৰাংহেমত সাধাৰণতে মহিলা সোমাব নোৱাৰে যদিও গুৰুতৰ অপৰাধৰ বিচাৰ হ'লে তাত গাভৰু বা বোৱাৰী গৰাকীক ৰাইজে উপস্থিত কৰাব পাৰে। আনহাতে কেতিয়াবা গুৰুত্বপূৰ্ণ কথাত তাৰাং হেমত বহুবাৰ মেল বহুৱাব লগীয়াও হ'ব পাৰে। মাঘ বা ব'হাগৰ সাত বিহুৰ দিনাখন আৰু কাতি মাহৰ এক তাৰিখত দোষীক দায়-দণ্ডটোহে বিহা হয়, মদ ভাত ৰাইজে নিৰ্দিষ্ট কৰা দিন এটাতহে খায়।

কাৰ্বি ৰাইজে ইজনে-সিজনৰ লগত বা ইঘৰে সিঘৰৰ লগত হাই-কাজিয়া লাগিলে 'তোক তাৰাংহেমত উঠাইহে এৰিম' বুলি কোৱা কথাই কাৰ্বি সমাজৰ তাৰাংহেমৰ প্ৰতি থকা বিশ্বাসৰ কথাকেই সূচায়। দুজনৰ বা দুঘৰৰ যেতিয়া বিচাৰ হ'ব তাত কিছু তৰ্ক-বিতৰ্ক হোৱাটো স্বাভাৱিক। ঠিক তেনেকৈ জগৰৰ দায়-দণ্ড বিহা দিনকেইটাত তাৰাংহেমত কিছু হাই-কাজিয়া হয় যদিও দায়-দণ্ড মাৰা দিনাখন কিন্তু মুঠেও হাই-কাজিয়া হ'ব

নোৱাৰিব। সিদিনাখন অনুষ্ঠানটি শান্তিপূৰ্ণভাৱে সমাপন হ'ব লাগিব। সেয়েহে সেইদিনটোক 'আকামছাং আমেল' (শান্তি পূৰ্ণ সভা) বুলি জনা যায়। সিদিনাখন মদ-মাংসৰ প্ৰচলন আছে যদিও ভাতৰ প্ৰচলন নাই। দায়-জগৰত উঠা মাংসে ভাগএটা প্ৰতিঘৰে ভগাই নিয়ে আৰু ৰান্ধি-বাঢ়ি খায়। তাৰাংহেমত প্ৰথমে কটা গাহৰিটোৰ পিছৰফেৰা 'আফেল আকেংধাম' খন বজাই বা বাংঠেই ঘৰলৈ নি ডেকা চাঙৰ বিষয়ববীয়া কেইজনৰ সৈতে ৰান্ধি-বাঢ়ি খায়। বিষয়ববীয়া কেইগৰাকী হ'ল—(১) বাংঠে, (২) কাৰকুন, (৩) অক্লেংছাৰ, (৪) ৰিছ'বাংঠে, (৫) বিচাৰপ', (৬) হোৰজাক, (৭) চামাৰী, (৮) কিঠেখোক্খ্ৰে আৰু (৯) অছ'খোক্খ্ৰে। তালৈ অৱশ্যে গাঁৱৰ দুই-এগৰাকী বয়সীয়াল লোককো মাতি অনা যায়। সিদিনাখন ডেকাচাঙত ডেকাসকলৰ মংগল কামনা কৰি কাৰকুনে বৰখুঁটাৰূপী 'আৰ্নাম' জনৰ ওচৰত স্তুতি প্ৰাৰ্থনা কৰি 'আতাম' গায়। 'নুম্পে'ত আগবঢ়োৱা হয় পাঁচটীয়া তামোলৰ বটা এটা (পুম ফঙ' বটা ইছি), আগপাত (ল'লন) এযোৰৰ ওপৰত মদৰ লাউ এটা, দুবৰি আৰু তুলসী পাত। মন কৰিবলগীয়া কথা এয়ে যে কাৰ্বিৰ পূজা-পাতলত ফুলৰ ব্যৱহাৰ কম। কাৰকুনে 'আতাম-পাতাম' গোৱাৰ উপৰি ৰিছ'বাংঠে জনেও সেইদিনাৰ পূজাৰ পাতলিখন তুলি লৈ 'তাৰাংহেম'ত নাচিব লাগে। এবাৰ যদি নখোজ আগুৱাই নাচে, তাৰ পিছৰ বাৰখোজ পিছুৱাই নাচিব লাগে।

"ৰিছ' আমেল'লৈ ডেকা সকল অহাটো যেনেকৈ বাধ্যতামূলক, তেনেকৈ তাৰাংহেমত ৰাতি থকাটোও বাধ্যতামূলক। সিদিনাতাত ৰিছ'বাংঠেই (ডেকা বাংঠে, তেখেতে বৰগৰখীয়াও) বৰবাঁহী 'আহন আপংছী' বজাই খুহুটীয়া কথা কৈ ডেকাচাঙত কটায়। কাৰ্বিৰ ডেকাচাংখন অকল বৰবাঁহী বজোৱা আৰু খুহুটীয়া কথা কোৱা চাঙেই নহয়, ইয়াত জীৱন নিৰ্বাহৰ ভালেমান লাগতিয়াল কথাৰো আলোচনা কৰা হয়। এই হেন ডেকা চাঙলৈ নহা ডেকা সকলে সেয়েহে আন ডেকা সকলৰ গৰিহণা খাবলগীয়া হয়। ৰামদেউ নামৰ উতীয়া ডেকা এজনে ডেকা চাঙলৈ নহাৰ বাবে কেনেকুৱা বিপদত পৰিছিল আৰু শেষত কেনেকৈ আন এখন গাঁৱৰ ডেকা চাঙত সোমাইহে সি নিজকে ৰক্ষা কৰিছিল তাৰ এটি সুন্দৰ কাহিনী কাৰ্বি মালিতাত পোৱা যায়। ৰামদেউ উতীয়া জন



তাৰাংহেমলৈ নহাকৈ থাকিল। তাকে দেখি ৰিছ'বাংঠেই ডেকাজনক মাতিবলৈ ডেকাকেইজন মানক পঠিয়ালে। পিছে ডেকা সকলক যোৱা দেখি সি পিছ দুৱাৰেদি পলালহে। ৰিছ'বাংঠেৰ খং উঠিল। হাতে হাতে জুইৰ জোৰ লৈ হ'লেও উতীয়াক বিচাৰি আনিবলৈ নিৰ্দেশ দিলে । বাংঠেৰ নিৰ্দেশত ডেকা সকলে পৰ্বত-পাহাৰ বিচাৰি চলাথ কৰিলে। পাহাৰৰ গুহাত, গছৰ খোৰোঙত লুকাই থাকিব খুজিও ডেকাজন পলাই থাকিব নোৱাৰিলে। হাবিৰ মাজে মাজে সি গৈয়েই থাকিল। এনেতে সি আন এখন গাঁৱৰ ডেকাচাঙত ডেকাসকলে আনন্দ কৰি থকা দেখিবলৈ পালে। কাবৌ-কোকালি কৰি ডেকাজনে তাতেই সোমাই থাকিল। ডেকা সকলে তাক আশ্ৰয় দিলে। যিখন ডেকাচাঙক সি নিন্দাইছিল তেনেএখন ডেকাচাঙেই তাক ৰক্ষা কৰিলে। সেয়েহে ডেকাচাং আটাইৰে কাৰণে পবিত্ৰ। 'আহন আপংছী' ৰ সুৰত ডেকা বাংঠেই সেইখিনি কথাকেই যেন ডেকা সকলক ক'ব বিচাৰিছে 'তাৰাং মেলুৰ আলুন' নামৰ গীতটিৰ মাজেৰে এনেকৈঃ

বাঁহীৰ সুৰ।  
তিৰোল তিৰোল তাই ৰাই ৰাই  
তিৰোল তাই ৰাই ৰাই..............।

গীত।  
তাৰাং মেলুৰ প'  
ৰামদেউ উৎচেপ'  
ৰংবং চিংবাৰ বেপ'  
নুৱে জাল আপৰ  
ঠেংতম ঠেংমে পেন  
লংকু লংদাং নাং লঙ'  
থিয়ক ফাক্লেং বাদী  
নাংহুম নাং লাৰেছি  
তাৰাংহেম নাং ফল'  
নাঙ' ৰামদেউ উৎচেপ'

(জগত ৰংপেৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ ৰাইজৰ লগত নিমিলা ৰামদেউ উতীয়াটো,তোক বনৰ হৰিণা-
গাহৰিটোৱ নিচিনাকৈ খেদি ফুৰিলো। তই ডেকা চাঙত সোমাইহে
ৰক্ষা পৰিলি, ডেকা চাঙেহে তোক ৰক্ষা কৰিলে।

সময়ৰ গতিশীলতাই আজি সমাজকো আঁজুৰি গৈছে। গ্ৰহণ-বৰ্জনৰ মাজেৰে সমাজ সংস্কৃতিয়েও গতি কৰিছে। আজিৰ ডেকা চাঙাত তাহানিৰ বিচাৰপ' বা বাংঠেৰ কঠোৰ শাসনেও মূৰ দোঁৱাবলৈ বাধ্য হৈছে। তেনেদৰে তাৰাংহেমৰ চালিখন খেৰৰ গুছি টিনপাতৰ হৈছে খুঁটা কেইটা সাৰুৱা সোণাৰুৰ ঠাইত পকীৰ হৈছে। কিঞ্চিত পৰিবৰ্ত্তনে তাৰাংহেমৰ হেৰুৱাব লগীয়াকৈ একো ক্ষতি কৰা নাই। সেয়েহে এই মুহূৰ্ততো এটি কথাই উপলব্ধি কৰিব পৰা যায় যে এৰা-ধৰাৰ মাজেৰে নামঘৰৰ নিচিনাকৈ কাৰ্বি সকলৰ আজি তাৰাংহেমেও লোক সমাজত প্ৰাধান্যতাকেই বহন কৰি আহিব পাৰিছে।

সাদিন, ১৩ চেপ্তেম্বৰ, ২০০২



# বৰবিহু দ'মাহীপে আৰু দ'মাহী আলুন

বিভিন্ন জনগোষ্ঠীৰ সংস্কৃতিৰ আধাৰতেই গঢ়লৈ উঠিছে বৃহৎ অসমীয়া সংস্কৃতি। অসম নামৰ বৰগামোচাখনত প্ৰতিটো জনগোষ্ঠীয়েই একো একোডালি আঁচুফুল। সেয়েহে অসমীয়া সংস্কৃতি বাৰেবৰণীয়া। এই বাৰেবৰণীয়া লোক-সংস্কৃতিৰ মাজত থাকিয়েই ভৈয়াম কাৰ্বি সকলেও অসমৰ বিহু তিনিটা নিজস্ব পৰম্পৰাৰে পালন কৰি অহা পৰিলক্ষিত হয়। কাৰ্বিত বিহুক 'দ'মাহী' বোলে। মাঘবিহুক 'অছ'দ'মাহী' (সৰু বিহু) আৰু গৰু বিহুক বৰবিহু 'দ'মাহীপে' নামেৰে জনা যায়। আনহাতে দ'মাহীত গোৱা গীত সমূহক 'দ'মাহী আলুন' (বিহুগীত) বুলি জনা যায়। 'অছ' শব্দই সৰু, 'পে' শব্দই ডাঙৰ আৰু 'আলুন' শব্দই গীত বুজায়।

বিহুৰ আগদিনাখন উৰুকা। বহাগ বিহুৰ আগদিনাখন গৰখীয়া(খুক্খ্ৰে) সকলৰ দায়িত্ব কিছু বাঢ়ে। ভালেমান গৰখীয়াই একেলগ হৈ ওচৰৰ পাহাৰত গৰুবিহুত প্ৰয়োজন হোৱা গছ-লতা বিচাৰি যায়। প্ৰয়োজনীয় বস্তু কেইপদ হ'ল - 'বুতু আহুম'(মাখিয়তী), 'চংহন আৰং'(বাৰগমাৰী), 'বেংঝাৰি আৰং'(নৰসিংহ), 'পিৰ্‌ইক্‌আৰং'(ভেটাই), 'মিৰচাংগুি'(নাহৰ), 'পাম্প্ৰী আথে'(থেকেৰা), 'খাম্‌বিক'(ঘিলা)। তদুপৰি 'চেবং' (লাউ), 'হাপেক'(বেঙেনা), 'থাৰমিক(হালধি), 'চফে'(মাটিমাহ), 'কিচ'আজাংঠু'(মিঠাতেল), 'মানেং'(এলাম্ভু) আদিৰো প্ৰয়োজন হয়।

উৰুকাৰ পিছদিনাখন গৰুবিহু। সিদিনা ৰাতিপুৱাই গৰখীয়া সকলে গৰুবোৰৰ গাত মাহ-হালধি ঘঁহি বিল বা দোঙৰ পাৰলৈ (লাংআজন) গাধুৱাবলৈ লৈ যায়। নাহৰ,ভেটাই, নৰসিংহ আৰু মাখিয়তী একেলগ কৰি বান্ধি তাৰে গৰু-গাইবোৰ পথাৰলৈ খেদি লৈ যায়। গৰু গাইবোৰ পথাৰলৈ নিয়াৰ আগতে পাহাৰৰ পৰা অনা মাখিয়তী, নাহৰ, ভেদাইলতা, আদি গছৰ ডাল-পাতবোৰ পদুলি মুখৰ খুঁটাত বা গোহালিৰ খুঁটাত বান্ধে। একেলগে কৰি বন্ধা এই গছৰ-পাতখিনিক 'ভোন' বোলে। বাৰগমাৰী বা বাৰগমনাৰ দীঘলডাল এটা মানুহ আহা পদুলি বা গোহালিৰ মুখত দি থোৱা হয়। তেনে কৰিলে বছৰটোৰ কাৰণে ৰোগ-ব্যাধিৰ পৰা সাৰি

থাকিব পৰা যায় বুলি বিশ্বাস। গৰখীয়াসকলে গৰুবোৰ বিলৰ পাৰলৈ নিয়াৰ সময়তে গাঁৱৰ কাৰ্বি ৰাইজে বৰমুৰীয়া বাংঠেৰ ঘৰলৈ, ৰজা থাকিলে ৰজাৰ ঢোল-কালি (চেং-মুৰীক), ঢাল-তাৰোৱাল (চং-নক্) আনিবলৈ যায়। বাংঠে জনে ৰাইজক মদ এলাউ (হৰবংইছি) খুৱাই বৰঘৰৰ বৰখুঁটাত (নুমপে আকাংৰি) ওলমাই থোৱা বাদ্য-যন্ত্ৰ বোৰ বজাই বজাই গৰু গা ধুৱাবলৈ দোঙৰ পাৰলৈ আহে। গাধুওৱাৰ আগমুহূৰ্তত দোংটোৰ পানী ভেটা মাৰি বন্ধ কৰি ৰখা হয়। তাত বৰগৰখীয়া (কিঠে খুকৃখ্ৰে) আৰু সৰু গৰখীয়াই (অছ'খুকৃখ্ৰে) তামোল-পাণ আগবঢ়াই জলকোঁৱৰ (প'হাগাৰি), জলকুঁৱৰীক (পেহাগাৰি) সুঁৱৰি ভেটাটো খুলি দি তামোল-পাণৰ বটাটো উটুৱাই দিয়ে। তেতিয়াহে ৰাইজে হৰিধ্বনি দি বিলত গৰু-গাই বোৰ নমায় আৰু নতুন লাহনিৰে গৰুৰ গালে পানী সিঁচি লাউ-বেঙেনা মাৰে। বাঁহৰ কাঠিত গাঁঠি নিয়া লাউ-বেঙেনা খিনিক 'বাছেৰা' বোলে। 'লাউখা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা' ৰ লেখিয়া কথাৰে কাৰ্বি ভাষাত কয় ঃ

চেবং বাৰ'— (লাউখা)
হাপেকবাৰ'— (বেঙেনাখা)
পাম্প্ৰীবাৰ' (থেকেৰাখা)
মিনি পাৰা কিছ'- কিলাপদ'এন
(আজিৰ পৰা বেমাৰ- আজাৰ দূৰহ')

গৰু গা ধুৱাই উঠাৰ পিছত বৰগৰখীয়া আৰু সৰুগৰখীয়াই নিয়া মদ দুলাউ আৰু প্ৰতিঘৰে নিয়া একো লাউমদ খায়। খাই উঠাৰ পিছত ঢোল-কালী বজাই 'দ'মাহীৰাংদ' (বিহু আহিল) বুলি বিহু নাচি নাচি বৰগৰখীয়াৰ ঘৰলৈ যায়। এইখিনিতে এষাৰ কথা উনুকিয়াই থ'ব পাৰি যে সাধাৰণতে কাৰ্বি ৰাইজে গাঁৱৰ বাংঠে বা ৰজাজনকে বিভিন্ন অনুষ্ঠানত আগস্থান দি আহিলেও গৰু বিহুৰ দিনাখন কিন্তু বৰগৰখীয়া জনকহে আগস্থান দিয়াৰ নিয়ম। ৰাইজে সিদিনাখন বৰগৰখীয়া জনৰ ঘৰতহে প্ৰথমে বিহু নাচেগৈ। সাধ্যানুসাৰে তেওঁ ৰাইজক মদ-পানী খুৱায়।গধুলি পৰত আকৌ এবাৰ নাচিবলৈ আহোতেহে ৰাইজক ভাত-পানী খুৱাব লগীয়াত পৰে। যি বছৰ সৰু গৰখীয়াই ৰাইজক ভাত-পানী খুৱায়,



সেইবছৰ বৰগৰখীয়াই তেওঁলোকক ভজা পিঠাগুৰিৰ (কাৰমু হিম আদুক) লগত মৌৰস (পিয়লাং) মিহলাই কলপাতত (ফুউআল') খুৱায়। সিদিনাখন প্ৰতিঘৰ গৃহস্থই বৰগৰখীয়াক গৰু বান্ধিবলৈ একোডালি নতুন পঘা দিব লাগে। সেই পঘা বোৰ আগলতি কলপাতত থৈ তাৰ আগত শলিতা এগছি জ্বলাই পূজা-সেৱা কৰিহে বৰগৰখীয়াই ৰাইজৰ পৰা পঘাবোৰ গ্ৰহণ কৰে। বিহুৰ ছয়দিন গাঁৱৰ প্ৰতিঘৰে বিহু নাচি বিহুগীত গাই উঠাৰ পিছতহে সপ্তম দিনাখন সৰুগৰখীয়াৰ ঘৰত নাচি উঠি বাংঠেৰ ঘৰত নাচি বছৰটোৰ কাৰণে ঢোল-কালি, ঢাল-তৰোৱালক সেৱা জনাই বিহু সামৰে। বিহু কেইদিনত যাৰ ঘৰলৈকে নাচিবলৈ নাযাওঁক, গৃহস্থই ৰাইজলৈ চাউল এবাতি আগবঢ়ায়। সেই চাউল বাতি পূজাৰীজনে শুচিকৰি গৃহস্থক দিয়ে আৰু গৃহস্থই ঘৰৰ চাৰিওফালে ছটিয়াই বাকী থোৱা চাউলখিনি বৰঘৰৰ বৰখুঁটাৰ ওচৰত থকা মাটিৰ কলহ দুটাত (ৰাংতিক হিনি) ভৰাই থয়। কাৰ্বি সকলৰ বিশ্বাস মতে কলহ দুটি লক্ষ্মীৰ প্ৰতীক। গৃহস্থই ৰাইজক মান-সন্মান কৰাৰ পিছত ৰাইজে তেওঁলোকৰ চোতালত 'দ'মাহী কিকান' (বিহু নৃত্য) নাচে, বিহুগীত গায়। কেতিয়াবা কেৰ্কেটুৰা নৃত্য,কেতিয়াবা 'চংনক্' নৃত্য কৰে।

দ'মাহীত গোৱা কাৰ্বি বিহুগীত 'দ'মাহীআলুন' সমূহো বৰ অৰ্থপূৰ্ণ। এই গীত-মাত সমূহৰ জৰিয়তে কাৰ্বি সমাজ জীৱনৰ ছবি একোখন নিখুঁট ৰূপত ফুটি উঠা দেখা যায়। চোতাল প্ৰৱেশৰ গীত 'খলআলুন'ত পাওঁঃ

ঐ নেং কান কিমি লুন-লাম
ইলি চাকন নাং
চাকন চিলুননে হৰ-চৰ'
পাথেপ নাং

ভাবাৰ্থঃ নতুন বছৰৰ নতুন গীত নাচি নাচি গাম, নাচি-বাগি এডাৰণ মদ আদায় কৰি খাম।

বিহুগীত খিনি 'লুনফাৰৰ' (বনগীত) ৰূপেও স্বীকৃত। 'দ'মাহীৰাংদ', দ'মাহীৰাংদ' চিএৰত বহাগ অহাৰ বাতৰি যেনেদৰে পোৱা যায়,তেনেকৈ 'দ'মাহী দামদ' দ'মাহী দামদ' চিএৰটিৰ মাজতো কাৰ্বি সকলৰ মাজৰ পৰা বিহুটিয়ে মেলানি মগাৰ বাতৰিকে পোৱা যায়। গীত সমূহত প্ৰেম-

পীৰিতিৰ অমল উৎস এটি থকাৰ উপৰি নৈ-বিল,পাহাৰ-পৰ্বত, চৰাই-চিৰিকতি, শাক-পাতৰ কথাও তাত উল্লেখ থকা দেখা যায়। তেনে দুটি মান বনগীত উল্লেখ কৰা হ'ল। কাঠফুলা যে কাৰ্বি সকলৰ প্ৰিয় ব্যঞ্জন তাৰ উল্লেখ আমি এনেদৰে পাওঁ ঃ

আমেৰেং পে আজন জন
কুমুসেক দাম নাং
কুমুসেকনে ৰাননে চাতনি বনেনাং
হৰ-চৰ' পাথেপ নাং

ভাৱাৰ্থঃ আমৰেং দোঙৰ পাৰে পাৰে কাঠফুলা বিচাৰি যাওঁ, কাঠফুলা ভাজি চাটনি বনাই এডাৰণ মদ খাওঁ।

আন এটি দ'মাহী আলুনত ডেকাক জ্বলাই মাৰিবৰ উদ্দেশ্যে গাভৰু এজনীয়ে গাইছে ঃ

পানবাৰীৰ ৰ চুৰু
জুৰি দৈছ' কাচুৰু
ঐ মামা বাংকুৰাম
ৰাংকে পনত দছৰা

ভৱাৰ্থঃ ঐ মামা বাংকুৰাম, পাণবাৰীৰ শালিকী স্বভাৱৰ জুৰি দৈ কান্দুৰী জনী আনেহে পলুৱাই নিলে।

ডেকা জনে নুবুজা নহয় যে সেয়া তাক জ্বলাবৰ কাৰণেহে গাভৰু জনীয়ে গাইছে। 'চুঙা চাই সোপা' দিয়াৰ উদ্দেশ্যে সিও গাভৰু জনীক উত্তৰ দিছে এনেকৈঃ

পাণবাৰীৰ ৰচুৰু
জুৰিদৈছে' কাচুৰু
পাপন তেনে পাপননাং
নেতা আনে দছৰা

ভাৱাৰ্থঃ জুৰিদৈ কান্দুৰীক আনে নিয়কদে, আমিও আন এজনী আনিম।

আন এজন ডেকাই নিজৰ মনৰ মানুহ জনীক 'ভালপাওঁ' বুলি ফুটাই ক'ব নোৱাৰি মাজু ককায়েকক খাটনি ধৰিছে গৈ গাভৰু জনীক খুজি চাবলৈ ঃ



ঐকাকা ঐকাকা বাৰি আকা
বন্তিশ্বৰী অছ'পে ৰাংমে নাংকা

ভাৱাৰ্থঃ ঐ মাজু ককাই,বন্তিশ্বৰী নামৰ গাভৰুজনী মোলৈ আনি দিবিনে? তেতিয়া মাজু ককায়েকে ভায়েকক কৈছে ঃ

ৰানংৰ' ৰানংৰ' অ' মাই তালাং
আকা দাং কুৰা পয়ক চিথান দাম নাং

ভাৱাৰ্থঃ অ' ভাই তালাং আনিম। আনি দিয়াৰ আগতে ডাঙৰ ককাইক সুধি চাব লাগিব।

উপমা-ব্যঞ্জনাৰে ভৰি থকা কাৰ্বি গীত এটি হ'ল ঃ

হাতী মূৰৰ কললং
জঙাই পালং বেংকলং
ঐ মামা বাংকুৰা হণ কিপি দুপুৰা
আতু আৰ্হাং হুহেলাং
চিঠিৰ উত্তৰ পিপেলাং

ভাৱাৰ্থঃ বাংকুৰা মোমাইটোলৈ এপোৱা সূতা জোৰা দিলে যিমান দীঘল হ'ব সিমান দীঘলকৈ দীঘ-বাণি দি চিঠিখন লিখিলো, উত্তৰহে নাপালো।

তেনেকৈ ঘৰ দুৱাৰ নোহোৱা,নাম বিহীন ফেউৰা শিয়ালে খেদি ফুৰা ইকৰাণিত বাস কৰা পক্ষী এটিৰ গীত 'মেনৰে আৰছ' আলুন' (অনামিকাৰগীত) টিৰ কথাও এইখিনিতে উল্লেখ কৰিব পাৰি। গীতটিত যানবাহনৰ কথা উল্লেখ হৈছে। গীতটি এনেকুৱা ঃ

ইংনাৰ গাড়ীপ'কে ঠে অং ঠে অং
আলুতিনে আলুতিনে মেঅং মেঅং
ছেলং গাড়ীপ'কে মেদ' মেদ'
টিকে তিমিক ঠালছি ৰানদ' ৰানদ'
ছৰং গাড়ীপ'কে বেকছ'ত বেকছ'ত
আল'ল আছ' ছ' ৰাংছত ৰাংছ'ত
ন'ছেল গাড়ীপ'কে মেছ'ত মেছ'ত
লাৰিপে আদুংয়ক দামছ'ত দামছ'ত

ইংনাৰ ছেলং গাড়ীপ'কে দ'ছত দ'ছত
ছৰং-ন'ছেল গাড়ী আবল কমছ'ত কমছ'ত
(ৰাজেন্দ্ৰ টুমুঙৰ মুখৰপৰা সংগ্ৰহ)

ভাৱাৰ্থঃ হাতীৰ গাড়ীখন ডাঙৰ, উঠিলে ভাল লাগে, ম'হৰ গাড়ীখন ভাল, তাত বাঘ-ৰাংকুকুৰ ভৰাই আনিছো। গৰুৰ গাড়ীখন আটাইতকৈ সৰু। ভাল গাড়ীখনত উঠি প্ৰেয়সীৰ ওচৰলৈ যাওঁ বলা।

'দ'মাহীপে' আৰু 'দ'মাহীআলুনৰ ক্ষেত্ৰত এটি কথা বিনম্ৰতাৰে ক'ব পৰা যায় প্ৰাণৰ উছ্বৰ বিহুটিক কাৰ্বি সকলে যিমান দিনলৈ জীয়াই ৰাখিব, বিহুগীত খিনিও সিমান দিনলৈ জীয়াই থকাটো তেনেই নিশ্চিত।

দৈনিক অসম, ১৩ এপ্ৰিল,২০০৩



# কেঁচুৱাৰ নামথোৱা অনুষ্ঠান 'অছ' আমেনকিৰি'

যিকোনো সমাজৰেই সৰহখিনি সংস্কৃতিয়েই জন্ম, মৃত্যু, বিবাহক লৈ গঢ়লৈ উঠা পৰিলক্ষিত হয়। ভৈয়াম কাৰ্বিৰ লোক সংস্কৃতিতো ইয়াৰ প্ৰাচুৰ্য্যতা কোনো গুণে কম বুলি ক'ব পৰা নাযায়। মৃত্যু বা বিবাহ উপলক্ষত পূজিত-পালিত হোৱা কৰ্মবোৰৰ নিচিনাকৈ জন্ম উপলক্ষত পালন কৰিবলগীয়া হোৱা লোকাচাৰ সমূহেও বহুৰঙী কাৰ্বি সমাজ ব্যৱস্থা বা পৰম্পৰাৰ ছবি এখনকেই সেউজ ৰূপত দাঙি ধৰা দেখা যায়। এইখিনিতে এটি কথা উনুকিয়াই থোৱা ভাল হ'ব যে কাৰ্বি সমাজ ব্যৱস্থা বেদ বিহীন যদিও সমাজ স্বীকৃত নিজস্ব নিয়ম-নীতিৰে তেওঁলোক কিন্তু পৰিচালিত।

মাকৰ কোলালৈ অহা প্ৰথম সন্তানটিয়ে স্বামী-স্ত্ৰী এহালক পিতৃ-মাতৃৰ শাৰীলৈ তোলে। সেই সন্তানটি ল'ৰাই হওক বা ছোৱালীয়েই হওক। কেঁচুৱা এটি কোঁচত পোৱাৰ আনন্দত মাতৃ গৰাকীয়ে পাহৰি যায় প্ৰসবৰ সকলো দুখ-বেদনা।

সন্তান এটিয়ে গৰ্ভত স্থিতি লোৱা দিনৰে পৰা ভূমিষ্ঠ হোৱালৈকে বা তাৰ পিছলৈকো সন্তান সম্ভৱা বা সন্তান জন্ম দিয়া মহিলা গৰাকীয়ে ভালেমান নিয়ম-নীতিৰ মাজেৰে, বিশ্বাস-অন্ধবিশ্বাসৰ মাজেৰে চলিব লগীয়াত পৰে। ওজা-বেজৰ প্ৰতি থকা বিশ্বাস কাৰ্বি লোক সমাজত আজিও গভীৰ বুলিয়েই ক'ব পাৰি। সেয়েহে গৰ্ভৱতী মাতৃ গৰাকীৰ গাত কিবা এটি অসুখ-বিসুখে দেখা দিলেই তেওঁলোকে 'ঐঝা' জনৰ ওচৰলৈ গৈ কড়ি মঙলা এভাগ চায়। বেজ জনে কড়ি-মঙলা চাই কেতিয়াবা মহিলা গৰাকীক 'থিংকুৰ আৰিক'(বান্ধনি) এডাল দিয়ে আৰু ডাইনী-ভুতুনিয়ে ধৰা বুলি কড়ি-মঙলাই দেখুৱালে 'চিঁইক আপাব বা 'চিঁইক আলেঠা' ৰ পূজা এভাগ পাতি ক'লা মাইকী কুকুৰা কাটি ডাইনীপূজা কৰে। কেতিয়াবা আকৌ সৰু লেঠাবোৰ কেঁচুৱাৰ জন্মৰ পিছত কৰা হ'ব বুলি সৈকৰি 'সঠা' বান্ধি থয়।

জীৱন নির্বাহ সকিয়নি কিছুমান গৰ্ভৱতী মহিলাৰ ক্ষেত্ৰতো দি থৈ গৈছে। সাধাৰণতে সেই সময়ত গৰ্ভৱতী মহিলা গৰাকীক লেতেৰা ঠাইত নাযাবলৈ, ডাঙৰ গছৰ তলেৰে নাযাবলৈ,জান-জুৰি পাৰ নহ'বলৈ, শ্মশান নগচকিবলৈ,সাপ নামাৰিবলৈ,গধুৰ বস্তু নাদাঙিবলৈ বাৰণ কৰিছে। অৱশ্যে, নকৰিলে নহয় বাবেই কাৰ্বি মহিলাই গৰ্ভৱতী অৱস্থাতো পাহাৰ-পৰ্বতৰ পৰা খৰিলুৰি অনা,কচু-ঢেঁকীয়া তুলিবলৈ যোৱা, জান-জুৰি পাৰ হোৱা আদি কাৰ্য্য কৰা দেখা যায়।

মহিলা গৰাকীৰ প্ৰসৱ বেদনা আৰম্ভ হোৱাৰ লগে লগে গৃহস্থই সাৱধান হৈ থাকে।বিশেষকৈ সেই সময়ত মহিলাখিনি তেনেই সচেতন হৈ পৰে। কিয়নো 'পুৰুষ মৰে ৰণত, নাৰী মৰে বিয়ানত'বোলা বচন ফাকিৰ কিছু সত্যতাৰ পৰা বচাবৰ নিমিত্তে 'সাৱধানৰ মৰণ নাই' ৰ সাহসেৰে বিপদগ্ৰস্তা মহিলা গৰাকীৰ ওচৰত তেওঁলোকে থিয় দিয়েগৈ। প্ৰতিগৰাকী মিহিলাই সেই সময়ত তীক্ষ্ণ দৃষ্টি ৰাখে সন্তান সম্ভৱা মাতৃগৰাকী থকা কোঠাটোৰ দুৱাৰ খিৰিকী বোৰ খুলি ৰখা হৈছেনে নাই, মহিলা গৰাকীৰ বাকচ-পেটাৰি, আলমাৰি বোৰ খুলিথোৱা হৈছে নে নাই, মাটিৰ তাঁতশাল খনৰ খুঁটা চাৰিটা লৰাই দিবলৈ কোনোবা তাঁতশালৰ ওচৰত ৰৈ আছে নে নাই। তেনে মুহূৰ্তত তাত থকা কোনোবা মহিলা এগৰাকীয়ে সন্তান সম্ভৱা মাতৃগৰাকীৰ হৈ 'আৰ্ণাম'লৈ (দেৱতালৈ) প্ৰাৰ্থনা জনাইছে 'তাইক যাতে প্ৰসৱৰ বেদনা সহিবলৈ সাহস দিয়ে, মনত বল দিয়ে'। তাৰ পিছত কেঁচুৱাটি ভূমিস্থ হোৱাৰ লগে লগে কোনোবা এজনে লোহা বজাই (ইংচিন কিপাম) কয় 'হানেভাগ হানেভাগ' অৰ্থাৎ 'কেঁচুৱাটি মোৰ, কেঁচুৱাটি মোৰ। 'কেঁচুৱাটি মোৰ ভাগৰ' নুবুলিলে প্ৰসৱৰ সময়ত মাতৃগৰাকীক বল আৰু সাহস দিয়া 'আৰ্ণাম' সকলে বোলে কেঁচুৱাটিক মাৰি নিয়াৰ সম্ভৱনা থাকে। সেই একেটি বিশ্বাসেই থাকে তাঁতশালৰ খুঁটা চাৰিডাল লৰাই দিয়াৰক্ষেত্ৰতো, বাকচ-আলমাৰি বোৰ খুলি থোৱাৰ ক্ষেত্ৰতো। সেই সময়ত বাকচ-পেটাৰিবোৰ, দুৱাৰ-খিৰিকীবোৰ খুলি থোৱাটো এটা লোক বিশ্বাস যদিও ইয়াত বৈজ্ঞানিক সত্যতাও নিহিত আছে। দুৱাৰ-খিৰিকী খুলি থোৱাৰ পৰা কোঠালিটোত মুক্ত বতাহ বা বেলিৰ পোহৰ সোমাব পাৰে, যিয়ে নেকি মাতৃ আৰু কেঁচুৱাটিক প্ৰচুৰ



সহায় কৰে। কেঁচুৱাটি জন্ম হোৱাৰ পিছত নাড়ী কটা হয়। যদি মহিলা গৰাকী সাহসী হয়, তেতিয়া কেঁচুৱাৰ নাড়ী মাকে কাটে, নহলে আন এগৰাকী মহিলাই বাঁহৰ চেচুৰে কাটে। যি গৰাকী মহিলাই নাড়ী কাটে তেওঁক নাড়ী সৰাৰ দিনাখন মদ-পানী খুৱায় আৰু চুৰা গচকাৰ কাৰণে সেৱা জনায়।

কেঁচুৱাৰ জন্মৰ পিছত পোঁৱতী গৰাকীৰ গাৰ বিষ কাটিবৰ কাৰণে শাক-পাতৰ জাল খুওৱা হয়। কাৰ্বিত ইয়াক 'ঋাল কাপাচ' বোলে। জাল খুৱাওতে লগা শাক-পাত খিনি হ'ল— 'ৰিংকাং কি-ইক (ক'লালতি), 'আলথে' (পিপলি), 'আহম বিৰিক (দেহেন জলকীয়া), 'হিফে ৰিংকাং' (ভেবেলিলতা), 'গৰাই আঅ'ক' (গৰৈ মাছ), 'বেচা আঅ'ক আক্ৰেং' (শুকান খলিহনা মাছ)।

কোনো কোনো মাতৃৰ কেঁচুৱা জন্মৰ দুদিন-তিনি দিনলৈ গাখীৰ নোলায়। তেতিয়া মাকৰ গাখীৰ ওলাবলৈ দূত কচুৰ আঞ্জা 'হেনচুলাংসান' আৰু 'লৈতাৰাসান' (অমিতা আঞ্জা) কমকৈ জালুক-জলকীয়া দি ৰান্ধি খুৱায়। আনহাতে কেতিয়াবা যদি মাকৰ স্তনত গাখীৰ থকা সত্বেও কেঁচুৱাটিয়ে গাখীৰ খাব নিবিচাৰে কান্দিয়ে থাকে তেতিয়া পূৰ্ব জন্ম বিশ্বাসী কাৰ্বি গৃহস্থজনে আকৌ 'ঐঝা' জনৰ ওচৰলৈ মঙলা চাবলৈ যায়। যদি কেঁচুৱাটি কোনোবা পূৰ্ব পুৰুষ 'আমেন চি কিৰাং' হৈ জন্ম গ্ৰহণ কৰিছে, তেতিয়া ওজা জনে গৃহস্থক দুই ধৰণে ব্যৱস্থা দিয়ে। প্ৰথম ব্যৱস্থা দিয়া মতে হাতত এৰাঁ সূতা এডাল পিন্ধাই চাব লাগে আৰু দ্বিতীয়তে পূৰ্ব পুৰুষজনে পূৰ্বতে ব্যৱহাৰ কৰি যোৱা কাঁহী-বাটি কিবা থাকিলে তাৰে এপদদি কেঁচুৱাটিক মান ধৰি সেৱা কৰিব লাগে।

কেঁচুৱাৰ নাড়ীসৰা দিনাখনেই যে বৰ অশৌচ খেদিব লাগিব তেনেকুৱা ধৰা-বন্ধা নিয়ম কাৰ্বি সমাজত নাই। নাড়ী সৰাৰ পিছত যেতিয়াই ইচ্ছা তেতিয়াই বৰ অশৌচ বা কেঁচুৱাৰ নাম থোৱা অনুষ্ঠান 'অছ' আমেন কিৰি' পাতিব পাৰে। গৃহস্থই ধাৰ্য্য কৰা দিনত গাঁৱৰ পুৰোহিত 'কাঠাৰ' জনক মাতি আনি জান-জুৰিৰ পাৰত প্ৰথমে পৰাচিত বা শুচি হোৱা অনুষ্ঠান 'বীৰ কিলুত' পাতে। বোৰতী জান-জুৰিত পতা খাৰ চ'তাৰ

তলেৰে মাক জনীয়ে প্ৰথমতে এখন হাতত কেঁচুৱাটি, আনখন হাতত চাউল এপাচি (চাং জিংতাক পাচিক) লৈ পাৰ হ'ব লাগে। তাৰ পিছত ঘৰৰ আনসকল সদস্যও খাৰ চ'তাৰ তলেৰে গৈ শুচি হয়। শুচি হওঁতে কাঠাৰ জনে 'আতাম' (শ্লোক) মাতে ঃ

তে হেম হেম হেম
তে চুমিৰ ব্ৰাং প্লাং চুমিৰ ব্ৰাংফ্ৰি
তে কেং চুৱাতাং ৰি চুৱাতাং
নুম্‌পে চুৱাতাং ৰাংতিক চুৱাতাং
নুম্‌পে চুৱাতাং নুংল' চুৱাতাং
তে কাঠাৰ চিৱান মেলে চিৱান
চুৱে চিৱান ইংৰি চিৱান
লাবা আছ' লাবা আছু
নে কাঠাৰপতা লুভত কালেক কিজুন লুভত কালেক
নেছ' আয়ক নিচু আয়ক
পে চামবাৰপ' পেচামবাৰ পে
কল আফেল দল আফেল
পেহাগাৰি আজন প' হাগাৰি আজন
নেছ' ইহুত নিচু ইহুত
কেং ইংথিৰ লাগে ৰি ইংথিৰ লাগে
নেছ' নুম্‌পে আৰহুম নুম্‌পাক আৰহুম
দ' ইংচাম লাগে থোৰ ইংচাম লাগে
কৰ ইহুত পেন ছ' ইহুত পেন
বুধি ই চিনে চেৰে ই চিনে
তে লাবা আছ' লাবা আছু
(ৰাংচাং টেৰণৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ মাতৃগৰাকীৰ কেঁচুৱা এটি জন্ম হোৱাৰ কাৰণে কাঠাৰ জনক মাতি আজি শুচি হৈ কেঁচুৱাৰ নাম থোৱা অনুষ্ঠান পতা হৈছে। কেঁচুৱা জন্মাৰ কাৰণে ঘৰখনত চুৱা লাগিছে। বৰঘৰৰ বৰ খুঁটা ডাল অশুচি হৈছে, লক্ষ্মী কলহ কেইটিও চুৱা হৈছে। সেইখিনি



শুচি হ'বলৈ আজি নিজৰাৰ পানীত হাত-ভৰি ধুইছোঁ।

জান বা জুৰিৰ পাৰৰ পৰা শুচি হৈ ঘৰলৈ আহোঁতে গোহালিৰ পৰা গৰুৰ পঘা এডাল আনি বৰঘৰৰ বৰ খুঁটাত মেৰিয়াই থয়। তেতিয়া কাঠাৰে কুকুৰা চৰাই এটা ঘৰৰ গোসাঁনীক সাক্ষী কৰি চোঁতালত কাটেগৈ। কোনো কোনো গাঁৱত এই পূজাটি 'বীৰকিলুত' পতা ঠাইতে বাঁহৰ জেং এডাল পুতি তাৰ তলতে কুকুৰা চৰাইটো কাটে। ঘৰতেই হওঁক বা বাহিৰতেই হওঁক কাঠাৰে কুকুৰাটো কটাৰ আগতে কুকুৰাটোক উদ্দেশ্যি 'আতাম' এটি মাতে এনেদৰে ঃ

তেহেম হেম হেম
ঐ নাং ৰছাং আছ'য়ংতা ৱৰু আছ'য়ংতা
আৰ্নি ৰেচ' পাৱা চিক্লু ৰেচ' পাৱা
বৰ চিহাংছি এচিহাংছি
বৰ নাং পিল' এ নাং পিল'
হালি চুমছা আছ' চুমছি আছ'
চাংপ্ৰত নাংৰিক চাং এ নাংৰিক
মুমু নাংৰাল কিথল নাংৰাল
তাৰ নাংপি হেম নাংপি
আৰ্ণাম আদিয়ে আৰ্নি আৰ্দমে
নাংথাত এনথমমে নাংথু এনথমমে
নেং দুংহ'য়েক পক দুংহ'য়েক
ঐনাং ৰছাং' ৰ'ৰু আছ'
(ৰণ চিং কাঠাৰৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ হে ৰঙা চৰাই,তই চন্দ্ৰ সূৰ্য্য দেৱতাৰ পৰা সৎ মৃত্যুৰ বৰ খুজিছিলি। আমি নৰমনিচে তোক খুদি চাউল খুৱাই ডাঙৰ কৰিলো। আজি মানুহৰ উপকাৰৰ বাবেই তোমাক কাটি তোমাৰ তেজেৰে দেৱতাক পূজা দিছো।

কাঠাৰে পূজাভাগ চোঁতালত কৰি থকাৰ সময়তে ৰাইজ নতুবা গৃহস্থই কেঁচুৱাৰ কি নাম থ'ব গুনা-গঁঠা কৰে। যদি কেঁচুৱাটি পূৰ্ব পুৰুষৰ কোনোবা এজন হৈ জন্মিছে তেতিয়া হ'লে তাৰ নাম পূৰ্ব পুৰুষৰ একে

নামেৰেও থ'ব পাৰে বা পূৰ্ব পুৰুষৰ নামৰ প্ৰথম আখৰটিৰেও থ'ব পাৰে। অৱশ্যে কেঁচুৱাটিক আন নামেৰেও নামকৰণ কৰিব পৰা যায়। নামটো থোৱা হোৱাৰ পিছত কাঠাৰ জনে কলপাতত থোৱা কুকুৰা চৰাইৰ তেজ অকণমান কুকুৰা পাখি এডালেৰে কেঁচুৱাটিৰ কপালত সানিদি পূৰ্ব পুৰুষৰ নাম ধৰি বা প্ৰথম আখৰেৰে থোৱা নামটিৰে নামধৰি মাতে আৰু জিভাত অকণমান মদ আৰু 'বীৰ কিলুত'ত নিয়া চাউল পাচিৰ পৰা সিজোৱা ভাত অকণমান জিভাত চেলেকায়। তেতিয়া আন এটি 'আতাম' গায় ঃ

তে হেম হেম হেম
ঐ নাং চুম আছ' চুমচিক আছ'
নাংতা হেনৰু কিচ' আয়ক ৱাংদ'
দুংকেক কিচ' আয়াক ৱাংদ'
ফুচ' দয়েক কেংচ' দয়েক
তে মিনি পাৰা অমুক পুছি আমেন নাং বিল'
(ছত্ৰ সিং ৰামদে মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ তই নৰমনিচ হৈ পৃথিৱীলৈ আহিছ, তই কচু-ঢেঁকীয়া খাবলৈ জন্ম ধৰিছ। ভালদৰে খাই-লৈ থাকিবি, বেমাৰ আজাৰ নানিবি, বেমাৰ-আজাৰৰ পৰা গা বচাই থাকিবি। তোৰ নাম আজিৰ পৰা অমুকা ৰখা হ'ল, তহুকা ৰখা হ'ল। তোক আজিৰ পৰা মানুহে এই নামটিৰেই জানিব।

পূজা-পাতল কৰি উঠাৰ পিছত ভাত-পানী খাই ৰাইজ ঘৰা-ঘৰি যাবলৈ ওলায়। যাওঁতে তেওঁলোকে নামকৰণ কৰা নামটিৰে মাতি কেঁচুৱাটিক মৰম-চেনেহ কৰি থৈ যায়। কোনোবাজনী ৰঙিলী আইতাকে আকৌ নিচুকনি গীত 'অছ' কাপাদক আলুন'কৈই এফাকি গাই থৈ যায়। কাঠাৰ জনেও পোহন মদ এচুঙা খাই ঘৰ মুখে খোজ লয়। তেতিয়াই কেঁচুৱাৰ নাম থোৱা অনুষ্ঠান 'অছ' আমেন কিৰি'ৰো সামৰণি পৰে।

দৈনিক অসম,১০ আগষ্ট, ২০০৩



# ভৈয়াম কাৰ্বিৰ লোক পৰম্পৰাত বিবাহ

ভৈয়াম কাৰ্বিৰ লোক সংস্কৃতিতো জন্ম,মৃত্যু আৰু বিবাহৰ প্ৰাচুৰ্যতা কোনো গুণে কম বুলি ক'ব পাৰা নাযায়। অৱশ্যে কাৰ্বি বিবাহ পদ্ধতি বেদ বিহীত নহয়, ই তেওঁলোকৰ নিজস্ব নিয়ম-নীতিৰেহে পৰিচালিত আৰু সমাজ স্বীকৃত হৈ আহিছে। সেয়ে হ'লেও সাম্প্ৰতিক বিয়া এখনত তাহানিৰ লৌকিকতা সিমানকৈ পৰিলক্ষিত নহয়। কিন্তু এইটোও ঠিক যে বৰ্ত্তমান বিবৰ্ত্তনৰ ধাম খুমীয়াত পৰি নীতি-নিয়ম সকলোখিনি হেৰুৱাই পেলাইছে বুলিও ক'বপৰা নাযায়। তেওঁলোকে ইয়াৰ কোনোবাটোক যদি এৰিছে কোনোবাটোক আদৰিছে এৰা-ধৰাৰ নীতিৰে। এই এৰা ধৰাৰ ক্ষেত্ৰত এটা কথা মনত ৰাখিব লাগিব, লোক সংস্কৃতি ইমান থুনুকা বস্তু নহয় যে বাহিৰৰ সামান্য আঘাত এটিয়ে ইয়াৰ অস্তিত্বকে গ্ৰাস কৰি পেলাব পাৰিব।

ভৈয়াম কাৰ্বি সকলৰ মাজত পাঁচ প্ৰকাৰৰ বিবাহ পদ্ধতি প্ৰচলন হৈ আহিছে ।

(১) হৰহাক বা বৰবিয়া
(২) বোকা বুচ্ম বা মজলীয়া বিয়া
(৩) হেমদেখা ৰংবং লুকা বা গৃহস্থই জনা, ৰাইজে নজনা
(৪) নুহ হৰহাক বা মোমায়েকৰ ঘৰত পতা বিয়া
(৫) কাচোংহো বা পলুৱাই নিয়া বিয়া

## বিয়াত মোমায়েকৰ স্থান আৰু চমাৰৰ বাচ-বিচাৰ

আনক্ষেত্ৰত নহ'লেও বিবাহৰ ক্ষেত্ৰত মোমায়েকে আগস্থান পায়। মোমায়েকৰ ছোৱালী বিয়া কৰাব পৰাটো বা নিজৰ ভনীয়েকৰ পুতেকলৈ নিজৰ ছোৱালী বিয়া দিব পৰাটো কাৰ্বি সমাজত গৌৰৱৰে কথা। অকল গৌৰৱৰ কথাই নহয়, ইয়াক পৱিত্ৰ কৰ্ম বুলিও ধৰি আহিছে। মোমায়েকৰ জীয়েকক অনাত সমাজৰ কোনো এজনেৰে বুবু-বাবাৰ কথা আহি নপৰে, দায়-দণ্ডৰ কথাও নাই। অৱশ্যে কেতিয়াবা যদি ছোৱালী জনী ল'ৰাটোতকৈ,

ল'ৰাটো ছোৱালীজনীতকৈ ভালেমান ডাঙৰহয় বা মোমায়েকৰ যদি ছোৱালী নাথাকেই তেতিয়াহে আনৰ ছোৱালী অনা-নিয়া কৰে। ইয়াতো মোমায়েকৰ ভূমিকা থাকে। মোমায়েকে ভাগিন জনক আনৰ পৰা হ'লেও ছোৱালী চাই দিবলগীয়াত পৰে। আনহাতে, বিয়াৰ পিছত দৰা-কইনা মোমায়েকৰ ঘৰলৈ প্ৰথমে যোৱাটোৱেই নিয়ম। কাৰ্বি সমাজত মোমায়েকৰ জীয়েকক কিয় বিয়া কৰাবলগীয়া হ'ল তাৰ এটা জনশ্ৰুতি আছে। কাৰ্বি লোক বিশ্বাস মতে দুৰ্গা বা বসুমতী নৰকাসুৰৰে ভনীয়েক। এদিন ভনীয়েক দুৰ্গাৰ প্ৰতি আকৃষ্ট হৈ নৰকে বিয়াৰ প্ৰস্তাৱ দিয়ে। দুৰ্গা ইয়াতে বৰ লজ্জিত হ'ল আৰু অভিশাপ এটি দিলে— 'নৰকাসুৰ ইটো জন্মত তই মোক বিয়া কৰাব নোৱাৰ। সিটো জন্মত তই মোমায়েকৰ জীয়েকক বিয়া কৰাব পাৰিবি, তাইও তোৰ ভনীয়েই হ'ব।'

চমাৰৰ বাচ-বিচাৰৰ ক্ষেত্ৰতো কাৰ্বি সমাজ ভালেখিনি কঠোৰ আছিল। কাৰ্বি সমাজত একে কুলৰ ভিতৰত বিবাহ নিষিদ্ধ। টেৰণে টেৰণৰ ঘৰৰ ছোৱালী, টুমুঙে টুমুঙৰ ঘৰৰ ছোৱালী বিয়া কৰাব নোৱাৰে। টুমুঙে টেৰণৰ বা ৰংহাঙৰ, টেৰণে ফাংছ বা টুমুং ঘৰৰ ছোৱালীহে বিয়া কৰাব পাৰে। কেতিয়াবা বিয়া কৰালেও কঠোৰ শাস্তি বা দণ্ড ভৰিবলগীয়া হয়। এঘৰীয়া হোৱাই নহয়, গাওঁ এৰিও যাবলগীয়া হ'ব পাৰে। মহিলা গৰাকীয়ে গিৰিয়েকৰ উপাধি গ্ৰহণ নকৰে, পুতেকে-জীয়েকেহে বাপেকৰ উপাধি গ্ৰহণ কৰাটো কাৰ্বি সমাজত প্ৰচলিত ব্যৱস্থা।

(১)হৰহাক ঃ বৰ বিয়া পতাটো সহজ কথা নহয়। বৰ বিয়াত মদ-ভাতৰ খৰচেই দুখীয়াৰ হাড় ভাঙে। সেয়েহে খুব চহকী জনেহে বৰ বিয়া পতা দেখা যায়। ভাল দিন-বাৰ এটা চাই এদিন ল'ৰা ঘৰৰ মানুহে মোমায়েকৰ বা আন লোকৰ ঘৰলৈ ছোৱালী চাবলৈ যায়। সিদিনাখন মদৰ লাউ এটা (হৰবং ইছি) বৰাভাতৰ টোপোলা এটা (বৰা আন আবৰ ইছি) নিব লাগে। প্ৰথম দিনাখন বিয়া-বাৰুৰ কথা সিমানকৈ পতা নহয়, জনা-জনীহে হয়। দ্বিতীয় বাৰত ছোৱালী চাবলৈ যোৱাৰ কথা মুকলিকৈ পাতে। তৃতীয় বাৰত ছোৱালী দিয়া-নিদিয়া কথা খাটাং হয়। ইয়াক 'আৰিক' বোলে। তাৰ পিছত দিন-বাৰ ঠিক কৰে। দিনা-বাৰ ঠিক কৰাক কাৰ্বিত 'আৰিক আহৰথিং কিদাম আদিন' বোলে।



বিয়াৰ দিনাখন অন্য মানুহৰ লগতে দুজন 'চামাৰী' যায়। এজন 'আৰ্কেং চামাৰী' ডেকা ল'ৰা আৰু আনজন গাভৰু ছোৱালী। ডেকা ল'ৰা জনে কইনাৰ ঘৰত তামোল-পাণ বিলায় আৰু গাভৰু জনীয়ে ঘৰৰ গোসাঁই, ৰাইজৰ থান আৰু মাকৰ মান থ'পাত কৰি নিব লাগে। গুৰু-গোসাঁইৰ মান ওঠৰটা মদৰ লাউ (কেৰে হিনাৰ কেপ হৰবং), নটিয়া তামোলৰ ওঠৰটা বটা আৰু ৰাইজৰ কাৰণে এটা মদৰ কলহ (হৰমাৰে ইছি), দৰা পাতেৰে বন্ধা ওঠৰাটা বৰা ভাতৰ টোপোলা (বাৰা আন আবৰ কেৰে হিনাৰ কেপ), চেনাফলা মাছ, চাউল আৰু জলকীয়া বিয়া এখনত দৰা ঘৰৰ ফালৰ পৰা নিবলগীয়া হয়। বুঢ়ালোকৰ মুখত শুনা যায় আগতে কইনা ঘৰৰ প্ৰতিঘৰ গৃহস্থৰ বাবে একোটাকৈ মদৰ লাউ আৰু একো টোপোলাকৈ বৰাভাত নিবলগীয়া হৈছিল। আজি কাৰ্বি ৰাইজৰ সিদ্ধান্ত মৰ্মে এই নিয়ম উঠাই দিছে। এতিয়া অৱস্থা চাই ব্যৱস্থা হিচাপে মদ-পানী নিয়ে। গাভৰু 'চামাৰী' জনীয়ে কইনাজনীক কাপোৰ-কানি পিন্ধোৱাৰ কামতো সহায় কৰি দিয়ে। সিদিনা খন 'চামাৰী' জনীয়ে ক'লা মেখেলা পিন্ধি যাব লাগে। 'চামাৰী' কাৰ্য্যখিনি কৰাৰ বাবদ গাভৰু জনীয়ে দৰা ঘৰৰ পৰা মেখেলা এখন মাননী হিচাপে পায় আৰু ডেকা 'আৰ্কেং চামাৰী' জনে আলাং আহৰৰ হৰলাংপং' (পোহন মদৰ চুঙা) খাবলৈ পায়। 'চামাৰী' দুজন কইনা ঘৰতো থাকে। আনহাতে 'আতামছাৰ' (কথাৰ আঁত ধৰা ব্যক্তি) এজন লাগিবই দুয়ো ঘৰৰে। অৱশ্যে কেতিয়াবা 'আতামছাৰ' ৰ কাৰ্য্যখিনি গাঁৱৰ বাংঠে জনে সম্পন্ন কৰাও দেখা যায়। ৰভাতলীত প্ৰথমে কইনা ঘৰৰ আতামছাৰে দৰা ঘৰৰ আতামছাৰৰ সৈতে কথা কটা-কটি কৰে। অৰ্থ পূৰ্ণ কথা। নমুনা এটি এনেকুৱা— কইনা ঘৰৰ আতামছাৰে দৰা ঘৰৰ আতামছাৰৰ জৰিয়তে ৰাইজলৈ প্ৰশ্ন কৰিছে—

ঐনালিনেপ'মাৰ
লাম ইঠে নালি আৰজু প্লাব'
আন দিনানে কিৱাংপ্ৰেক্ মিনিনে কিৱাংপ্ৰেক্
চহাকতং আছ'নে চুংহুতং আছ'নে
হাটতং কিদাম আছ'নে চাৰিতং কিদাম আছ'নে

ছেৰ আছেন চিৰানকে ৰূপ আছেন চিৰানকে
পুৰে নেছি নাংলি কাব্ জুদ'
(ৰাজেন্দ্ৰ টুমুঙৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ হে ৰাইজ, এযাৰ কথা সুধিব খুজিছো, আন দিনা অহা বেলেগ, আজি অহা বেলেগ। চাপিব অহা লোকনে, চোৰ-ডকাইত কৰিব অহা লোক। সোণৰ-ৰূপৰ চিন মোকামৰ কাৰণে আপোনালোকক এযাৰ কথা সুধিলো।

কইনাৰ ঘৰত দৰা-কইনাই 'নুমপে আৰ্ণাম' ত (ঘৰৰ গোসাঁই বুলি ভৰা লাই খুঁটাত) সেৱা জনায়। লগতে সমাজৰ আগতো তেওঁলোকে আঁঠু লয়। ৰাইজে মদ-ভাত খাই স্ফুৰ্তি তামাচা কৰে। দুই এজনে মনৰ উলাহতে দুই এফাকি 'থেলু লাৰি আলুন' (মামা-ভাগিনৰ গীত) গায়। পুৱা কইনাই ভুল-ভ্ৰান্তিৰ ক্ষমা বিচাৰি ৰাইজৰ ওচৰত আঁঠু লয় আৰু ৰাইজৰ লগত দৰা ঘৰলৈ যাত্ৰা কৰে। আহিবৰ সময়ত দৰা ঘৰৰ ডেকা 'আৰ্কেং চামাৰী' জনে ৰভাতলীত থকা তামোলৰ বাকলি আৰু মদৰ লাউৰ কলপাতৰ সোপাবোৰ বুটলি আনি তিনিযোৰা বাটত পেলাই দিয়েহি। এইবোৰ ৰভাতলীত পেলাই থৈ আহিলে মন কৰিলে কইনাঘৰৰ ৰাইজে ডেকা জনক দণ্ডও ভৰাব পাৰে। দৰা-কইনা আহি পালে মাকে পদুলি মুখতে আদৰে। ইয়াতো দৰা-কইনা 'নুমপে আৰ্ণাম' ত সেৱা জনাইগৈ। ইয়াৰ পাছত চোঁতালত বহি থকা ৰাইজক পাৰিলে সৰু-ডাঙৰ প্ৰতিজনকে, নহ'লে মুৰব্বী কেইজনক সভক্তিৰে সেৱা জনাই দোং বা নিজৰাৰ পাৰলৈ শুচি বা পৰাচিত হ'বলৈ যায়। তাত কাঠাৰ জনে 'বীৰকিলুত' মাতে। কিছুমানে 'নুমপে আৰ্ণাম' ত সেৱা ল'বলৈ নাযাওঁতে শুচি হোৱা অনুষ্ঠান 'বীৰ কিলুত' পাতে। এইখিনিতে এটি কথা উনুকিয়াই থ'ব পাৰি যে বিয়াৰ দিনাখন বংশ পৰিয়ালে বা শুভাকাংক্ষীয়ে উছৰ্গা হিচাপে কেঁচা তামোলৰ থোক আৰু চাউল-পাত আনে।

**দৰা-কইনাৰ সাজ-পাৰঃ** দৰাই আঁঠুমূৰীয়া চুৰিয়া (কেংফু আন গামাচা), মুৰত পাগুৰি (পংহ'), গলত 'চুবু' ৰঙৰ (নীলা ৰঙৰ) গামোচা ল'ব লাগে। কইনাই নীলা ৰঙৰ মেখেলা, কঁকালত বগা মেঠনি (ৰানকক্) আৰু গাত 'জালছ' (ৰিহাজাতীয়) পৰিধান কৰিব লাগে। ওৰণি লোৱাৰ



নিয়ম নাছিল যদিও আজি-কালি লয়। কইনাই যেনেদৰে পাটৰ ৰিহা-মেখেলা পিন্ধে, আজি কালি দৰায়েও ধুতী-পাঞ্জাৱী পিন্ধে। থাকিলে গাত 'শ্বলচাং' পিন্ধি যায়। তেনেকৈ আ-অলংকাৰৰ ক্ষেত্ৰতো দুই-এপদ পুৰণা অলংকাৰৰ লগতে আজিৰ যুগৰ অলংকাৰকে পিন্ধাই অনা দেখা যায়। মন কৰিবলগীয়া কথা যে আজিৰ পৰা চল্লিশ-পঞ্চাশ বছৰ আগতে দৰাজনে কইনা আনিবলৈ বিয়াৰদিনা নগ'লেও হৈছিল। আজি কিন্তু দৰা নগ'লে কইনা ঘৰে কইনাকে উলিয়াই নিদিয়ে।

**(২) বোকা বুচম ঃ** মজলীয়া ধৰণে পতা বিয়া খনৰ নিয়ম-নীতিও বৰবিয়া 'হৰহাক' খনৰ নিচিনাই। ইয়াত মাত্ৰ 'হাক' (থ'পা) টো নিব নালাগে। তাৰ পৰিৱৰ্তে নীলা গামোচা এখনেৰে বোকোচা বান্ধি গোসাঁইৰ সম্ভাৰ বোৰ গাভৰু 'চামাৰী' জনীয়ে নিব লাগে। আকৌ, মদ-ভাতৰ টোপোলাও কম। বৰবিয়াৰ আধা। ৰাইজলৈ মদৰ কলহটোৰ ঠাইত মদৰ টেকেলিটো (হৰ্টুবুক) নিলেই হয়।

**(৩) হেমদেখা ৰংবংলুকা ঃ**

টকা-পইচাৰ অভাৱত পৰি কেতিয়াবা মাক-বাপেকে নিজৰ জীয়েকক কোনোবা গৃহস্থৰ ডেকাৰ লগত পলুৱাই খেদায়। ৰাইজে পলুৱাই নিব বুলি জানিও সিদিনা নজনা হৈ থাকে। ছোৱালী পলাই যোৱাৰ পাছত গৃহস্থই ৰাইজক মাতি কথাটো জনায় আৰু দৰা ঘৰলৈ ছোৱালী বিচাৰি যাবলৈ ৰাইজক খাটে। বচা বচা মানুহলৈ ৰাইজে এদিন ছোৱালী বিচাৰি গৈ দৰাৰ ঘৰ পায়গৈ। দৰাঘৰে কইনা ঘৰৰ মানুহ খিনিক আঠে বেঠে আদৰে। সিদিনাখন প্ৰথমে দৰা ঘৰৰ 'আতামছাৰ'জনে ছোৱালীঘৰৰ 'আতামছাৰ'ৰ সৈতে ফকৰা-যোজনা মাৰি কথা কটা-কটি কৰি বৰবিয়াত সোধা 'আতাম' বা শ্লোকটি মাতে। অৰ্থাৎ দৰা ঘৰলৈ যোৱাৰ কাৰণ সোধে। তেতিয়া 'আতামছাৰে' উত্তৰত কয় ঃ

আচেৰেং নাং কৰ্তে
আৰ্লেং আহেম কে আৰ্লেং ৰাং মানৃতাং
ছুচিংব' তিনেছ'ছি বিচাৰ মানৃতাং
মিনিহি চিক্লি মেৰক আতমন

কিফ’ কাংহাং ছিনেন’ জাপথ্রিছি
কৰতে আঠাই
নে আৰ্লেং নেছ’ ৰং চাপিদ’
কাৰজু ফ্রিছি কিৱাংদ’

(ৰাজেন্দ্র টুমুঙৰ মুখৰ পৰা সংগ্রহ)

ভাৱাৰ্থঃ সঁচা, মোৰ জ্যেষ্ঠ জন, মানুহৰ ঘৰলৈ মানুহ আহে, গৰুৰ গোহালিলৈ গৰু আহে। জ্যেষ্ঠ জনৰ ঘৰত মোৰ মানুহ, মোৰ গৰু আহিছে নেকি সুধিব আহিলো।

তেতিয়া ‘আতামছাৰে’ স্বীকাৰ কৰি কয় ঃ

আচেৰেং কৰ্তে
বাং আলাম মে বাদি
লাং আংৰল্কে অ’ক দামানতাং
ঘাঁহ আংৰল্কে ছৰং দামানতাং
পু ৰেনেছি
মনদাক্ ৰং গুৰখীয়া ছ’মাৰ
নে আপালছ ৰং কিপন ছি
আপাল আলগত বাং কিদুন
লাছি
নাং ছৰং মেনে নাং আৰ্লেং মেনে
হানেছি ক’কছি ৰাখিদ’ ৰিমছি ৰাখিদ’

ভাৱাৰ্থঃ পানীৰ বাটেৰে মাছ অহাৰ নিচিনাকৈ, ঘাঁহৰ বাটেৰে গৰু যোৱাৰ নিচিনাকৈ আমাৰ গৰখীয়াৰ গৰু পালবোৰৰ লগতে আহিছে। মই কিন্তু বান্ধি ৰাখিছো।

এনেকৈ কথা কটা-কটিৰ পাছত কইনাঘৰীয়া ৰাইজে দৰা ঘৰক গাহৰি এটা, তাপোল পাণ, মদৰ টেকেলি এটা বান্ধি থৈ যায়হি। এদিন এই দায়-জগৰ খিনি দৰা ঘৰীয়া ৰাইজে কইনা ঘৰীয়া ৰাইজক মাৰি থৈ আহেগৈ।



(৪) নুহু হৰহাক ঃ

আগতে উল্লেখে কৰি অহা হৈছে যে মোমায়েকৰ ছোৱালী ভাগিনীয়েকে নিব পৰাটো বৰ গৌৰৱৰ কথা। কেতিয়াবা এই ক্ষেত্রত মোমায়েকে ভাগিনীয়েকক ঘৰ জোঁৱাই, ‘গভিয়া’ বা ‘ঘৰজীয়া’ কৰিও ৰাখে। অৱশ্যে নিজৰ ল’ৰা নাথাকিলেহে ঘৰজোঁৱাই ৰখা হয়। সেই বিয়াত মোমায়েকে গৰু-গাই উছৰ্গিব পাৰে। আনহাতে ল’ৰা জনৰ কেও কিছু নাথাকিলেও মোমায়েকে জোঁৱাই কৰি নিয়ে। কাৰ্বি কাহিনী গীত এটিত ঘাত মাউৰা ল’ৰাজনক মোমায়েকে জোঁৱাই কৰি নি পাঁচ জনীকৈ ছোৱালীক এজনীও নিদি কেনেকৈ ঠগিলে আৰু শেষত ফাক্কৰ দেবেৰা নামৰ ভাগিনীয়েক জনে নিজেই ঢোল বজাই বজাই নিজৰ কাহিনী কৈ মৃত্যুক সাৱটি ল’লে সেই কথা সুন্দৰকৈ প্ৰকাশ পাইছে। গীতটি তুলি দিয়াৰ মোহ সামৰিব নোৱাৰিলো। গীতটি আজিও আৰকোৱা গীতত গায় এনেকৈঃ

অ’ নাংৰিপে এজাং নাং ৰপ’ হানজাং
ইংথান বাদী হৌ বুতুবাদী হৌ
নাং পাংদাক দাম’ নাং পাফ্রিদাম তেমানাং
নাংবাদী হানজাং বাছ’ জাংৰে ছাঙ
পাজাংৰে দল’ তেমানাং
নাং বাদী হানজাং নাংপে কাংৰেল’
(মাইনৰ ৰহাঙৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ ঐ বাপা হানজাং, তোক মাখিয়ে কণী পাৰাৰ নিচিনাকৈ কণী পাৰি থৈ গুচি গ’ল। তই ঘাত মাউৰা হলি। তোক আল পৈইচান ধৰিবলৈ কোনো নাই। তই মোৰ নিজা বাইৰ ল’ৰা। আমি একেডাল গছৰে গুটি। তোক কাকো নিদিও, দেহেনকো নিদিও, খাচিয়াকো নিদিও। ডাঙৰ হ’লে তোক মোৰ ছোৱালী এজনীকে বিয়া দিম।

(৫) কাচোংহো ঃ

মাক-বাপেকৰ অমতত কেতিয়াবা ল'ৰা-ছোৱালী হালে মিলা-প্ৰীতি হৈ পলুৱাই নিয়া বিয়া খনকে কাৰ্বিত কাচোংহো বোলে। এনেকুৱা বিয়াত গাহৰি-কুকুৰা ভৰিবলগীয়া হয়। মদ-পানীৰ কথাতো আছেই। তাতে যদি নিজ কুলৰ ছোৱালী নিছে দায়-দণ্ডৰ পৰিমান আকৌ চৰা হয়। তেতিয়া সমাজচ্যুতও হ'ব পাৰে। অৱশ্যে আজি কালি দায়-দণ্ড ভৰাই ধুৱাই-পখলাই সমাজত স্থান দিয়াৰ ব্যৱস্থা কৰিছে। কাৰ্বি লোক সমাজত বিধৱা বিবাহ প্ৰচলন আছে। অৱশ্যে পুৰুষ সকলৰ মাজত বহু বিবাহৰ প্ৰচলল নাই বুলিয়েই ক'ব পাৰি। এই ক্ষেত্ৰত কাৰ্বি মহিলা সকলে সতিনীৰে ভৰা ঘৰ এখনৰ পৰা মুক্ত থাকিব পাৰে। কেতিয়াবা ডেকা কালতে ককায়েক জন ঢুকালে গাভৰু বৌৱেক জনী দেৱৰজনৰ সৈতে বিয়াত বহাৰ বাধা কাৰ্বি সমাজত নাই। দায়-দণ্ড লঘু বিধৰ হয়।

শেষত এটি কথাই ক'ব পাৰি যে পাচঁ প্ৰকাৰৰ বিবাহত দায়-জগৰৰ কথা আছে যদিও এইবোৰে কাৰ্বি সমাজ ব্যৱস্থাক অনেকখিনি কটকটীয়া কৰি ৰাখিছে বুলিও ক'ব পৰা যায়। কঠোৰ শাস্তিয়ে কাৰোবাক কেতিয়াবা নাকনি-কাননি কৰিলেও ইয়ে সমাজক অপবাদ, অপকৰ্ম কৰাৰ পৰাও আঁতৰাই ৰাখিবলৈ সক্ষম হৈছে। এটা সময়ত সমাজৰ নিয়ম-নীতি সমূহে আইন ৰূপেও সমাজ এখনত ভালেখিনি প্ৰভাৱ বিস্তাৰ কৰিছিল।

অসমীয়া খবৰ, ১১ ডিচেম্বৰ ২০০২



# ভৈয়াম কাৰ্বিৰ শ'সংৎকাৰ

জন্মিলে মৰিব লাগে পৃথিৱীৰ সেয়া চিৰন্তন নীতি। জন্ম-মৃত্যুৰ সম্পৰ্কত মনীষীয়ে কৈ যোৱা সেইষাৰ কথাই সত্য— ' তুমি যেতিয়া জন্মিছিলা তুমি কান্দিছিলা, আমি আনন্দ কৰিছিলো। আৰু তুমি যেতিয়া গুছি গ'লা তুমি হাঁহিছিলা, আমি কান্দিছিলো'।

মানৱ সভ্যতাই যিদিনাৰ পৰাই গঢ় ল'বলৈ আৰম্ভ কৰিলে সিদিনাৰ পৰাই সমাজত সংস্কৃতিয়েও গজালি মেলিলে। সমাজ ব্যৱস্থাৰ মাজেৰে সংস্কৃতিয়েও আগবাঢ়িল। তেনে এটি সামাজিক বৈচিত্ৰতাৰ মাজেৰে ভৈয়াম কাৰ্বি খিনিয়েও আগবঢ়া পৰিলক্ষিত হয়। কেঁচুৱা জন্মৰ আগে-পিছে বা বিবাহ উছৱৰ নিয়ম-নীতিবোৰ যেনেদৰে পালন কৰি আহিছে, তেনেদৰে মৃত্যু সম্পৰ্কীয় নীতি-নিয়ম খিনিও তেওঁলোকে গ্ৰহণ কৰি আহিছে।

মৃত ব্যক্তিৰ শ্ৰদ্ধাঞ্জলিৰ উপলক্ষত পতা 'চমাংকান' নামৰ অনুষ্ঠানটি কাৰ্বি আংলঙৰ কাৰ্বি সকলৰ মাজত প্ৰচলিত বিশেষ বৈশিষ্ট্য থকা এটি লোক উছৱ। সেই 'চমাংকান' উছৱটিকেই ভৈয়াম কাৰ্বি বিশেষকৈ কামৰূপৰ কাৰ্বি খিনিয়ে 'কিথিকাৰ্হি' বোলে। 'চমাংকান'ৰ সমান জাকজমকতা বা উলহ-মালহ ইয়াত পৰিলক্ষিত নহ'লেও নিজস্ব ধৰ্মীয় নিয়ম-নীতি খিনি কিন্তু অতিভক্তি ভাৱেৰে ইয়াতো পূজিত-পালিত হোৱা দেখা যায়।

ওজা-বেজৰ প্ৰতি অগাধ বিশ্বাস এটি আজিও কাৰ্বি সমাজে কৰি আহিছে। ৰোগ-ব্যাধি হ'লেই পোনেই তেওঁলোকে ওজা জনৰ ওচৰলৈ কড়ি মঙলা (চামেচিলাঙ) চাবলৈ যায়। ধনু বা যাঠীৰে মঙলা খন চাই তেওঁলোকে ঔষধ-পাতি (থেংকুৰ-থেংলং) খুওৱা আৰু পূজা-পাতল (আৰ্ণামি-আৰ্ণি) কৰাৰ দিহা দিয়ে। ইয়াৰ পিছতহে তেওঁলোকে ডাক্তৰ-কবিৰাজ লগায়। এইখিনি কৰাৰ পিছতো ৰোগীজন ভাল ন'হলে বা ৰোগী জনক অন্তিম অৱস্থালৈ অহা দেখিলে বংশ পৰিয়ালে তেওঁ খাব খোজা বস্তুবোৰ খুৱায়। কোনোবাই ভাপত দিয়া পিঠা, ভাতৰ টোপোলা, মদ, গাহৰি-কুকুৰাৰ মাংস খুৱাই ৰোগী জনৰ শেষ ইচ্ছা পূৰণ কৰি যায়হি।

মানুহ জনৰ মৃত্যু হোৱাৰ লগে লগে গাঁৱৰ ৰাইজ খিনি মৃতকৰ ঘৰত গোট খায়হি। 'সাৰা'ৰ হতুৱাই বংশ পৰিয়াললৈ এই শোকৰ বাতৰিটো পঠিয়ায়। খবৰ পোৱাৰ লগে লগে ইষ্ট-কুটুম্ব সকলে আহি মৃত লোক জনৰ ওচৰত শোক প্ৰকাশ কৰেহি। আহোঁতে তেওঁলোকে চাউল (চাং), মদ এলাউ (হৰবং ইছি), কণী এটা (ৰতী ইপুম), পিঠা (হিম) আদিও আনে। কিছুমানে আহি পায়েই মৃতকৰ মুখত বাওঁহাতেৰে ভাত আগবঢ়ায়। তাক 'কিথি আন কিবাক' বোলে। দুৰত মৃতকৰ আপোনজন থাকিলে দুদিন তিনি দিনলৈ শ'ৱাহী কৰি ৰাখিবলগীয়া হয়।

বৰঘৰৰ মুধৰ খুঁটাৰ গুৰি (নুমপে আৰি) ত পুৱা-পশ্চিমা (নিক্লান-নিতু) বা উত্তৰা-দক্ষিণাকৈ (নিচু-নিতেং) মৰাশ'টো ৰখা হয়।

মৃতকৰ শ'চাঙি 'চনদল'খন সাজিব জনা লোকসকলে আগভাগ লয়। চাঙিখন বাঁহৰ টঙালেৰে ফুলাম কৰি সজোৱা হয়। টঙাল তোলা আৰু টঙাল মেৰুৱাৰ ভালেখিনি নিয়ম-নীতি আছে। চাঙিখন চাৰিজনে ল'ব লাগে। প্ৰথমতে পৰিয়ালৰ তিনিজন আৰু ৰাইজৰ এজনে লোৱাৰ নিয়ম। ইয়াৰ পিছত সলনা-সলনিকৈ আন সকলে ল'ব পাৰে। মন কৰিবলগীয়া কথা যে কাৰ্বি লোক পৰম্পৰা মতে একে জনগোষ্ঠীৰ লোকেহে চাঙিখন ল'ব পাৰে, আন জনগোষ্ঠীৰ লোকে লোৱাত বাধা আছে (এতিয়া এই বাধা ভালে খিনি আঁতৰিছে)। চাঙিখন সাজি হোৱাৰ পিছত তাম-তুলসীৰ পানী ছটিয়াই শুদ্ধ বা শুচি কৰি লোৱা হয়।

মৃতকৰ ঘৰত ধৰ্মীয় কামখিনি হৈ থকাৰ সময়তে ডেকা খিনিয়ে শ্মশানলৈ গৈ চিতা (যম আহং) সজাত লাগে। চিতা সজাৰ ঠাইৰ পৰা 'চিতা সজা হল' বুলি খবৰ পালে মৃত লোকজনক গা ধুওৱা হয় আৰু নতুন কাপোৰ পিন্ধায়। চিতা সজাৰ পৰা ছয় চিটা টঙাল (কিফ' জিংতাক থৰক) তুলি আনিলেহে তাৰেই তিনিডাল টঙাল চাৰি খনৰ তলেৰে আৰু মৰাশ' ৰ তলেৰে তিনিডাল টঙাল সুমুৱাই মানুহ জনক চাঙিখনত শুৱাই দিয়েহি। তাৰ পিছত শ'টো বগা কাপোৰেৰে ঢাকি দিয়ে। চাঙিখন চাৰিজনে লৈ চোঁতাল খনত তিনি পাক ঘূৰি বৰঘৰৰ বেৰত খুন্দা এটা মাৰি 'মিনি পাৱা নালি টিকাঙ' (আজিৰ পৰা আহিলো) বুলি শ্মশান অভিমুখে যাত্ৰা কৰে।



সৎকাৰ স্থলীলৈ শ' চাঙিখনৰ লগত নিবলাগে জুইৰ জোৰা এটা(মে জৰা ইছি), জোৰা ধৰা মানুহ এজন (মে থংতং ইন্থুক) আৰু এঁৰা সূতাৰ মহুৰা ধৰা (হন কি-এন আৰ্লেং পে) মহিলা এগৰাকী। চাঙি খনৰ আগে আগে তেওঁলোকে শ্মশানলৈ(থিৰি আলং) গৈ থাকিব লাগিব। শ্মশানলৈ গৈ পালে তিৰোতা গৰাকীয়ে 'যম আহং'ত এঁৰা সূতাৰে এমেৰ মেৰুৱায়। সেই সময়ত চাঙি লওঁতা সকলে শ'টো কান্ধত লৈ থাকিব লাগে। মাটিত থ'ব নোৱাৰে। তেওঁলোকে চোঁতালত ঘূৰাৰ নিচিনাকৈ চিতা খনৰ চাৰিফালেও ঘূৰিব লাগে। তাৰ পিছত তিনিজন লোকে শ'টো তুলি আনে। তাতো গৃহস্থৰ মুৰব্বীজনে মৃতকৰ কাৰণে প্ৰথমে মদ-পানী, ভাত-আঞ্জা,তামোল-পাণ আগবঢ়ায়। শ্মশানথলীতে দুজন লোকক তামোল-পাণ দুযোৰ দি ৰাইজে গিয়াতি পাতে। তেওঁলোকে শৱ সৎকাৰৰ কামখিনি চোৱা-চিতা কৰিব লাগে। এনেদৰে পতা গিয়াতিক কাৰ্বিত 'ৰংবং কাৰ্চুদ আয়ক' বোলে। এই কাৰ্চুদ দুজনে গৃহস্থই মৃতকক ভাত আগবঢ়োৱাৰ পিছতে বঢ়াব লাগে। সকলো ৰাইজে আগবঢ়োৱাৰ পিছত গাঁৱৰ মুৰব্বী বাংঠে, বিচাৰপ', কাৰকুন, ৰিছ'বাংঠেই মদ-ভাত আগবঢ়ায়। শ্মশানলৈ কাৰ্বি পুৰুষ-মহিলা সকলোৱে যাব পাৰে। এই ভাত যচা কাৰ্যটো শেষ হোৱাৰ পিছত গিয়াতি দুজনে জোৰা দুটা জ্বলাই ইজনে-সিজনক 'চিৰদম' (সেৱা) কৰি লয়। গিয়াতি দুজনে চিতাৰ চাৰি খুঁটাত চাৰি বাৰ জোৰাৰ আঙঠা পেলায়। তাৰ পিছত শিপাৰে সৈতে উভালি অনা খেৰ এডাল (ফালাং ইকুক) হাতত লৈ পশ্চিমত থকা গিয়াতি জনে পুৱত থকা গিয়াতিলৈ দলিয়ায়। তৃতীয় বাৰত পশ্চিমৰ গিয়াতি জনে খেৰ ডাল শ'টোৰ ওপৰেৰে দলিয়াই দিয়ে। আনজনে মূৰৰ কাষত থিয় হৈ সেৱা কৰে। ইয়াৰ পিছত জোৰা দুডালেৰে শ'টোৰ কঁকালৰ জোৰাত জুই লগাই দিয়ে। শ'টো পুৰি নোহোৱালৈ গিয়াতি দুজনে মাটিত বহিব নোৱাৰে। চিতাত জুই জ্বলি উঠাৰ পিছত এঁৰাসূতা ধৰা মহিলা গৰাকীয়ে শ' ঢাকি নিয়া কাপোৰখন চিতাৰ ধোঁৱাত সেকে। এই কাপোৰখন ঘৰলৈ আনিব লাগে।

শ'টো পুৰি হোৱাৰ পিছত চিতাৰ কিছু আঁতৰত হাড়-মূৰৰ অৱশিষ্ট কিছু গোটাই ' আৰ্নাম আথলী'ৰ টিপ এটা সাজি তাত তামোল-পাণ

আৰু বাঁহ পাতেৰে সৈতে দুখানি পুতি মৃতকক পুনৰ মদ-পানী, ভাত আদি যচা হয়।

'আৰ্ণাম আথলী'ত ভক্তি ভাৱেৰে নিয়ম-নীতি খিনি কৰি উঠাৰ পিছত ৰাইজ শ্মশানৰ পৰা গাঁও অভিমুখে আহে। আহোঁতে হাতে হাতে একোডাল জেং (যম আবিৰ) লৈ আহে। নিজৰাৰ পানীত (দং আলাং) নামি সেই জেংডালেৰে নিজৰ গালৈ পানী ছটিয়াই 'নাংকে নাংহেম দামত, হানেকে নে হেম দামব' (তই তোৰ ঠাইলৈ যা,আমি আমাৰ তালৈ যাওঁ) বুলি মৃত ব্যক্তিৰ গৃহস্থৰ ঘৰলৈ আহে। তেওঁলোকৰ ঘৰৰ মুখতে কাঠাৰ জনক পৰাচিত কৰি শুদ্ধি কৰি লোৱাৰ পিছতেহে ৰাইজখিনি ঘৰা-ঘৰি যায়গৈ। শুচি কৰা মন্ত্ৰ ঃ

তে হেম হেম হেম
পাৰণি দাম আছ' পাৰণ' দাম আছ'
কিদাম আবাং কিৰাং আবাং
কেং চুৰাদ' মেনে ৰিচুৰাদ' মেনে
নাং কেং নাং চামদ' নাংৰি নাং চামদ'

ভাৱাৰ্থঃ হে মৃত ব্যক্তিজন, আজি এই ব্যক্তি কেইজনৰ হয়তো ভৰি-হাত চুৰা হৈছে। সেয়ে আমি শুদ্ধ হৈ ললো।তোমাৰো ভৰি-হাত ধুৱাই দিলো।

'কাৰচুদ' বা গিয়াতি দুজনক গৃহস্থই বৰ মান-সন্মান কৰে। ভক্তি ভাৱেৰে মদ-পানী যাচে। মদ-পানী খাই উঠাৰ পিছত 'নুমপে আকাংৰী'ৰ কাষত ছাঁই কিছু চালনিৰে ঢাকি থোৱা ঠাইখিনি 'কাৰচুদে' চাবলৈ যায়। সেই ছাঁই খিনিৰ ওপৰত যদি চৰায়ে আছুৰা চিন থাকে তেনেহ'লে সেইজন ব্যক্তিক ভগবানে নিলে বুলি বিশ্বাস কৰে। আৰু যদি মানুহৰ ভৰি খোজৰ নিচিনা কিবা চিন দেখে তেতিয়া হ'লে সেয়া মানুহৰ অপকৰ্মত মৃত্যু হোৱা বুলি ধৰে। একেখিনি বিশ্বাসেই শ্মশান শালিত পাতি থৈঅহা 'আৰ্ণাম আথলী'ৰ টিপটোৰ ক্ষেত্ৰতো খাটে।

মৰাৰ কেইদিনমানৰ পিছত মৃতকৰ পৰিয়ালে গা চিকুনোৱা বা শুচি হোৱা অনুষ্ঠান 'কিথি আবিৰ কিলুত' পাতে। অনুষ্ঠানটি দোং বা নিজৰাৰ কাষত পতা হয়। কাঠাৰজনে পৰিচালনা কৰা অনুষ্ঠানটিত পৰিয়ালৰ



লগতে গিয়াতি দুজন আৰু এঁৰাসূতা ধৰা মহিলা গৰাকীয়েও শুচি হ'ব লাগে। সিদিনাখনো গৃহস্থই শ্মশানত মৃতকৰ নামত ভাত আগবঢ়ায়।

বংশ-পৰিয়ালে আলোচনা কৰি শ্ৰাদ্ধটো পতাৰ দিন থিৰাং কৰাৰ পিছত ৰাইজক মাতি কথাটো অৱগত কৰায়। ৰাইজেও শ্ৰাদ্ধটো হোৱাৰ এদিন আগতে পাহাৰলৈ গৈ খৰি-খেৰ, পাত-পচলা কাটি আনে। সিদিনা খনেই ৰাইজে দুজনমান লোকক মৃতকৰ নামত পুতিবলগীয়া শিল 'লং-এ' এটা অনাৰ দায়িত্ব দিয়ে। তেওঁলোকে সিদিনা খুব পুৱাতে উঠি পাহাৰলৈ গৈ শিল এটাৰ লগতে 'লং-এ পাক খামাল' বা পতা এখনো আনিবলৈ যায়। যাওঁতে তেওঁলোকে লগত তামোল-পাণৰ বটা এটা, মদৰ লাউ এটা, পইচা পাঁচসিকি লৈ যায়। পচন্দ হোৱা আৰু দাঙিব পৰা শিলটোৰ গুৰিত এই পূজাৰ সামগ্ৰী খিনি মৃতকৰ নামত অৰ্পণ কৰি শিলটো টঙালেৰে বান্ধি শিলপোতা ঠাই 'লং-এ আকাংৰি'লৈ লৈ আহে। 'কুৰ' বা কুল অনুসৰি তেওঁলোকৰ স্মৃতিশিলা পোতাৰ ঠাই ভিন ভিন। টুমুঙে টুমুঙৰ বা টেৰণে টেৰণৰ 'আকাংৰি'তহে শিল পুতিব লাগিব। শিলটো শিলপোতা ঠাইলৈ অনাৰ পিছত কাৰ্কুন, বাংঠে, বিচাৰপ' আৰু 'ৰিছ'বাংঠে' ই ৰাইজৰ লগত আলোচনা কৰে শিলচটা কোন খিনি ঠাইত পোতা হ'ব। ঠাইখিনি নিৰ্বাচন হ'লে তাতেই শিলটো পুতি পতা চটাত আগলতি কলপাতত তামোল-পাণ এযোৰেৰে মদ এলাউ আগবঢ়ায়।মৃত ব্যক্তিজন পুৰুষ হ'লে শিলটোত 'পংহ' বা পাগুৰি মেৰিয়ায় আৰু মহিলা হ'লে ককালত মেখেলা পিন্ধায়। শিলটোৰ গুৰিত কাৰ্কুনে গাহৰি আৰু কুকুৰা চৰাই এটা বলি দিয়ে। তেতিয়া কাৰ্কুনে স্তুতি গীত গায় ঃ

তে হেম হেম হেম
তেহ' নাং
ৰৰু ৰেচ' আছ' ছেৰৰছাং আছ'
চিক্লি ৰেচ' পাৰা অৰণি ৰেচ' পাৰা
নাংবৰ কাছি হং
......................
....................

ভাৱাৰ্থঃ হে কুকুৰা চৰাই, তুমি চৰাই ৰজাৰ সন্তান। তুমি চন্দ্ৰ-সূৰ্য্য দেৱতাৰ

পৰা সৎ মৃত্যুৰ বৰ খুজিছিলা। আমি নৰমনিচে তোমাক খুদি চাউল খুৱাই ডাঙৰ কৰাৰ লগতে চিলনী গেন্দেৰাৰ পৰাও ৰক্ষা কৰিছিলো। আজি মানুহৰ উপকাৰৰ বাবেই তোমাক কাটি তোমাৰ তেজেৰে দেৱতাক পূজা দিছো।

স্মৃতিশিলা 'লংএ কি-এ' ত কাৰকুনে মৃতকক ভাত আগবঢ়োৱা হোৱাৰ পিছতহে তালৈ গৈ, গৃহস্থ, গিয়াতি বা ৰাইজে ভাত-আঞ্জা আগবঢ়াইগৈ।

'লং-এ' ত ভাত বঢ়োৱা কাৰ্য্য শেষ হোবাৰ পিছত শিল চটাত থকা মদৰ লাউটো কাৰকুনে উঠাব আৰু বাঁহপাত, পিঠাগুৰি খিনি গামোচা এখনত ভৰাই লৈ বাটে বাটে চাউল বা পিঠাগুৰি ছটিয়াই বৰঘৰলৈ আহিব ধৰে। তাকে 'জিউলি' অনা বুলি কয়। বৰঘৰৰ দুৱাৰ মুখ পাই কাৰকুনে বৰঘৰত বহি থকা বুঢ়ালোক সকলৰ উদ্দেশ্য কৰি কয়— ' অমুকাই আহিল নে?' বুঢ়া সকলে উত্তৰ দিব ' আহিল, তেতিয়াই আহিল, খৰি পাত লৈ আহিল।' কাৰকুনে বৰঘৰত সুমাই বৰ খুঁটাৰ গুৰিত মচি থোৱা 'নুমপে আকাংৰি' ত গামোচাৰে 'জিউলি' কঢ়িয়াই অনা বস্তু কিপদ নমায় থয়। 'নুমপে' ৰ গুৰিতো চৰাই এটা কটাৰিৰে বলি দিয়ে। বলিদি কাৰকুনে চৰাইৰ নাড়ী-ভুৰি বোৰ পৰীক্ষা কৰে, ৰোগতে হে মাৰিল নে, মানুহৰ কুমন্ত্ৰতহে মৰিল। চৰাইটো ৰাইজক জমা দিয়াৰ পিছত 'জিউলি' অনা কাম সমাপ্ত বা বৰ খুঁটাত মৃত ব্যক্তিজন থিতাপি লোৱা বুলি আশা কৰি পূজা ভাগৰ সামৰণি মাৰে। গৃহস্থই মদে-ভাতে ৰাইজক আপ্যায়িত কৰি ন যোৱা তামোল, ন যোৱা পাণেৰে চোতালৰ আগত সভক্তিৰে আঁঠু লয়। বিদায় পৰ্বত কাঠাৰে আশীৰ্বাদ মন্ত্ৰ পাঠ কৰি গৃহস্থক আশীৰ্বাদ দিয়ে ঃ

তে হেম হেম হেম
তে পুনথে তে চুনথে
হালি নাংছ' মান্‌তা নাংছু মান্‌তা
কিদাম আলং কিৰাং আলং
কিপু আলং কাংজে আলং
চিক্লু আতুৰ বাদি আৰণি আতুৰ বাদি



দাম পাঠাৰাং ৰাং পাঠাৰাং
.....................................
.....................................

ভাৱাৰ্থঃ হে ভগৱন্ত ঈশ্বৰ, তোমাৰ সতি-সন্ততিক ফুৰা চকাত আৰু সভাই-সমিতিয়ে চন্দ্ৰ সুৰ্য্যৰ দৰে পোহৰাই ৰাখা। চাচ-কুঠাৰৰ ঘাপৰ দৰে কথা কোৱাৰ ক্ষমতা দিয়া, ভীমৰাজ পক্ষীটিৰ দৰে মুখত কথা দিয়া। ই মোৰ কথা নহয়, এইবোৰ বৰখুঁটা,সৰু খুঁটা, থান-থলী আৰু পূৰ্ব পুৰুষৰহে বচন। হে ঈশ্বৰ 'আৰ্ণাম'।

# ভক্তি গীত 'আতাম'

অসমৰ লোক সংস্কৃতি বুলিলে ইয়াৰ লোক সমাজে পৰম্পৰাগত ভাৱে পালন কৰি অহা নিয়ম-নীতি, আচাৰ-ব্যৱহাৰ, খোৱা-লোৱা, পূজা পাতলৰ বিধি,গীত-মাত, লোক উৎসৱ, লোক বিশ্বাস আদিকেই বুজা যায়।

কাৰ্বি সমাজেও গাঁৱৰ অপায়-অমংগল বোৰ আঁতৰ হ'বলৈ, হানি-বিঘিনিৰ পৰা গাঁওখন ৰক্ষা পৰিবলৈ দেৱ-দেৱীৰ সন্তুষ্টিৰ অৰ্থে পতা বিভিন্ন পূজা- পাতল সমূহ বিশেষ ভক্তি ভাৱেৰে অনুষ্ঠিত কৰি আহিছে। এই পূজা পাতলত আতামবোৰ পৰিৱেশন কৰে। এইবোৰ সংস্কৃত শ্লোক বা স্তোত্ৰৰ দৰে আধ্যাত্মিকতাৰে ভৰা। সেয়েহে গীত সমূহক ভক্তি বা স্তুতি গীতও বুলিব পৰা যায়। অৱশ্যে আতামবোৰ সমাজে পাতি দিয়া বিষয় ববীয়াইহে লোক অনুষ্ঠানত পৰিৱেশন কৰাটো নিয়ম। সাধাৰণতে আতাম বোৰ দেহাল (দেওশাল) পূজাত দেউৰী জনে,গা চিকুনোৱা বা শুচি হোৱা অনুষ্ঠান 'বীৰকিলুত'ত কাঠাৰ জনে, নখোৱা বা লক্ষ্মী পূজাত ঘৰৰ মুৰব্বী 'ৰংছাৰপ' জনে, গৰখীয়া পূজাত 'ৰিছ'বাংঠে (ডেকা বাংঠে) জনে, চিকাৰলৈ যোৱাৰ সময়ত কাঠাৰ জনে সুৰ লগাই মাতি অনুষ্ঠান সমূহ পৰিচালনা বা সম্পাদনা কৰে। পূজা-পাতল সমূহ ৰাইজৰ হিত সাধনাৰ্থে পতাহয় যদিও ব্যক্তিগত ভাৱেও কিছু অনুষ্ঠান পতা দেখা যায়। এইখিনিতে এটি কথা উনুকিয়াই থোৱা ভাল হ'ব যে কাৰ্বি সকলৰ দুই-এটি অনুষ্ঠানতহে বলি-বিধান নাই। কাৰ্বি লোক সমাজতো বন-পাত এটি দিলেই সন্তুষ্ট হোৱা বন দেৱতা 'ইংলং আৰ্ণাম' আছে।

### শুচিহোৱা বা বীৰকিলুত আতাম

যুদ্ধ-বিগ্ৰহ এৰাই চলা শান্তি প্ৰিয় কাৰ্বি সকলৰ সামাজিক নিয়ম-নীতি, আচাৰ-বিচাৰ কিন্তু কটকটীয়া। সমাজৰ কোনো লোক বিপথে পৰিচালিত হ'লে বা অসামাজিক কামত লিপ্ত হ'লে ৰাইজে 'আচন' (বিচাৰ) বহোৱাই দোষীক দায়-দণ্ড বিহে। তেতিয়া লোকজনে উদ্ধাৰ-পৰাচিত হৈ সমাজৰ আগত আঁঠু লোৱাৰ নিয়ম যেনেদৰে আছে, তেনেদৰে



বছৰটোত কৰা পাপ-দশা যেনে— হাল ৰাওঁতে বা গৰু চৰাওঁতে গৰু-গাইক লৰু মাৰিৰে মৰা, ফালে কটা, খেতি কৰোঁতে কেঁচু-কুমটি কটা যোৱা,জুমখেতি কৰোঁতে গছ-বাঁহ কাটি তাত জুই দি অনেক পোক-পৰুৱা মাৰিবলগীয়া হোৱা, কেঁকোৰা-শামুক খাবলগীয়া হোৱাত মন অশুচি, হাত-ভৰি অশুচি হোৱাৰ পৰা মুক্তি পাবলৈ কাঠাৰ (পূজাৰী) জনৰ হতুৱাই শুচি হোৱা অনুষ্ঠান এটি পাতিবলগীয়া হয়। ইয়াক কাৰ্বিত 'বীৰকিলুত' বোলে। 'ৰাইজে ৰজা,-গিয়াতিয়ে গংগা' বুলি বিশ্বাস কৰি কাৰ্বি সকলেও এই পৰাচিত হোৱা অনুষ্ঠানটি নৈ বা নিজৰাত গাঁৱৰ বুঢ়া-মেথাক মাতি পাতে। এহ ‍অনুষ্ঠানটি গাঁৱৰ প্ৰতিঘৰে ব্যক্তিগত হিচাপেও পাতিবলগীয়া হয়। কাতি মাহৰ 'বীৰকিলুত' অনুষ্ঠানটি পাতি উঠাৰ পিছত গৃহস্থই কেঁকোৰা-কুচিয়া, কেঁচা তামোল খাব নোৱাৰে। নতুন বছৰত নতুন বৰষুণ পৰিলেহে পুনৰ কেঁকোৰা-কুচিয়া খাব পৰা হয়। অৱশ্যে কাৰ্বি সমাজত এটা প্ৰবাদ-প্ৰবচন প্ৰচলিত আছে—'আৰে অংতে চেহেতা অ'ক'(মাছ নাপালেহে কেঁকোৰা খাবা), শুচি হোৱা অনুষ্ঠানটিত গৰখীয়া সকলৰ মংগল কামনা কৰি 'আতাম' মাতে ঃ

ঐ নাং পাঁচকঙৰ ছয়কঙৰ
লংৰেত দামে লংমন দামে
মেকলাং দুন ন' অনে দুন
ইংহ' আবৰ ইংহ' আতব
নামতুং আলং নামজাং আলং
নংপে পনে নংল' পনে
বলপ' ৰাঙে ফাৰাংপে ৰাঙে
মেক তৰাৰ দুন ন' তৰাৰ দুন
হিলিক তেলদুন কংথাল তেলদুন
নংপে আয়ক নংল' আয়ক
আহেম ৰানপি আৰেত ৰানপি
আনাং কিদাম আলং আনাং কিবাং আলং
দাম পাথা আংনাং ৰাং পাথা আংনাং
লাম চিৰ্চুদাম মান্তা লুন চিৰ্চুদাম মান্তা

লাম পাবেৰ নাং লুন পাবেৰ নাং
(মিৰিকা কাঠাৰৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ হে বনৰ দেৱতা, গৰখীয়া বোৰে পাহাৰে-পৰ্বতে গৰুবোৰ চৰাবলৈ নিব, সিহঁতক তুমি বলাই-বঢ়াই আনিবা। গৰু চাৰিবলৈ যাওঁতে সিহঁতে বাঘৰ মুখত, ঘোঙৰ মুখত পৰিব পাৰে। তুমি বাঘ-ঘোঙক খেদি পঠিয়াবা। গৰখীয়াৰ মুখবোৰ, জিভাবোৰ ভীমৰাজ চৰাইৰ ঠোঁটৰ দৰে আৰু জেঠীৰ জিভাৰ দৰে চোকা হওক। কথাত জিনক, মাতত জিনক।

আনহাতে গৰুক লৈও তেওঁলোকৰ ভক্তি-ভাৱনাৰ অন্ত নাই। গৰু বিহুৰ দিনাখন 'আতাম-পাতাম' মাতি গৰুক নতুনপঘা দিয়া হয় আৰু ভগৱানে যাতে গৰুবোৰক মংগলে ৰাখে তাৰো কামনা কৰা হয়।

## দেহাল পূজাৰ 'আতাম'

দেহাল পূজাটো কৃষিৰ লগত জড়িত অনুষ্ঠান। কাৰ্বি সকলৰো মহাদেৱ (দেহাল আৰ্ণাম) কৃষি বা বন দেৱতা (ইংলং আৰ্ণাম)। ফাগুন মাহৰ এটা মঙলবাৰত এই পূজাটো পাতি উঠাৰ পিছত কাৰ্বি সকলে পাহাৰৰ আৰ খেতি (ৰেত) টোত নামিবলৈ আৰম্ভ কৰে। দেহাল পূজাৰ দিনাখন মাজৰাতি বুঢ়াগোসাঁই আৰু বুঢ়ীগোসাঁনীৰ নামত দেউৰীয়ে এটা ক'লা ছাগলী, গাহৰি এটা আৰু প্ৰতিঘৰ গৃহস্থই এটাকৈ আগবঢ়োৱা মতা বা মাইকী কুকুৰা কাটে।

এই অনুষ্ঠানটি পতাৰ আগেয়েও কাঠাৰে ৰাইজক শুচি কৰাই লয়। অৰ্থাৎ 'বীৰ কিলুত' পাতে। সিদিনাখন মাছৰ ব্যৱহাৰ হোৱা দেখা নাযায়। পূজা ভাগ কৰি উঠি দেউৰীজনে দেওশালত বলিকটা 'দাখৰ'খনলৈ নাচে। লগে লগে ৰাইজৰ ফালৰ পৰাও দুজনীয়া দল একোটা হৈ দেউৰীৰ সৈতে সলনা-সলনি কৰি নাচে। পূজাত পিঠাগুৰি, কল (ফুউক), সেন্দুৰ, ধুনাৰ প্ৰয়োজন। দেউৰীয়ে 'আতাম' মাতে ঃ

তে হেম হেম হেম
ঐ নাং দেহাল ছাৰপে দেহাল ছাৰপ'



হালি চুমছা আছ'কে চুমছি আছ'কে
তুন পাংথিৰছি দাং পাংথিৰছি
দেহাল আয়ক দেপাত আয়ক
নাং আৰ্দম আথেয়ে নাং আৰ্দি আথেয়ে
ছ' ৰাংলাং দুন ছু ৰাংলাং দুন
কি-এট ৰাঙে কিফু ৰাঙে
কি-এত কল্পন কিফু কল্পন
বলপে ৰাঙে ফাৰাংপে ৰাঙে
(মুকুল ইংতিৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ হে দেহাল দেৱতা, বুঢ়াগোসাঁই-বুঢ়ীগোসাঁনী, আমি নৰ মনিচে তোমাক পূজিবলৈ মদ বনাইছো, পাত-পাতলি পাৰি তোমাক পূজিম। তুমি আমাৰ নাতি-পুতি সকলক চাবা, ৰোগ ব্যাধিৰ পৰা সিহঁতক ৰক্ষা কৰিবা। গৰু-গাইবোৰ চাবা, বাঘ-ঘোঙৰ মুখৰ পৰা সিহঁতক ৰক্ষা কৰিবা।

## গৰখীয়া বৰৰ 'আতাম'

গৰু আৰু গৰখীয়া এটা আনটোৰ পৰিপূৰক। পুৰাতেই গৰু-গাই মেলি দিনৰ দিনটো হাবিয়ে- বননিয়ে সিহঁতক চৰায় ফুৰি গধূলি আনি খুঁটাত বান্ধি উঠাৰ পিছতহে গৰু আৰু গৰখীয়াৰ সিদিনালৈ সম্বন্ধ শেষ হয় বুলি ক'ব পৰা যায়। গৰখীয়াক লোক সমাজে আজিও ভাৱ-ভক্তি কৰি আহিছে। গৰখীয়াই বৰ দিলেও লাগে, শাও-শপনি দিলেও লাগে বুলি বিশ্বাস। কাৰ্বি সকলৰ গৰখীয়া দেহাল বা 'খুকুখ্ৰে দেহাল ' বুলি গৰখীয়াৰ পূজা এভাগেই আছে। সিদিনাখন বৰগৰখীয়াই 'তুৰয়িত' বাঁহী বজায়। সাধাৰণতে ৰজাৰ ভায়েককহে বৰগৰখীয়া পতাৰ নিয়ম। তেওঁক 'ৰিছ' বাংঠে বোলে। গৰখীয়া পূজাত বাংঠেই 'বীৰ কিলুত খাংহাৰা' (শুচি হোৱা খঙৰা), 'তিবং' (কঁহুৱা) চাৰি ডাল, 'আৰজাং হংনি' (বাহঁৰ আগলী) দুডাল, 'ইংৰি' (হাড় কটা বন), 'চুৰে' (কুচিয়া কটা লতি), 'লাংপুং চেৰহ্লেত' (একে ঘাপে কটা বাঁহৰ চুঙা), 'ললন পাক্‌ঙি' (আগপাত), 'ৰ আতী ইপুম' (কুকুৰা কণী এটা), 'হিমবৰণী' (পিঠাগুৰি),

'হুজং' (ধুনা), 'মেচুপুন ইচি' (জুবুতি এটা) আৰু 'তাকচুদুমি' (বাঁহৰ চুচনিৰ লাৰু) লাগে। 'তিবং' কেই ডালৰ তলেদি প্ৰথমে ঘৰৰ মুৰব্বী জন, তাৰ পিছত ঘৰৰ আনবোৰে নিজৰাৰ নামনিলৈ নামি যায়। সেই সময়ত কাঠাৰ জনে 'আতাম' মাতি গৃহস্থ ঘৰৰ মংগল কামনা কৰি স্তুতি গায় ঃ

তে হেম হেম হেম
আচন চিৰকেপ পাৰা আচন থংকেপ পাৰা
চুলু কিৰাং আছ' চিংথেল কিৰাং আছ'
চুলু কিৰাংকে চিংথেল কিৰাংকে
বিৰি চিৰান' বিৰন চিৰান'
ইংৰি চিৰান' চুৰে চিৰান'
আতি চিৰান' আম' চিৰান'
.........................................
চেহে চহং পুছি চুপি চহং পুছি
হানদিন চহং পুছি হানবাৰ চহং পুছি
নংপে আমল ফৰল পুছি নংল' আমল ফৰল পুছি
কেংবাহি ৰিবাহি
ফুবাহি ফাংবাহি
কেং পাংথিৰে ৰি পাংথিৰে
লাবাং আকিচিম ইংহ' ৰাংদেঙে
ঐচেহেপে ৰাংদেঙে চুপিপে ৰাংদেঙে

(ৰণচিং কাঠাৰৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ আমি কেঁকোৰা-কুচিয়া খোৱাৰ বাবে, অখাদ্য শাক-পাত খোৱাৰ বাবে, হাল বাওতে গৰু হালক কোবোৱাৰ বাবে আমাৰ মুখবোৰ, হাতভৰিবোৰ অশুচি হৈছে। সেইখিনিৰ প্ৰায়শ্চিত্ত কৰিবলৈ নিজৰাৰ পাৰত কণী কাটিছো, চৰাই কাটিছো।

**কুকুৰা চৰাই কটা 'ৰকিথাত আতাম'**

জনজাতীয় সমাজৰ পূজা-পাতলৰ অনুষ্ঠানত কুকুৰা চৰাই প্ৰায়েই



অপৰিহাৰ্য। 'ৰণৰ কুকুৰা ৰণত মৰে' বুলি কুকুৰাক যুঁজাৰু চৰাই ৰূপেও স্বীকৃতি দিয়াৰ উপৰি দেৱ-দেৱীৰ পূজাত লগা দেৱতা চৰাই ৰূপেও ই কাৰ্বি লোক সমাজত স্বীকৃত। চৰাইটো কটাৰ আগমুহূৰ্তত দেউৰী বা কাঠাৰে তাৰ মংগল কামনা কৰি ভগৱানৰ ওচৰত স্তুতি কৰে এনেদৰে ঃ

হে' ৰঙা চৰাই, তই চন্দ্ৰ সূৰ্য্য দেৱতাৰ পৰা সৎ মৃত্যুৰ বৰ খুজিছিলি। আজি মানুহৰ উপকাৰৰ বাবেই তোক কাটি তোৰ তেজেৰে দেৱতাক পুজিছো।

কাৰ্বি আতামটো হ'ল ঃ

ঐ নাং ৰছাং আছ'য়ংতা ৰ'ৰু আছ'য়ংতা
আৰ্নি ৰেচ' পাৰা চিক্লি ৰেচ' পাৰা
বৰ চিহাংছি এ চিহাংছি
.........................................
.........................................

('আতাম'টি আন এটি প্ৰবন্ধত উল্লেখ কৰা হৈছে)

প্ৰবন্ধটিত উল্লেখ কৰা ভক্তি গীত 'আতাম' কেইটিৰ উপৰি আৰু অনেক 'আতাম' আছে। সেই সকলো 'আতামে'ই ভক্তি ভাৱেৰে ভৰা যদিও এইবোৰত কাৰ্বি সমাজ জীৱনৰ ছবি একোখন নিখুঁত ৰূপত ফুটি উঠা দেখা যায়। ভক্তি-ভাৱনাৰ মাজেৰেহে যে সমাজত লোক বিশ্বাস বোৰ ৰজে সেই কথাৰ উমানো আমি কাৰ্বি সকলৰ এইখিনি গীত-মাতৰ মাজেৰে পাবলৈ সক্ষম হও।

দৈনিক অসম,২৫ নৱেম্বৰ,২০০১

# কাৰ্বি লোক সমাজত মদৰ ব্যৱহাৰ

বিভিন্ন জনগোষ্ঠীৰ সংস্কৃতিৰ আধাৰতেই গঢ়লৈ উঠিছে বৃহৎ অসমীয়া সংস্কৃতি। অসম নামৰ বৰ গামোচা খনত প্ৰতিটো জনগোষ্ঠীয়েই একোডালি আঁচুফুল। এই জনগোষ্ঠী সমূহ বিভিন্ন সময়ত, বিভিন্ন কাৰণত অসম ভূমিখণ্ডত প্ৰবেশ কৰিছিল। তেওঁলোক যি কাৰণতেই অসমত প্ৰবেশ নকৰক লাগিলে এই উৰ্বৰা ভূমিখণ্ডক এৰি থৈ কিন্তু তেওঁলোক কোনো এটি জনগোষ্ঠীয়েই পুনৰ ঘূৰি যাবলৈ নিবিচাৰিলে।

'ব্যক্তিৰ সমষ্টিয়ে সমাজ আৰু সামাজিক আচৰণৰ সামূহিক প্ৰকাশেই হ'ল সংস্কৃতি।' ক'বলৈ গ'লে সমাজ আৰু সংস্কৃতি ইটো আন টোৰ পৰিপূৰক। সমাজৰ জীৱন নিৰ্বাহ পদ্ধতিত সংস্কৃতিয়ে গঢ়লৈ উঠে আৰু সংস্কৃতিয়ে সমাজ এখনক গৌৰৱান্বিত কৰি তোলে। কাৰ্বি সংস্কৃতিও তেওঁলোকৰ জীৱন নিৰ্বাহ পদ্ধতিতেই গঢ়লৈ উঠিছে।

পাহাৰৰ কাৰ্বি খিনিৰ নিচিনাকৈ ভৈয়ামত বাস কৰা কাৰ্বি খিনিও তেনেই অনুষ্ঠানপ্ৰিয় আৰু সংগীতময় জনগোষ্ঠী। তেওঁলোকৰ এনে এটি লোক অনুষ্ঠান নাই যিটো অনুষ্ঠানত নেকি লোকগীত এটি পৰিৱেশন নহ'ব, তেওঁলোকেৰ এনে এটি লোক অনুষ্ঠান নাই যিটো অনুষ্ঠানত নেকি লোক নৃত্য এটি নানাচিব বা লোকবাদ্য এটি নবজাব। আনকি মৃত ব্যক্তি এগৰাকীৰ শ'ৰ কাষতো ' অচেপী' এগৰাকীয়ে বিননি বা সুৰ তুলি কন্দাৰ নিয়ম। ঠিক তেনেকৈ তেওঁলোকৰ লোক অনুষ্ঠান সমূহো কৃষিৰ লগত জড়িত। সেয়া লাগিলে 'চক্ কাৰ্টাপ আৰ্ণাম এ হওঁক বা 'ৰেত আৰ্ণাম্' এ হওঁক। 'মনুকিএন'এ হওঁক বা 'দেহাল আৰ্ণাম্'এ হওঁক। তেনেকৈ এনে এটি লোক অনুষ্ঠান নাই, য'ত নেকি মদ এলাউ (হৰবং ইছি) বা মদ এচুঙা (হৰপং ইছি) ব্যৱহাৰ নহ'ব। পূজা-পাৰ্বণ আদিতো গাহৰিটো, কুকুৰাটো বলি দিয়াৰ লগতে মদ এটুপিৰো প্ৰয়োজন হৈ পৰিল। এই ক্ষেত্ৰত আমি এটি কথা স্বীকাৰ কৰিবই লাগিব যে জুই আৰু কৃষিৰ আবিস্কাৰে মানৱ সভ্যতাক ভালেখিনি আগুৱাই নিয়াৰ লগতে জীৱন নিৰ্বাহ পদ্ধতিকো ভালেখিনি সুচল আৰু সুগম কৰি তুলিলে। কৃষিৰ



আবিস্কাৰে আদিম মানৱক চিকাৰ বিচাৰি ইখন অৰণ্যৰ পৰা সিখন অৰণ্যলৈ অঘৰী হৈ ঘূৰি ফুৰাৰ পৰা যেনেদৰে ৰক্ষা কৰিলে, তেনেদৰে চিকাৰ কৰি অনা মাংসখিনি, গছ-বনৰ আলু-কচু কেইটি পুৰি বা সিজাই খোৱাৰ পথো তেনেই প্ৰসস্থ কৰি তুলিলে। তেনে এটি সু বাদৰ আলমতেই হয়তো কাৰ্বি সকলৰ মাজতো মদৰ সৃষ্টি হ'ল বা মদৰ প্ৰচলন ঘটিল। মদৰ প্ৰচলনে লোক সমাজত গা কৰি উঠাৰ লগে লগে, আন অন্ধ বিশ্বাসৰ নিচিনাকৈ মদেও পূজাৰ এবিধ উপাচাৰ হৈ দেৱ-দেৱীৰ চৰণলৈ গতি কৰিলে। 'কাঠাৰ' বা পূজাৰী জনেও আৰ্ণামলৈ পূজা ভাগ আগবঢ়াওতে কুকুৰা-গাহৰিৰ তেজ ছটিয়াই যেনেদৰে প্ৰাৰ্থনা কৰা হ'ল, তেনেদৰে মদ যাচি 'আতাম' মাতি তেৰা সৱৰ সন্তুষ্টি কামনা কৰা হ'ল। তেনে এটি ভক্তি মূলক 'আতাম' হ'ল ঃ

তে হেম হেম হেম
ঐ নাং দেহাল ছাৰপে দেহাল ছাৰপ'
হালি চুমছ্য আছ'কে চুমছি আছ'কে
তুন পাংথিৰছি দাং পাংথিৰছি
দেহাল আয়ক দেপাত আয়ক
নাং আৰ্দম আথেয়ে নাং আৰ্দি আথেয়ে
..................................
..................................

(মুকুল ইংতিৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ হে বুঢ়া গোসাঁই, বুঢ়ী গোসাঁনী, তোমাক পূজিবলৈ মদ বনাইছো, পাত-পাতলি পাৰি পূজিছো। তুমি আমাৰ নাতি-পুতি সকলক চাবা, ৰোগ-ব্যাধিৰ পৰা ৰক্ষা কৰিবা।

আৰখেতি হ'ল পাহাৰত কৰা খেতি। আৰখেতিক ঝুম খেতিও বোলে। কাৰ্বিত 'ৰেত'। আৰকোৰা সময়ত গোৱা গীত খিনিয়েই 'ৰেত কিনং আলুন'। গীতখিনি তেনেই সুৱদি-সুৱীয়া। আৰতলী খন তলৰ পৰা ওপৰলৈ এপাৰি কুৰি হোৱাৰ পিছত আতিথ্য যচা মদ বিলোৱা গাভৰু 'হৰকিপি মেন্‌চ' চাৰিজনীৰ দুজনীয়ে ডেকা-গাভৰুৰ 'চং খ্ৰাম' দলক আৰু আন দুজনীয়ে বয়সীয়াল 'নৰতাপ' দলক মদ বিলাই তেওঁলোকৰ

ভাগৰুৱা দেহা শাঁত পেলায়। মদৰ উল্লেখ থকা আৰকোৰা গীত এটি হ'ল এনেকুৱা ঃ

লাংহেৰোক অহেঁৰাদে এহেৰা এহাই হাই
থেৰে আকামেম্মাৰ লকাই চাংপুং আকুৰিমাৰ
ৰাংতাক ৰাংহাৰ লাঙত লকাই ৰাহং চিংবেব' হে
লাছি হেমফু আৰ্ণামিকে লকাই জৰলাং পাংদঙ' হে

ভাৱাৰ্থঃ ডেকা-গাভৰু সকল, বেলি বহিব এতিয়া সোনকালে কোৰ মাৰ। তহঁতক গৃহস্থই মদ বানই খুৱাইছে। ঘৰতো কচু-ঢেঁকীয়াৰে আঞ্জা ৰান্ধি থৈছে।

কেঁচুৱাৰ নাম থোৱা অনুষ্ঠান 'অছ' আমেন কিৰি'ত কাঠাৰ জনে কেঁচুৱাটিৰ জিভাত অকণমান মদ চেলেকাই দিয়াৰ নিয়ম। তেনেকৈ শূচী হোৱা 'বীৰকিলুত' প্ৰতিটো অনুষ্ঠানতে মদৰপ্ৰয়োজন আছে।

'হৰহাক' বা বৰবিয়াত মদ নহ'লেই নহয়। কইনা চাবলৈ যোৱা প্ৰথম দিনাখনৰ পৰাই মদ নিয়া আৰম্ভ হয়। বিয়াৰ ঘৰত আতিথ্য যাচিবলৈ যোৱা ব্যক্তি 'আতামছাৰ' সকলক মানচুঙা 'লাহান চামাৰী' ত মদ যাচি সন্মান জনায়।

লোক এজনৰ মৃত্যুৰ দিনাখন যেনেদৰে মদ যচা হয়, তেনেদৰে মৃত ব্যক্তিজনৰ শ্ৰাদ্ধৰ দিনাখনো স্মৃতি শিলা পোতা ঠাই 'লঙে আৰি' বা লঙে কি-এ' ত তেওঁৰ নামত মদ ঢালি 'জঙৰা' যাচে বা পিণ্ড দিয়ে। স্মৃতি শিলাটো পাহাৰলৈ আনিবলৈ যাওঁতেও শিলটোৰ গুৰিত মদ-ভাত যাচিহে শিলটো 'লঙে আৰি' লৈ আনে। তেনেদৰে বিহুৰে-তিথিয়েও পূৰ্বপুৰুষ সকলক সুঁৱৰি 'ছাৰ কিদুং' অনুষ্ঠান পাতে। সিদিনাও পূৰ্ব পুৰুষৰ নামত মদ-ভাত আগবঢ়ায়।

'টিকে কিকান' বা বাঘ মাৰা উছৱৰ দিনাখন 'তাৰাংহেম' ৰ চোঁতালত বাঘ দেৱতালৈ মদ-ভাত যাচি বাঘৰ ছাল খনৰ চাৰিও ফালে কাৰ্বি ৰাইজে গীত গাই গাই নাচে। উছৱত নাচিবলৈ অহা ওজা সকললৈ মদ এলাউ যাচি সন্মান যচা হয়।

'দেহাল আৰ্ণাম' শিৰ বাঘ আৰু কৃষিৰো দেৱতা। এই দেৱতাই কেতিয়াবা কৃষক ৰাইজৰ ৰং চাবলৈ তেওঁলোকৰ হালৰ গৰু বা গাই-



দামুৰী লুকুৱাই থৈ পূজা এভাগ আদায় কৰে। গৃহস্থই তিনিযোৰা বাটত জকৰা-পইতা আৰু শুকান মাছৰ লগতে শিৰ-বা মহাদেৱলৈ মদ এটুপিও যাচে।

সমাজৰ দায়-দণ্ডও মদৰ লাউত ধৰিহে বিহা হয়। জগৰ সৰু হ'লে কম মদৰলাউ আৰু জগৰ ডাঙৰ হ'লে বেছি 'হৰবং' ভৰিব লগিয়া হয়। ওজা-বেজৰ ওচৰত কিবা কড়ি-মঙলা চাবলগীয়া হলেও মদ এলাউ বা মদ এবটল লাগিবই। 'মদেই মঙলা' হাগাকটি জঙলা' বুলি কাৰ্বি সমাজত লোক বচন এফাকিয়েই আছে।

ঘৰলৈ নতুন জোঁৱাই, নতুন বিয়ৈ-বিয়নি বা বিশেষ ব্যক্তি আহিলে পোহন মদ এচুঙা আগবঢ়াই আতিথ্য যচাৰ মিঠা পৰম্পৰা এটি আজিও বিদ্যমান।

## মদ বনোৱা পদ্ধতি

মদ তৈয়াৰ কৰিবলৈ মদৰ বাখৰ লাগে। মদৰ বাখৰক কাৰ্বিত 'হৰতুন থিংকুৰ' বোলে। 'হৰতুন' মানে মদ বনোৱা আৰু 'থিংকু' ৰ অৰ্থ ঔষধ। তিতা-কেঁহা গছৰ পাত পিঠাগুৰিৰ লগত মিহলি কৰি খুন্দি বাখৰ বনোৱা হয়। বাখৰবোৰ সৰু সৰু কৈ ঘূৰণীয়া কৰি বনায়।বাখৰত লগা পাতবোৰৰ ভিতৰত হ'ল— (১) বিহ ঢেঁকীয়াৰ পাত (ইংৰত আৰৱ') , (২) ভেটাই পাত (পিৰ ইক্ আৰৱ') (৩) ধঁতুৰা পাত (মুৰীত আবং আৰৱ'), (৪) লৰা তিতা পাত (হেলহ'ক দাক), (৫) কঁঠাল পাত (জাং ফং আৰৱ'), (৬) নিমপাত (নিম আৰৱ'), (৭) বাহাকা পাত (ৰাম ভাক্ আৰৱ'), (৮) দূত গছৰ পাত (বেঙল আৰৱ'), (৯) তিতাভেকুৰি পাত (হেছ' আৰৱ'), (১০) কুঁহিয়াৰৰ পাত (লুক্লাং আৰৱ'), (১১) বগা বাহাকা পাত (আকিলক ৰামভাকা), (১২) নাঙল ভঙা পাত (ফালাং হেলহ')।

বাখৰবোৰ সৰু সৰু পিঠা বনাই চালনি এখনত শুকুৱাই চাৰি-পাঁচ দিনৰ পিছত ইয়াক মদ বনোৱাত ব্যৱহাৰ কৰিব পৰা যায়। এক কিলো পিঠা গুড়িত বিশটাৰ পৰা পচিশটা বাখৰ পোৱা যায়।

মদ বানোৱা চাউল খিনি ভাতৰ নিচিনাকৈ সিজাই ল'ব লাগে।

চাউলখিনি সিজি উঠিলে মদৰ ভাতমেলা ঢাৰি 'আনতাৰ'ত এঘন্টামান সময় মেলি চেঁচা হ'ব দিব লাগে। তেতিয়াই তাত কিছু তুহগুড়ি 'ফে-এ' মিহলাব লাগে। তাৰ পিছত ভাত খিনিত মদৰ বাখৰ প্ৰয়োজন অনুসৰি দি সেইখিনি ভাতকে মজিয়াত কলপাত এখন পাৰি থ'ব লাগে আৰু আন এখন কল পাতেৰে তাৰ ওপৰখনো ঢাকি দিব লাগে। এদিন-এৰাতি মাটিত তেনেদৰে থোৱাৰ পিছত সেইখিনি 'জাৰি', 'মুজুৰা' বা টেকেলিত ভৰোৱা হয়। সেইখিনি মিশ্ৰিত দ্ৰব্যই চাৰি-পাঁচ দিনৰ পাছত নিচালৈ পৰিবৰ্ত্তন হৈ মদ, 'জৰলাং', হৰলাং' নাম লয় আৰু তেতিয়াই মানুহৰ মুখৰ আগত ইয়াক যাচিব পৰা হয়। তেনেদৰে জাৰিটোত বা টেকেলিটোত 'হৰ আৰো'টো সুমুৱাই 'লেয়াং'টোৰে টানি আনা চাফা মদ খিনিয়ে নাম পায় পোহনমদ বা 'আলাংআহৰ'। আৰু কলহত জুগুলিৰে সৈতে বৈ যোৱা মদ খিনি হৈ পৰে চেকা মদ 'কিচি আহৰ'। ইয়াৰোপৰি বৰা বা চলীয়া মদ (বাৰা আহৰ), কলৰ মদ (ফুউক আহৰ) আৰু ফটিকা মদ (লাংচৰ আলাং) নামৰ তিনি প্ৰকাৰৰ মদো ভৈয়াম কাৰ্বি লোক সমাজতো প্ৰচলন হোৱা দেখা যায়।

### মদৰ আহিলা

পোহন মদ কাঢ়িবলৈ যেনেকৈ 'হৰ আৰো' বা 'লেয়াং'ৰ প্ৰয়োজন আছে তেনেদৰে মদ চেকিবলৈ 'ছি', মদ থবলৈ মদৰ ডাৰণ 'চৰ'ৰো প্ৰয়োজন আছে। 'হৰ আৰো'টো টঙালৰ, 'লেয়াং'টো লাউৰ। তেনেদৰে মদৰ চেকনি 'ছি'খন টঙালৰ আৰু ডাৰণটো দুতৰপীয়া টঙালৰে বা গমাৰী গছৰ কাঠত কটা হয়। মন কৰিবলগীয়া কথা যে কাৰ্বি সমাজত ব্যৱহাৰ হোৱা ডাৰণটোত খুৰা নাথাকে।

পোহন মদে যেনেকৈ খাওঁতাক গৃহস্থৰ ঘৰলৈ আকৰ্ষণ কৰে তেনেদৰে ডাৰণৰ চেকা মদেও বিহুৱে-তিথিয়ে ডেকা-গাভৰুৰ মন ৰঙাই তোলে। গৰু বিহুৰ ' দ'মাহীপে' ত ডেকা ল'ৰাই গৃহস্থৰ চোতালত ঢোলে-কালীয়ে 'দ'মাহী কিকান' নাচিবলৈ আহি চোতাল প্ৰৱেশৰ গীত 'খল কিলুত আলুন' গাই বৌ বা বোৱাৰী জনীক নতুন বছৰৰ 'বিহুৰ দিনত এডাৰণ মদ খুজি আমনি কৰে। তেনে এটি গীতৰ কলি হ'ল—



অজৌ ঠাকিৰি
আৰকেংছি নাং কিহাং
থিথি নিপিৰং
অজৌ ঠাকিৰি
জৰলাংছি নাংকিহাং
লাংছি নিপিৰং
(তৰী টুমুঙৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ বগৰী জনী, তামোল খুজিছিলো পাণহে দিলা, মদ খুজিছিলো পানীহে দিলা।

লাউ আৰু চুঙাও মদৰ আহিলা। মান চুঙা 'লাহান চামাৰী' ত যেনেদৰে মানীজনক মদ যাচি সন্মান যচা হয় তেনেকৈ 'লাহান চৰহ্লেত', 'চৰপং', 'টেং চপ' নামৰ চুঙা বিধে দেৱ-দেৱীক মদ আগবঢ়াওতে ৰাইজে বহি মদ খাঁওতে প্ৰয়োজন হয়। 'কাৰিক' নামৰ মাটিৰ পাত্ৰ বা মদৰ সৰু লাউ 'হৰবং' এটিয়েও মদ পৰম্পৰাৰ বতৰা এটিকে কাঢ়িয়ায়। মাটিৰ 'কাৰিক' আৰু মাটিৰ ডাৰণটোৰ মদ চোতাল পূজাৰ সময়ত লাগে।

জিভাৰ আগত পোহন মদৰ জুটিটো লাগি থকাৰ নিচিনাকৈ, বিহুগীত, বনগীত আদিৰ কলিবোৰো এচাম কাৰ্বিলোকৰ মুখত লাগিয়েই থাকে উছৱে-পৰ্বণে। গীত-মাতৰ এই বৰ্ণনা বোৰত কেতিয়াবা পাও প্ৰেম-পীৰিতিৰ কথা, কেতিয়াবা পাও মদ-ভাতৰ কথা। বিহুৰ দিনত বগৰী নামৰ বৌ এগৰাকীক ডেকা মখাই মদ খুজি আমনি কৰাৰ ছবি এখন এনেদৰে পাও ঃ

বং ছালৰুক ছালৰুকপে
আলাং আলাং হৰ পিনে
ৰিছ'কা ভুলে পে
নাঙ তাপে নাঙ তাপে
নাং মেন ঠাকিৰিক
ৰিছ' ৰিছ' আৰ্লেংয়ক
মেক কাপাবিৰিক।
(ৰাজেন্দ্ৰ টুমুঙৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ তিতা লাউত মদ ভৰালা, মদৰ খলকনিত ডেকা ল'ৰাবোৰ

তোমাৰ কাষ চাপিল। তুমিও কম এজনী নোহোৱা দেই বগৰী বৌ জনী। তুমি চকু পিৰিকাই, চাদৰৰ আঁচল নচুৱাই ডেকাবোৰৰ মন জয় কৰি পেলালা।

সেয়ে হলেও 'ঘৰত নাই ছাল-বাকলি মদ খাই তিনি টেকেলি' হৈ যিকোনো সময়তে পোহন মদৰ চুঙা খুজি আমনি কৰা ডেকা সকলৰ প্ৰতি বগৰী বৌজনী বা বোৱাৰী জনীৰ কিন্তু অকণো আস্থা নাই। কিয়নো ঃ

(১) ফাংবাং ফাংবাং জৰলাং ফাংবাং
জৰলাং ফাংচেত তেনে নেতা বাবু
ফিয়ং দাপ্ৰাংকে আতুক আৰুংহুক

(২) ফাংবাং ফাংবাং জৰলাং ফাংবাং
জৰলাং ফাংতাং তেনে নে মেক যাংবাং
হেমবাক্ দাক্লংনে ৰেত্বা দাকলংনে
চালকাম মেলাং পাংযাং যাং
(ৰমণ টুমুং আৰু চিনা তাৰ'ৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ (১) সিহঁতে মদ খালেই ৰজা হয়, নিচা এৰিলেই ফেঁচা।
(২) মদ খালেই টোপনি যায়, নিচা হলেই খালে বামে পৰে।

ভৈয়াম কাৰ্বি লোক সকলৰ পাহাৰ-পৰ্বতৰ লগতো এৰাব নোৱাৰা সম্বন্ধ। মদৰ চুঙাটো, চেকনিখন, ডাৰণটো তেওঁলোকে পাহাৰ-পৰ্বতৰ বুকুৰ পৰাই আহৰণ কৰে। আনকি শাক-পাত খিনিৰ লগতে পচা-কাঠত হোৱা কাঠফুলা (কুমহেক) খিনিও পাহাৰ-পৰ্বতৰ পৰাই তুলি আনি মুখৰ জুতিকণ মাৰে। শাক-পাত বোৰ কেতিয়াবা ভাতৰ লগত খায়, কেতিয়াবা চাতনি বনাই মদৰ লগত খায়। ডাৰণ, চেকনি, চাতনি আৰু মদৰ উল্লেখ থকা গীত এফাকি হ'ল ঃ

আমেৰেং পে আজন জন
কুমুহেক দামনাং
কুমুহেক নে ৱাননে চাতনি বনেনাং
হ'ৰ-চৰ' পাথেপ নাং
(তৰী টুমুঙৰ মুখৰ পৰা সংগ্ৰহ)



ভাৱাৰ্থঃ আমৰেং দোঙৰ পাৰে পাৰে কাঠফুলা বিচাৰি যাওঁ, কাঠফুলা ভাজি চাতনি বনাই এডাৰণ মদ খাওঁ।

পৰ্বত-পাহাৰৰ লেখিয়াকৈ এই কাৰ্বিলোক খিনিৰ বিল-খালৰ লগতো সম্বন্ধ মধুৰ। নৈ-বিল, খাল-দোঙৰ মাছ-পুঠিৰে শাক মুঠি ৰান্ধি ভাত মুঠি তেওঁলোকে উদৰ পুৰায় খায়। তাৰ কথাও চহা কবিয়ে কাৰ্বি সুৰীয়া অসমীয়া গীত বা 'ৰংমালি' গীতৰ মাজেৰে কৈ যাব পাহৰা নাই। ইয়াতো মদ-পানীৰ উল্লেখ থকা ভালেমান গীত-পদ চকুত পৰে। উদাহৰণ ঃ

(১)

দীঘলী গ'গৰে তৰাৰে পাত
এচুঙা মদে ঐ লাগিলা গাত
আই ঐ আই চুচুৰি
জঙাই পাইছং মহৰি
আই ঐ আই চুচুৰি
চৰকাৰী ঐ চাকৰি।

(২)

মদৰ জাৰি আই মদৰ জাৰি
ৰাইজে বহিছে শাৰী শাৰী।

গতিশীলতাৰ বোকোচাত উঠি সময়ে বাগৰ সলায়। তেনে এটি সময় সাপেক্ষ বাস্তৱতাক মানি লৈয়েই আজিৰ ভৈয়াম কাৰ্বি লোক পৰম্পৰাই গতি কৰিছে। তেওঁলোকৰ সুৰীয়া পৰম্পৰাত মদৰ প্ৰচলন আছে বুলিয়েই দেৱ-দেৱীৰ সন্তুষ্টিৰ নামত জাৰিয়ে জাৰিয়ে মদ বনাই, লেখিব নোৱাৰাকৈ গাহৰি-কুকুৰা বলি দিলেই সংস্কৃতি ৰক্ষা নপৰে বুলি তেওঁলোকৰ আজি উপলব্ধি হৈছে। তেওঁলোকে এইটোও উপলব্ধি কৰিছে যে আজিৰ এই মহঙা দিনত 'হাতীটোৰ ঠাইত মাখিটো দি', 'হাজাৰ টকাৰ দায় এবটা তামোল-পাণতে যায়' বুলি মানি লৈ দুডাৰণ মদৰ ঠাইত এডাৰণ মদকে খাই কাৰ্বি সংস্কৃতিটোক ধৰি ৰখাৰহে সময় এতিয়া।সংস্কৃতি-বান আৰু শিক্ষিত কাৰ্বি সমাজে তেনে এটি দিশেৰে আগবঢ়াতো সমাজ খনৰ বাবেই মংগলৰ কথা হৈছে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ দ্বাৰা প্ৰচাৰিত

# কাৰ্বি লোক পৰম্পৰাত চুঙা আৰু লাউৰ ব্যৱহাৰ

'অসমৰ সংস্কৃতি বাঁহ সংস্কৃতি' বোলা কথাষাৰ আমি যেনেদৰে স্বীকাৰ কৰি আহিছোঁ, তেনেকৈ 'বাঁহ যাৰ, সাহ তাৰ' বোলো কথাষাৰিয়েও অসমীয়া সমাজত বাঁহৰ প্ৰয়োজনীয়তাৰ কথাকেই সূচাইছে। বাঁহনো আমাৰ ক'ত প্ৰয়োজন নহয়? কেঁচুৱা জন্মোতে বাঁহৰ চেঁচুৰে কেঁচুৱাৰ নাড়ী কটাৰ পৰা আৰম্ভ কৰি শ' চাঙিখনো আমাৰ চাৰিও কাষৰ বাঁহৰ পৰাই সাজি উলিওৱা হয়। আকৌ, নিমখ-হালধি চুঙাটোৰ পৰা তাতঁশালৰ ব'চুঙাটো কিম্বা ৰান্ধনী শালৰ জুই ফুকা চুঙাটোও বাঁহৰেই চুঙা। আমি অসমীয়া মাত-কথাৰ মাজতো এই চুঙাৰ কথাকেই উনুকিয়াই সময় সাপেক্ষে কৰোবাক 'চুঙা চাই সোপা'দি আহিছো, কাৰোবাক আকৌ 'চুঙাৰ বাদুলি'ৰ আখ্যা দি আহিছো।

ভৈয়াম কাৰ্বি লোক সমাজতো চুঙাৰ প্ৰচলন কোনো গুণে কম বুলি ক'ব নোৱাৰি। 'ইংতি লাংপং' (নিমখৰ চুঙা), 'থাৰমিক্ লাংপং' (হালধিৰ চুঙা), 'ফল'লাংপং' (খাৰৰ চুঙা), 'তমান লাংপং' (শুকুতি চুঙা), 'হামউকথৰ লাংপং' (গাজ টেঙাৰ চুঙা), 'আন লাংপং' (ভাত ৰন্ধাৰ চুঙা), 'হান লাংপং' (আঞ্জা ৰন্ধা চুঙা), 'চুলাং পং' (দৈৰ চুঙা), 'হৰ লাংপং' (মদৰ চুঙা), 'হিইক্ লাংপং' (ব' চুঙা) কে আদি কৰি তেওঁলোকৰ সমাজতো বিভিন্ন চুঙাৰ ব্যৱহাৰেই ব্যৱহাৰ। চুঙা ব্যৱহাৰৰ অন্যান্য কাৰণ বোৰৰ লগতে হয়তো এইটোও কাৰণ হ'ব পাৰে যে চুঙাত সোপামাৰি পানীত গড়াই থোৱা বাঁহ গাজৰ সোৱাদকণ যেনেদৰে পাহৰিব পৰা নাযায়, তেনেদৰে পাহৰিব পৰা নাযায় চুঙাত সিদ্ধ কৰা ভাত মুঠি, শাক মুঠিৰ সোৱাদৰ কথাও। শুকান মাছ খুন্দি কৰা শুকুতি চুঙাৰ শুকুতিখিনি, খাৰচুঙাৰ খাৰণিখিনিৰ লগত তপতাই খোৱা সোৱাদৰ কথা নক'লোৱেইবা।

তেনেদৰে কাৰ্বি সমাজত চুঙাটো ব্যৱহাৰৰ নিচিনাকৈ লাউটিও তেনেই অপৰিহাৰ্য্য আহিলা বা সামগ্ৰী। কাৰ্বি লোক সমাজৰ উছৱ-পাৰ্বণ, বিবাহ-সবাহ আদিত ব্যৱহাৰ হোৱা চুঙা আৰু লাউৰ বিষয়েহে এতিয়া আলোচনা কৰিবলৈ বিচৰা হৈছে।



পূজাই-পাৰ্বণে, বিবাহে-সবাহে ব্যৱহাৰ হোৱা আটাইখিনি বাঁহৰ চুঙাক 'লাহান লাংপং' বোলে। বনৰীয়া লেহেতি কলৰ পাত 'লছ'-লছিং আফুউক আলক' আৰু 'লাহান লাংপং' কাটিবলৈ ৰাইজে পূজা বা বিয়াৰ দুদিন মানৰ আগতে পাহাৰলৈ যায়। চুঙা বোৰৰ ক্ৰম এনে ধৰণৰ ঃ

**লাংঠেঃ** ই তিনিপবীয়া ডাঙৰ বন বাঁহৰ চুঙা। চুঙাটোৰ মাজৰ পাবৰ গাঁঠিটো খুলি তাত পানী ভৰাই অনাত ব্যৱহাৰ কৰে পূজা-পাতলৰ দিনাখন। সাধাৰণতে ৰাজহুৱা সবাহৰ পানীখিনি গাঁৱৰ গাভৰু সকলে যোগান ধৰা দেখা যায়। গাভৰু সকলে সিদিনা 'লাংচৰ' (নিজৰা) ৰ পৰা মুৰত 'ছিনাম' (অস্তা) লৈ পিঠিত কৰি দুটা বা তিনিটা 'লাংঠে' ৰে পানী কঢ়িয়ায়। এটা 'লাংঠে' হ'লে বাওঁহাতৰ কাষলতিৰ চেপত আনে। নিজৰাৰ পৰা উজাবলৈ বা নামিবলৈ সোঁহাতত এডাল লাখুটি লয়।

**লাহানপে ঃ** 'লাহানপে' চুঙা বিধ ডাঙৰ, কিন্তু চুটি। ইয়াক ৰাইজে ৰাজহুৱা সকামত পানী খোৱাৰ বাবে ব্যৱহাৰ কৰে। মৃতকৰ কাজ-সকামতো চুঙা বিধৰ ব্যৱহাৰ আছে। বিশেষকৈ বিয়া-বাৰুৰ ক্ষেত্ৰত এই চুঙা বিধৰ প্ৰচলন আছে।

**চৰপং ঃ** দেহাল পূজা, শিল মদাৰ পূজা, জহং পূজা, চাৰকিদুং পূজাত মদ খাবলৈ এই চুঙা ব্যৱহাৰ কৰা হয়। চুঙাবোৰ একে ঘাপে এঢলীয়াকৈ কটা হয় বাবে এই চুঙা বিধৰ নাম 'চৰপং'।

**লাহান চৰহ্লেত ঃ** এই চুঙা বিধো একে ঘাপে এঢলীয়াকৈ কটা চুঙা। অৱশ্যে ই 'চৰপঙ'তকৈ ভালেখিনি সৰু। ইয়াক কাৰ্বি মৃতকৰ নামত শিলপোতা ঠাই ' লংএ আৰি ', দেহাল পূজা আৰু শুচি হোৱা অনুষ্ঠানত মদ খাবলৈ লাগে। পূজাত মদৰ লাউ (হ'ৰবং) ৰ পৰা ডাৰণত মদ ঢালি চুঙাত ভৰাই প্ৰতি গৃহস্থৰ এজনক 'ঘৰমুৰালি' হিচাপে একো চুঙাকৈ মদ দিয়ে। 'লাহান চৰহ্লেত'ত দিয়া সেই চুঙা মদৰ কিছু 'দেহাল আৰ্নাম'ৰ

নামত মাটিত ঢালিহে লোকজনে মুখত দিব লাগিব। তেনে নকৰিলে 'দেহাল আৰ্ণাম' বা আন দেৱতাৰ ৰোষতো পৰাৰ ভয় থাকে বুলি কাৰ্বি সমাজে বিশ্বাস কৰে।

**লাহান ছামাৰী ঃ** 'লাহান ছামাৰী'ক মান ধৰা চুঙাও বুলিব পাৰি। মান ধৰা বোলোতে বৰবিয়া (হৰহাক) এখনত যি দুগৰাকী ব্যক্তিয়ে (দৰা ঘৰৰ এজন, কইনা ঘৰৰ এজন) কথাৰ আঁত ধৰে সেইজন ব্যক্তিক 'আতামছাৰ' বোলে। গাভৰু 'ছামাৰী'জনীয়ে 'আতামছাৰ' জনক 'লাহান ছামাৰী' ত মদ যাচি সন্মান যাচে। চুঙাটো ভালেখিনি ডাঙৰ যদিও চুটি। টুঙাটোৰ মুখখন ঘূৰণীয়াকৈ কটা হয়। চুঙাটোৰ তলফালে তিনিডাল খুটি থাকে। এই চুঙা দুটাৰ গাত ধুনীয়াকৈ ফুলকাটি সজাই তোলা হয়। যদি দৰা ঘৰ বা কইনা ঘৰ কাৰ্বি নহে অন্য সম্প্ৰদায়ৰ হয়, তেতিয়া হ'লে 'আতামছাৰ' দুজনক 'লাহান ছামাৰী' ত মদ নাযাচি কাঁহৰ বাটিতহে যাচে। ঘৰুৱা সকামত কোনো কোনোৱে 'আতামছাৰ' জনক মদ মদৰ চুঙা 'হৰপঙ'তে যাচে।

**হৰপং বা টেংচপ্ঃ** মদখোৱা এইবিধ বাঁহৰ চুঙা ৰাজহুৱা সকামত ব্যৱহাৰ কম হয় যদিও ঘৰুৱা সকামত ই তেনেই প্ৰয়োজনীয়। অৱশ্যে মদ খোৱা ' হৰপং'টো দেৱতাক মদ আগবঢ়োৱাৰ সময়ত লাগে। মৃতকক পিণ্ড দিয়াৰ সময়তো ইয়াৰ ব্যৱহাৰ আছে। চুঙাটো কুঁমলীয়া বাঁহৰ হ'ব লাগিব।

**লাংপং ঃ** 'লাং পঙ'ৰ অৰ্থ হৈছে পানী খোৱা চুঙা। ই 'হৰপং'টোৰ দৰে চুটি।

**লাউৰ ব্যৱহাৰ**

কাৰ্বিত 'বং' মানে লাউ। কাৰ্বি সমাজত লাউৰ ব্যৱহাৰ এনে ধৰণৰ ঃ

(১) শুচি হোৱা 'বীৰ কিলুত ' অনুষ্ঠানত এলাউ মদ লাগে। কাঠাৰে 'বীৰ কিলুত'টো কৰে।

(২) এটা সময়ত বৰবিয়া 'হৰহাক'ত ওঠৰটা মদৰ লাউ লাগিছিল। আজি সমাজে এৰা-ধৰা নীতিৰে ৯টা মদৰ লাউ (হৰবং) কৰিছে। বৰবিয়াৰ



বাহিৰে অন্যান্য বিয়াত এটা মদৰ লাউ হ'লেই হয়।

(৩) গৰু বিছুত গৰু গা-ধোৱাবলৈ যাওঁতে দোং বা বিলৰ পাৰলৈ প্ৰতিঘৰে একোলাউকৈ মদ নিব লাগে। বৰগৰখীয়াই দোঙৰ ভেটাটো খুলোতে এলাউ মদ দোঙত ঢালে।

(৪)স্মৃতি শিলা 'লঙেকি-এ 'ত মৃতকৰ শ্ৰাদ্ধ কৰাৰ সময়ত প্ৰতিঘৰে এলাউকৈ পোহন মদ নিয়ে।

(৫)দেহাল পূজাত এলাউ মদ লাগে। বাকী মদ 'কাৰিক'ত ঢালে।

(৬)ডিঙা বা ভেল দিয়া সময়ত সীমা পূজাত (কাচিকল আৰ্ণাম) চাৰিটা মদৰ লাউ লাগে।

(৭)দায়-দণ্ড (দায়ফাং) ত মাটিৰ কলহতহে (মুজুৰা) মদ লাগে যদিও এটা মদৰ লাউ লাগে।

(৮)চোঁতাল পূজাৰ (হেম আৰ্ণাম) সময়তো ডাঙৰ লাউত মদ নিয়ে। পূজাটো ঘৰৰ গৃহস্থই দিয়ে।

(৯)'লঙে কি-এ' শিলচটা আনিবলৈ যাওঁতে মদৰ লাউ এটা, শিলটো পোটোতে আৰু পিণ্ড দিওঁতেও মদৰ লাউতহে মদ আনে।

(১০)মণ্ডল মাজিৰ (আৰ্ণাম চহাপ) পূজাৰ সময়ত ডাঙৰ লাউত (লেজাং আবং ) মদ দিয়া হয়।

(১১) ভৰাত অনা গৰুটো গৃহস্থক সধাবলৈ যাওঁতে সন্মান হিচাপে ডাঙৰ লাউত মদ এলাউ নিয়ে। লগতে চাউল এদোণো নিয়ে।

বিশেষ মন কৰিবলগীয়া কথা যে প্ৰতি পূজাত লাউত নিয়া মদ খিনি পোহন মদ (আলাং আহৰ ) হ'ব লাগে।

লাউটোৰ ডিঙিৰ অংশত এৰাঁ সূতাৰ গাঁঠি এটা দিয়া হয়। গাঁঠিটোক 'ৰিথিক' বোলে। লাউৰ এই গাঁঠিটো সাধাৰণতে বৰবিয়াত দিয়ে। আঠ মঙলা খাবলৈ যাওঁতে নিয়া লাউত দিয়া সূতাৰ গাঁঠিটোক 'ৰিফান' বোলে। বৰ বিয়াত মদৰ লাউবোৰ সাধাৰণতে থ'পাত (হাপ) নিয়ে। লাউ অনুসাৰে বৰাভাতৰ টোপলাও নিব লাগে।

এনেকৈ বিশ্লেষণ কৰি চালে দেখা যায় যে চুঙা বা লাউৰে জীৱন নিৰ্বাহ পদ্ধিতিত গঢ় লৈ উঠা কাৰ্বি লোক সংস্কৃতিৰ দিশ এটি গজগজীয়াকৈ ধৰি ৰাখিছে। চকুৰ আগত গছ-গছনিৰে ভৰা, বাঁহনিৰে ভৰা পাহাৰ এখন

থকালৈকে আমাৰ কাৰ্বি সমাজত ব্যৱহৃত লাংঠেটো, হৰপংটো, ডাৰণটো ব্যৱহাৰ কৰি থকাটো কেতিয়াও দোষণীয় কথা হ'ব নোৱাৰে। তেনেদৰে মান ধৰা চুঙা লাহান ছামাৰীৰ জৰিয়তে কথাৰ আঁত ধৰা সন্মানীয় ব্যক্তি আতামছাৰ জনে সমাজত মান পাই অহাটোত কোনোৱে অপমান বোধ কৰিব নালাগিব। যথাযথ প্ৰযুক্তি বিদ্যায়েও বোলে স্বীকাৰ কৰে কাঁচ বা প্লাষ্টিকৰ গিলাচতকৈ চুঙাৰ ব্যৱহাৰেহে জনজাতীয় লোকৰ স্বাস্থ্যক বেছি সুৰক্ষা দি আহিছে। এই কথাও মানি ল'ব লাগিব লাউৰ আদৰেও সমাজক নখহায়, অনাদৰতহে সংস্কৃতিৰ ক্ষয় হোৱাৰ সম্ভৱনা থাকে বেছি। সেয়েহে চুঙা বা লাউৰ বিপক্ষে যাব খোজা এচাম লোকৰ প্ৰতি সংস্কৃতিবান লোক এদল প্ৰতি মুহূৰ্ততে 'চুঙা চাই সোপা' দিবলৈ সাজু থাকিব লাগিব।

দৈনিক অসম, ৩০ মাৰ্চ, ২০০৩



# কাৰ্বি লোক সাহিত্যৰ সম্পদ ফকৰা-যোজনা, সাঁথৰ আৰু জিভা কেঁকুৰি

লোক সাহিত্য লোক জীৱনৰ আধাৰতেই গঢ়লৈ উঠে কাৰণে তাত লোক জীৱনৰ অনুৰণন দেখা যায়। লোক সংস্কৃতিৰ প্ৰাচুৰ্যতাই যেনেকৈ লোক জীৱনৰ ছবি এখন দাঙি ধৰাত বিশেষ অৰিহণা যোগায়, তেনেকৈ ইয়াৰ প্ৰাচুৰ্যতাৰ অভাৱেও জাতীয় জীবনৰ স্থবিৰতাকে সুচায়। কাৰ্বি লোক সাহিত্যৰ ক্ষেত্ৰতো তেনেখিনি কথাই খাটে। অসমৰ বিভিন্ন জনগোষ্ঠীৰ লেখিয়াকৈ ভৈয়াম কাৰ্বি লোক সাহিত্যও তেনেই চহকী। কাৰ্বি লোক সংস্কৃতিৰ এনে এটি দিশ নাই য'ত কাৰ্বি লোক সাহিত্যই চুই যোৱা নাই। আনহাতে, এই লোক সাহিত্যই অসমীয়া লোক সাহিত্যৰ ভঁৰাল চহকী কৰাই নহয়, বহুৰঙীও কৰি তুলিছে। আজি আমাৰ প্ৰৱন্ধটিত ফকৰা-যোজনা, সাঁথৰ আৰু জিভা কেঁকুৰিৰ বিষয়েহে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

লোক সংস্কৃতিবিদ ডঃ প্ৰফুল্ল দত্ত গোস্বামীৰ মতে ' ওভতা নাইবা গুপুত অৰ্থ থকা পদ বিলাকেই ফকৰা আৰু যোজনা হ'ল কথা প্ৰসংগত ব্যৱহাৰ হোৱা উক্তি। এই উক্তি চমু। তাত ৰিজনি আৰু সঞ্চিত অভিজ্ঞতা নিহিত থাকে।' আকৌ, কথা সাহিত্যিক চৈয়দ আব্দুল মালিকৰ মতে 'ফকৰা-যোজনাত অভিজ্ঞতাৰ পৰা আহৰণ কৰা জ্ঞানৰ গভীৰতা আছে, ভণ্ডামি-কপটালিৰ প্ৰতি সহজ সমালোচনা বা অভিমত আছে , সমাজৰ দোষ-দুৰ্বলতাৰ কটু-মৃদু কটাক্ষ আছে।' সেই একেখিনি বৈশিষ্ট্যক লৈয়েই ভৈয়াম কাৰ্বিৰ ফকৰা-যোজনা 'লাম ফাচুৰি' খিনিও ৰচিত হৈছে। এইবোৰে কাৰ্বি গঞা সমাজৰ ছবি এখন যেনেদৰে দাঙি ধৰিছে , তেনেকৈ ই কাৰ্বি ভাষাটোৰো সৌষ্ঠৱতা ভালেখিনি বৃদ্ধি কৰিছে।

'লাম ফাচুৰি' সমূহ 'তাৰাংহেম'ত (ডেকা চাঙত) দায়-দণ্ডৰ বিচাৰ কৰোতে বাংঠে, ৰংছাৰপ', বিচাৰপ' সকলে বৰবিয়া 'হৰহাক' এখনত

কইনা ঘৰত দৰা ঘৰীয়া সমাজ বহোতে ' আতামছাৰ ' সকলে কেতিয়াবা ইজনে-সিজনৰ লগত কথা কটা-কটি কৰোতে বা ৰসাল কথাৰে সমাজ খনক আনন্দিত কৰি ৰখাৰ বাবেও তেওঁলোকৰ মুখত স্বভাৱসিদ্ধ ভাৱে 'লাম ফাচুৰি ' সমূহ ব্যৱহাৰ হোৱা দেখা যায়। ইয়াৰ দ্বাৰা লোক এজনৰ বাক্ চাতুৰ্যতাও প্ৰকাশ পায়।

ডেকা চাঙত মেল বহে। মেলত দোষীয়ে দায়-দণ্ড ভৰে। কোনোৱে গাহৰিটো, কোনোৱে কুকুৰাটো। এই দায়-দণ্ড বোৰ বিচাৰক ' বিচাৰপ' জনে ৰাইজ বিদ্যমানে বিহে। গুৰুৰেই হওক বা লঘুৰেই হওক তেওঁলোকে দায়-দণ্ডবোৰ সমাজক দিবই লাগিব। তেনেকুৱা 'হাকিম লৰিলেও হুকুম নলৰা' লেখীয়া কথা কাৰ্বি 'লাম ফাচুৰী'তো পোৱা যায় এনেদৰে ঃ কিঠে কাংজে ইথে, তিমং কাংঅম ই-অম (ৰজাৰ আদেশ এবাৰেই, ঘঁৰিয়ালে খাব একামোৰেই)। অথবা 'ৰং বং ছি ৰেচ', হেম ফ্লাক হেম চেৰেক ই আৰ্ণাম' (ৰাইজে ৰজা, গিয়াতিয়ে গংগা)।

কেতিয়াবা ক'ব নোৱাৰা দোষত মানুহ এজনে অনাহক অপমান খাবলগীয়া হয়। কেতিয়াবা মানুহক 'মুখে মাৰে, মুখে তাৰে'। আনহাতে ক'ব জনা মানুহে আগস্থানো পায়, বঁটা-বাহনো পায়। তেনে এটি যোজনা হ'ল— 'ইদেছি ইপাং হ্বেংমান, ই দেছি ই পাথিমান' (কথাত কটা যায়, কথাত বঁটা পায়)।

মাছ-পুঠিয়ে পানী পালেই হ'ল। মাছৰ পানীয়েই জীৱন। সেয়া নৈৰে হওক, বিলৰেই হওক। তেনেকৈ তিৰোতাৰ ক্ষেত্ৰতো কোৱা হয়— ' অ'কতা চিনিনে লাং, আৰ্লছ'তা চিনিনে পিংহান ' (মাছে নিচিনে নৈ তিৰোতাই নিচিনে পৈ)।

বনত জুই লাগিলে চকুৰে দেখা পোৱা যায়। মনত জুই লাগিলে দেখা পোৱা নাযায়। তেনে অৰ্থত— ' ইংলং আমেৰেক বাংতা থেক্মান, ইংথিন আলামকে কাইতা ই থেক্থে ( বনৰ জুই দেখা পোৱা যায়, মনৰ জুই নাযায়)। আনকেইটি মান 'লাম ফাচুৰি'—

(১) ' ইবাৰ দেত্ কিছ' আৰকেং কে এৰ্এ ' (এবাৰ চোবালেই খোৱা তামোল ৰঙা নহয়)।

(২) 'অছ' লাংক্ৰেপ, তেনে আকেৰেতা ক্লমান' (সৰুৱে পানী পেলায় ডাঙৰে পিছলি পৰে)।



(৩) 'থেংৰাক উনএ, লবং কিচক' (শোলক নোৱাৰি গৰৈক মতকা)।

(৪) 'চেৰেমপ'কে ছ' ছ' ইক্ ইক্ ছি দাম', মাছ লেংকাছ' কাৰ্দন কবৃছি আমেন' (মাছ লেংকাই মাছ খায়, খাটি চেলেকাৰ মৰণ)।

(৫) ' ইনংপে কাংৰেকে কুবেছি পানং পে' (নাই মোমাইতকৈ কণা মোমাই ভাল)।

(৬) 'ইবাৰদেত্ কিথু আঠেংপে আৰাক ফাচাকছে বা হংহ্লেত' (এবাৰ কাটিলেই গছৰ সাৰ লগ পোৱা নাযায়)।

(৭) 'ৰছ'দুন প্লেকছ' কাংৰেংকে, বাটুলু আমু প্লাংহ্লনহে' (চিকা মাৰি হাত গোন্ধাৱা বা টিপচী মাৰি বাটুলি গুটি খৰচ কৰা)।

(৮) 'ৰল'জনীদাক চাংআপ্ৰাত কাহিজিক, হিকল'জনীদাক তৰক ৰিকিটি ' (দুটা কুকুৰাক একেলগে খুদি চাউল দিয়া আৰু দুটা কুকুৰক একেলগে মাংস দিয়া একে কথা। সিহঁত কাজিয়া লাগিবই)।

(৯) ' ইহিগানে দামাতা আলি কিচাম, ইহিগানে দামতা চক্ আঠেক' (ইফালে গ'লেও কেঁচা আলি, সিফালে গ'লেও ধানৰ গুৰি)।

অসমীয়া ভাষাত থকাৰ নিচিনাকৈ ভক্তি মূলক ফকৰা কাৰ্বি লোকে সাহিত্যতো অলেখ আছে। সেইবোৰ সাধাৰণতে তেওঁলোকৰ ৰবিয়াৰ দিনা বা 'হেমদেখা ৰংবং লুকা' (ঘৰেদেখা, ৰাইজে নেদেখা) বিয়া এখনত 'আতামছাৰ' সকলে বৰ সাবলীল তথা অৰ্থপূৰ্ণ ভাৱে কইনা ঘৰত বা দৰা ঘৰত আঁত ধৰা দেখা যায়। জীয়েকক পলুৱাই দিয়াৰ দুদিন মানৰ পিছত ছোৱালী ঘৰে ৰাইজক মাতি জীয়েকক পলুৱাই খেদোৱাৰ কথা অৱগত কৰায় আৰু ৰাইজক দৰাৰ ঘৰলৈ ছোৱালী বিচাৰি যাবলৈ খাটে। তেতিয়া দিন-বাৰ এটা চাই ৰাইজে ল'ৰাৰ ঘৰলৈ ছোৱালী বিচাৰি যায়। তেতিয়া দৰা ঘৰৰ কথাৰ আঁতধৰোতা 'আতামছাৰ'জনে ইমানবোৰ ৰাইজ কিয়নো আহিল সুধে ফকৰা যোজনাৰ মাজেৰে। তাৰ উত্তৰ কইনা ঘৰৰ 'আতামছাৰ'জনেও অৰ্থপূৰ্ণভাৱে দিয়ে।

কাৰ্বি সাঁথৰ 'লাম চিৰয়িত' সমূহেও শিশুৰ মনত আনন্দ দিয়াৰ

লগতে শিশুৰ জ্ঞান বিকাশতো সহায়তা কৰি আহিছে। অকল শিশুৰেই নহয়, এইবোৰে ডাঙৰ সকলৰো মনৰ উৎসুকতা বঢ়ায়। তেনে কেইটিমান 'লাম চিৰয়িত' তুলি দিয়া হ'ল—

(১) 'ৰেচ' আতিমি কিফক কেউন, কি মাৰিকে উন-এ '-ৰ'তী (ৰজাৰ চুণৰ টেমাটো খুলিব পাৰি, মাৰিব নোৱাৰি উঃ কণী)

(২) 'ৰেচ' আবাৰীত কিলুত কেউন, কালেকে উন-এ'-ৰু (ৰজাৰ বাৰীত সোমাব পাৰি, ওলাব নোৱাৰি। কি? উত্তৰ— চেপা)।

(৩) 'আতক চুলুলু ৰইক ৰলক দমচমদ'— ইম্প্রিআছ (ঘৰৰ চুক, দুৱাৰ চুক সিহঁত একে দুই, ক'লা-বগা চৰাই দুটা তাতে থাকে শুই। কি? উত্তৰ— চকুৰ মণি)।

(৪) 'ৰেচ' ইংনাৰ আকেংকে হংফিলি আছকে ইংহংদেত্ '— টেংকী (ৰজাৰ হাতীটোৰ ঠেং আছে চাৰিখন, দাঁত মাত্ৰ এটা। কি? উত্তৰ—ঢেঁকী)

(৫) 'ইংনাম আলং পাছি খক্খক পাছিদ' মান বাং অলেকে বাং অলেলে—চ' (হাবিত কাঁহে মাতিলে নাহে। কি? উত্তৰ— কুঠাৰ)।

(৬) 'ইছ্লিং দাংলং ইজন অ'কছি চিংলি আৰ্ণি আৰ্ণি চন হ্বেক্ হ্বেক্ ছি দ'মান '—আৰ্লেং আদে (এটা শিলৰ গুহাত সদায় চেঙেলি মাছ এটাই থাকে জপিয়াই। কি? উত্তৰ—জিভা)।

(৭) 'ৰেচ'প' আছৰং কি ইকপে, আলংতেন লাং জুনছি দামমান' — বৰহী (ৰজা ঘৰৰ কলি গাই, ঘাটে ঘাটে পানী খায়। কি? উত্তৰ— বৰশী)।

(৮) 'ইজন ৰলংকমপে আকেং ইহদেত্ কানমান আনে থুকতিন' — হিয়াপ (এঠেঙীয়া বগলী সদায় নাচে গধূলি। কি? উত্তৰ— বিচনী)।

(৯) 'আলি আলি দামছি আফু চিয়োমান' — ইম্প্রি (আলিয়ে আলিয়ে যায় মূৰ দাঙি দাঙি চায়। কি? উত্তৰ— বেজী)।

জিভা কেঁকুৰি হ'ল খৰকৈ মাতিবলৈ গ'লেই জিভাত পাক খাই ধৰা একো একো ফাকি বচন বা একো একোটা শিশু পদ্য। জিভা কেঁকুৰি



বোৰেও শিশুৰ মন আপ্লুত কৰে। উদাহৰণ হিচাপে ল'ব পাৰি— 'লাই পুলি লৰাই ৰুলো, ৰুলো লৰাই লফা'। এই কথাখিনি যদি খৰকৈ মাতিবলৈ দিয়া হয়, তেতিয়া শিশুৰেই নহয় ডাঙৰৰো পদফাকিত থকা শব্দবোৰৰ উচ্চাৰণত ভুল হয়। 'লাই পুলি লৰাই ৰুলোটো' হয়গৈ 'লাই পুলি ৰলাই লুলো'। ঠিক তেনেকৈ— 'পানী তপতালে তপতে, নতপতালে নতপতে 'গুছি হয় গৈ—

'পানী তপতালে তপতে
নতপালে নতপে।'

কাৰ্বি সকলৰো তেনেকুৱা দুই এটা জিভাকেঁকুৰি আছে। কাৰ্বিত জিভাকেঁকুৰিক 'আদেকিকেক' বোলে। তেনেকুৱা জিভাকেঁকুৰি এটি হ'ল—

'অ'ফুল ফুলং নাংফু টক্লংজং
ঠেংপি আবে অং ইংলং ফুলং
অ' ফু টক্লংজং।'

এই বোৰ কাৰ্বি লোক সাহিত্যৰ একো একোটি মুকুতা সদৃশ অমূল্য সম্পদ। ইয়াৰ মাজেৰে বিম্বিত হৈছে কাৰ্বি লোক সমাজখন।

অসমীয়া প্ৰতিদিন,

# ভৈয়াম কাৰ্বিৰ লোকনৃত্য আৰু লোক বাদ্য

ভৈয়ামৰ কাৰ্বি খিনিও তেনেই অনুষ্ঠানপ্ৰিয় আৰু সংগীতময় জনগোষ্ঠী। তেওঁলোকৰ এনে এটি লোকানুষ্ঠান নাই য'ত নেকি লোকগীত এটি পৰিৱেশন নহ'ব, তেওঁলোকৰ এনে এটি লোকানুষ্ঠান নাই য'ত নেকি লোকনৃত্য এটি নানাচিব বা লোকবাদ্য এটি নবজাব। আনকি মৃত এগৰাকীৰ শ'ৰ কাষতো 'অচেপী' এজনীয়ে বিননি বা সুৰতুলি কন্দাৰ নিয়ম।

তেনেকৈ, কাৰ্বি সমাজৰ সৰহখিনি অনুষ্ঠানেই কৃষিৰ লগত জড়িত অনুষ্ঠান। এই অনুষ্ঠান সমূহৰ লগত জড়িত থকা নৃত্য, গীত-মাত আৰু লোকবাদ্য সমূহৰ সম্যক পৰিচয় এটি দাঙি ধৰিবলৈ আজিৰ এই প্ৰৱন্ধটিৰ জৰিয়তে প্ৰয়াস কৰা হৈছে।

নাচ বা নৃত্যক ভৈয়ামৰ কাৰ্বিত 'কিকান ' বোলে। তেনে কেইটি মান 'কিকান ' হ'ল—

### ৰেত কিনং কিকান

পাহাৰৰ গছ-বন কাটি, জুই জ্বলাই তাক কোৰেৰে কুৰি কৰা পাহাৰীয়া জুম খেতিটো ভৈয়াম কাৰ্বি খিনিয়েও কম বেছি পৰিমানে আজিও কৰি আহিছে। ডেকা-গাভৰুৱে নৃত্য কৰি কৰি তলৰ পৰা ওপৰলৈ আৰতলীৰ বুকুবোৰ কুৰি যায়। ইয়াত 'চেংবে' (ঢুলীয়া) জনে 'লুনআপে' (গায়ক)ৰ ভূমিকাও গ্ৰহণ কৰে। 'লুনআপে' জনে গোৱা গীত আৰু ঢোলৰ ছেৱে ছেৱে ডেকা-গাভৰু সকলে গীতৰ শেষৰ অংশ ধৰি যায়। নৃত্য কৰি কৰি আৰতলী কোৱা হয় কাৰণে এই নৃত্যটিক আৰকোৱা বা 'ৰেতকিনং কিকান' বোলে।

### দ'মাহী কিকান

কাৰ্বি আংলঙৰ কাৰ্বি সকলৰ মাজত বিহুৰ উলহ-মালহ পৰিলক্ষিত নহয়। তেওঁলোকে পূৰ্ব পুৰুষৰ স্মৃতিত পতা অনুষ্ঠান 'চমাংকান'টিহে উলহ-মালহেৰে পাতে। আনহাতে ভৈয়াম কাৰ্বি সকলে বিহু তিনিটা নিজস্ব পৰম্পৰাৰে পালন কৰি আহিছে। বৰবিহু 'দ'মাহীপে' ত তেওঁলোকে প্ৰতি ঘৰৰ চোঁতালে চোঁতালে গৈ চোঁতাল প্ৰৱেশৰ গীত 'খল আলুন'ৰ উপৰিও 'দ'মাহী আলুন' গায় আৰু নৃত্য কৰে। গীতবোৰে 'মুৰীত' বা কালিৰেহে বেছিঁকৈ গোৱা হয় । তেনে এটি চোঁতাল প্ৰৱেশৰ বিহু গীত এনেকুৱা ঃ

নেংকান কিমি দ'মাহী
ৰং কৰিছং আহি
এডাৰণ মদ নেদেই মানে
আমি নাযাং গুচি
(তৰী টুমুঙৰ মুখৰ পৰা সংগ্ৰহ)

চোঁতালত নাচোতে 'কাৰ্লেক কিকান' (কেৰ্কেটুৱা নৃত্য), 'ফুউক কি-এ কিকান' (কল গছ নৃত্য), 'টিকে চৰং কিনেপ কিকান' (বাঘে গৰু ধৰা নৃত্য), 'ৰ'পাচিৰছু কিকান' (কুকুৰা যুঁজৰ নৃত্য), 'চং-নক্ কিকান' (ঢাল তৰোৱাল নৃত্য) কৰি ৰং-তামাচা কৰে।

### টিকে কিকান

বাঘে গৰু-ছাগলী আৰু মানুহ মাৰি উৎপাত কৰিলেহে কাৰ্বি ৰাইজে বাঘ চিকাৰ কৰে। ঢোল-তাল বজাই চঙিয়াই বাঘক জালৰ সন্মুখলৈ খেদি আনে। বাঘ জালত পেলাই মাৰি উঠাৰ পিছতে ৰাইজে হাবিৰ পৰা বাঘটো ' আজি ৰজাৰ পুতেকক মাৰিলো ঐ' বুলি ডেকা চাঙলৈ আনে। তাতে ৰাইজে ছালখনৰ লগত বাঘৰ মূৰটো সম্পূৰ্ণকৈ ৰাখি বাঘৰ ছালখন চেলায় আৰু ডেকা চাঙতে ছালখন শুকুৱায়। ছালখন শুকাই উঠাৰ পিছত বাঘ মাৰা গাঁওখনে ডাঙৰকৈ উছৱ এটি পাতিবলগীয়া হয়। এই উছৱটিকে 'টিকে কিকান' বুলি কোৱা হয়। উছৱৰ দিনা খন বাঘৰ ছালখন বাঁহৰ চাঙিত বাঘৰ নিচিনাকৈ সজাই বাঘ দেৱতালৈ মদ-ভাত আগবঢ়াই চাৰিওফালে ঘূৰি ঘূৰি, গীত গাই গাই গোটেই ৰাতিটো নাচে। বাঘ নৃত্যত গোৱা গীত বোৰকে 'টিকে কিকান আলুন' বোলে। 'টিকে কিকান, উছৱ

পাতিব পৰাটো এখন কাৰ্বি গাঁৱৰ কাৰণে তেনেই গৌৰৱৰ কথা বুলি ভৱা হয়। এই উছৱৰ গীত এটি এনেকুৱা ঃ

ফি ফিয়াং কেচ' এম ঐ ফিফিয়াং কেচ এম
ফি ফিয়াং ফি ফিনে চনাং
ফি ফিয়াং ঐ পাৰামচ' জাল্ দি
থিয়ক পানুক ৰাং মাৰিদ'
ফি ফিনে চনাং চুমচা চুমচিনে আৰেমদি
মেক্ৰী এন্দাম থা
(প্ৰয়াত লক্ষেশ্বৰ টেৰণৰ মুখৰ পৰা সংগ্ৰহ কৰা)

**ভাৱাৰ্থঃ** তই গৰু-গাহৰি মাৰি, মাংস পুৰি খাব খুজি মেকুৰীক মানুহৰ ঘৰলৈ জুই আনিবলৈ পাঠিয়াইছিলি। শুকান মাছ খাব পাই মেকুৰী ঘুৰি নাহিল। ইমান এটা বলবান প্ৰাণী বাঘ তোক মানুহে আজি যাঠিৰে হানি-খুচি মাৰিলে।

### আমৈ মৈ কিকান

পকা ধান কাটিবলৈ পথাৰলৈ নমাৰ আগমুহূৰ্তত ' মনু কি এন' নামৰ লক্ষ্মী পূজা এটি ভৈয়াম কাৰ্বি সকলে পতা দেখা যায়। পূজাৰ আগদিনাখন ধানৰ টোপোলা এটা পানীৰ দোভা এটাত পেলাই থৈ আহেগৈ। পিছদিনাখন নতুন কাপোৰ পিন্ধি সৰু ছোৱালী এজনীয়ে দোণ এটিত নতুন গামোচাখন পাৰি নিজৰাটিৰ পাৰত থিয় হৈ থাকে গৈ। তাৰ পিছত কাঠাৰ বা পূজাৰী জনে নিজৰাত ডুব মাৰি ধানৰ টোপোলাটি কিছু বালিৰে সৈতে পাৰলৈ তুলি আনি ছোৱালী জনীয়ে মূৰত লৈ থকা দোণটিত মন্ত্ৰ মাতি থৈ দিয়ে। নৃত্য-গীত কৰি এই অকুমাৰী ছোৱালী জনীক 'দেহাল' থানলৈ আনে। আদৰি আনোতে 'আহন আপংছী' (বৰবাঁহী) বজায়। গধুলি দেহালত গাভৰু ছোৱালীয়ে মূৰত ওৰণি লৈ নাচে। এই নৃত্যটিকে 'আমৈ মৈ কিকান' বোলে।

### কাৰ্বি লোক বাদ্য

**চেংপে (ডাঙৰ ঢোল) ঃ** ষোল-ওঠৰ ইঞ্চি মান দীঘল, দহ-বাৰ ইঞ্চি মান



ব্যাসৰ কাঠৰ খোলাৰে চেংটো তৈয়াৰ কৰা হয়। ঢোলটো এফালে সৰু, এফালে ডাঙৰ। ঢোলৰ কোবনিখন গৰু ছালৰ আৰু তালিখন ছাগলী ছালৰ। কোবনি-তালিক কাৰ্বিত ' আবং-তালি ' বোলে। চেংটোৰ দোৱান কেইডাল গৰু ছালৰ হ'ব লাগে। ঢোলটো এফালে হাতেৰে, এফালে মাৰিৰে বজোৱা হয়। ঢোলৰ মাৰি ডাল বাঁহৰ বা বেতৰ লয়। বেতৰ মাৰি ডালৰ আদৰ বেছি। এই মাৰি ডাল হেৰুৱালে ঢুলীয়াজনে দায়-জগৰ ভৰিবলগীয়া হয়। এই ঢোলটি আৰকোৰা 'ৰেতকিনং' অনুষ্ঠানত ব্যৱহাৰ হোৱাৰ উপৰিও 'দ'মাহী', দেহাল পূজা, টিকে কিকান, ডেকা চাঙৰ বৰ খুঁটাটো চাঙৰ থলীলৈ নৃত্য-গীতেৰে আদৰি আনোতে বজোৱা হয়।

### এমুখীয়া ঢোল 'দাংদ'ৰ'

এই ঢোলটি ঢুলীয়াই কঁকালত বান্ধি লৈ বিহুৰ সময়ত 'চেংবে' ৰ সৈতে বজায়। দুখন হাতত দুডাল ঢোলৰ মাৰিৰে 'দাংদ'ৰ'টো বজোৱা হয়।

### কিথি কাৰহি আচেং

গাঁৱত কোনো লোকৰ মৃত্যু হ'লে একেদিনৰ ভিতৰতে ঢোলকাটি, ঢোলখুলি, তাত চামাৰা-বৰতি লগাই মৃতকৰ চোতালত যিটো ঢোল বজাই নাচিবলগীয়া হয়, সেই ঢোলটিকে 'কিথি কাৰহি আচেং ' বোলে।

### আহনআপংছী

'আহন আপংছী' মানে হ'ল বৰবাঁহী। ই আঠটা ফুটা যুক্ত বাঁহৰ বাঁহী। ওপৰৰ ফুটাটোত মুখ থৈ বজাব লাগে। কৃষি দেৱতাৰ পূজা 'ৰেত আৰ্ণাম', 'আমৈ মৈ কিকান', দেহাল পূজা, বাঁহ নৃত্য (ক্লক্ ক্লক্ চৰ' কিকান), ডেকা চাঙত মেল বহা দিনাখন, কোনোবা গৃহস্থৰ মাংগলীক অনুষ্ঠানত এই বাঁহীটো বজায়।

### তুৰয়িত

' তুৰয়িত ' মানে হ'ল ওঁঠেৰে বজোৱা বাঁহী। এই বাঁহীটো গৰখীয়া

সকলে বজায় কাৰণে ইয়াক গৰখীয়া বাঁহী ৰূপেও জনা যায়। এই বাঁহৰ বাঁহীটোৰ দুটা মাত্ৰ ফুটা। গৰখীয়া সকলে গৰু মেলাৰ সময়ত, গৰখীয়াতলীত ইয়াক বজোৱা হয়। মন কৰিবলগীয়া কথা যে বন দেৱতাৰ পূজা 'ইংলং আৰ্ণাম'টি পাতি উঠাৰ পিছতহে 'তুৰয়িত'টো বজাব পাৰে।

## ৰৰকালি আহনমুৰীত

এই 'মুৰীত' বা কালিটো বৰ সন্মানীয়। ইয়াৰ তল খণ্ডটো পিতলৰ। আনহাতে ইয়াৰ যোৰা নাই। অংশ এটাই। ফুটা সাতটা (ছয়টাও থাকে)। কালিটোত মাইকী হাঁহৰ পাখিত ধানৰ নৰাদি বজায়। দ'মাহী, দেওশাল 'আৰ্ণাম কিপন', গাভৰু সকলে দেহাল পূজাৰ সময়ত পিঠাগুৰি খুন্দোতে, ডেকা চাঙৰ বৰ খুঁটা 'নুমপেটো' আনোতে বজায়। কালিটো সসন্মানে বাংঠেৰ ঘৰত ৰখা হয়।

## মুৰীতয'ৰা

কালিটোত ভালে কেইটা যোৰা থাকে কাৰণে 'মুৰীত য'ৰা' বোলে। ইয়াতো সাতটা ফুটা থাকে। সাধাৰণতে 'মুৰীতয'ৰা'টো দেহাল পূজা, দ'মাহীত ব্যৱহাৰ নহয়। উপায় নাথাকিলেহে বজায়। এই দুটি অনুষ্ঠানৰ বাহিৰে অন্যান্য অনুষ্ঠানত ইয়াক বজাব পাৰে।

## মুৰীতজাংকেক্

এই পেঁপাটো বন বাঁহৰ আগলিৰে বনোৱা হয়। ফুটা সাতটা থাকে। ইয়াক হাদাৰী খেলোতে, খৰি-খেৰ কাটিবলৈ যাওঁতে, গৰু চাৰোতে বজোৱা হয়।

## পামপ্ৰপ

ই এটা বাঁহৰ চুঙাৰ বাদ্য। ইয়াক 'আমৈ মৈ কিকান'ত বজায়।

## গেংগং

দুটা মূৰত গাঁঠি থকা এপবীয়া বাঁহত চেচুক টানি টোকাৰিত থকা ঘোঁৰাটোৰ নিচিনা এপাত শলা সুমুৱাই গিগিং গিগিং শব্দ উলিয়াই ইয়াক



বজোৱা হয়।

## তাল বা হাৰ্লিং

কাৰ্বি সমাজত তালৰ ব্যৱহাৰ নাই বুলিয়েই ক'ব পাৰি। মাথোন বাঘ মাৰি পতা অনুষ্ঠান 'টিকে কিকান'তহে তালৰ ব্যৱহাৰ হোৱা দেখা যায়।

## কাঁহ বা সান

নতুনকৈ আৰখেতি বা জুমখেতিত নমাৰ আগতে বৰ বাংঠেৰ ঘৰত 'আৰ বিদায়' পূজা পাতে। সেই সময়ত গোৱা গীত আৰু নৃত্যত কাঁহ এখন বজোৱা হয়। মন কৰিবলগীয়া কথা যে ইয়াৰ পিছত পাহাৰত আৰকোৱা সময়ত গোৱা গীত আৰু নৃত্যত কাঁহ বা 'সান' বজোৱা নহয়।

দৈনিক অসম, ২৬ ফেব্ৰুৱাৰী, ২০০৫

# নিচুকনি গীত 'অছ'কাপাদক আলুন'

ভৈয়াম কাৰ্বি লোক-সংস্কৃতি অকল বাৰেবৰণীয়াই নহয়, ই বাৰে ৰহণীয়াও। ব্যৱহাৰিক দিশ বা লোক পৰম্পৰাৰ মাজেৰে যদি আমি তেওঁলোকৰ লোকগীত-পদ সমূহ লক্ষ কৰো, তেতিয়াহ'লে দেখিবলৈ পাম যে লোক সাহিত্যৰ পথাৰখনতো তেওঁলোক অত্যন্ত চহকী। অৱশ্যে এই গীত-পদ সমূহ অসমৰ লোক সংস্কৃতিৰ মাজত থাকিয়েই জাকত জিলিকা বুলি আমি মানি ল'ব লাগিব।

কাৰ্বিলোক সমাজতো নিচুকনি গীত কিছুমানে শিশুৰ মনক আহ্লাদিত কৰি তোলে। এই গীত সমূহ 'অছ'কাপাদক আলুন' (নিচুকনি গীত) আৰু 'অছ'কাপাজাল' বা 'অছ'কিজাল আলুন' (ওমলা গীত) ৰূপে পৰিচিত। কেতিয়াবা কেঁচুৱাক নিচুকাবলৈ, কেতিয়াবা কেঁচুৱাৰ মনত আনন্দ দিবলৈ বা কেতিয়াবা শিশুৱে উমলি-জামলি এই গীত-মাত বোৰ পৰিৱেশন কৰে। শিশুৰ বেছিভাগ গীতেই অৱশ্যে মাক, আইতাক, ধাইমা গৰাকীয়ে শিশু সকলৰ আগত পৰিৱেশন কৰি আহিছে। এই ধাইমা সকলে শিশুক নিচুকাবলৈ গোৱা গীত খিনিকে ধাইনাম বুলিও কোৱা হয়, যিবোৰ ভাত ৰান্ধিবৰ সময়ত কেঁচুৱাই আমনি কৰিলে, জুমতলী নিৰণিৰ সময়ত মাকক, আইতাকক আমনি কৰিলে বা টোপনি যাবলৈ আমনি কৰিলে গোৱা হয়। শিশুৰ মন বুজি, শিশুৰ উপযোগীকৈ ৰচনা কৰা গীতৰ সুৰেৰে শিশুক নিচুকায়।

আকৌ, 'শিশুক বিমল আনন্দ দানেই নিচুকনি গীতৰ উদ্দেশ্য' বুলি আমি যেনেদৰে স্বীকাৰ কৰি আহিছো, তেনেদৰে 'এই নিচুকনি গীত বোৰৰ মাজেৰে শিশুৱে নিজৰ মন বিচাৰি পায়'বোলা কথাষাৰিও আমি স্বীকাৰ কৰিব লাগিব।

প্ৰতিটি শিশুৰ মন প্ৰকৃতিৰ জোন-বেলি-তৰা, বনলতা-ফুল, মাছ-পুঠি, চৰাই-চিৰিকতি, বাঘ-হাতী-শিয়াল আদিয়ে আকৃষ্ট কৰি আহিছে। নিচুকনি গীত সমূহ বিশ্লেষণ কৰি চালেই ইয়াৰ সত্যা-সত্য ওলাই পৰে। তেনে কেইটিমান ভৈয়াম কাৰ্বিৰ মাজত প্ৰচলিত নিচুকনি গীতৰ কথাই



আজিৰ প্ৰৱন্ধটিত উনুকিয়াব বিচাৰা হৈছে। এই প্ৰসংগতে আমি আন এটি কথাও বিনম্ৰ ভাৱে উনুকিয়াই থ'ব খুজিছো যে আজিৰ প্ৰৱন্ধটিত ব্যৱহাৰ কৰা গীত কেইটি ডিমৰীয়া অঞ্চলত বাস কৰা ভৈয়াম কাৰ্বি লোক সমাজৰ মুখৰ পৰা সংগ্ৰহ কৰা হৈছে যেতিয়া ইয়াত ডিমৰীয়া অঞ্চলৰ 'চেনাহৈ আহাট' (চেনেহৰ বজাৰ, ইয়াত গাভৰু বেচা-কিনা হৈছিল হেনো), কলং (যিখন কলঙেৰে জোঙাল বলহুবীৰে পলাই আহিছিল), পাহাৰ-পৰ্বত বা ডুমৰা ৰজাৰ কথাও উল্লেখ হৈছে। এয়া লোক সমাজৰ স্বভাৱজাত কথা বা লোক সাহিত্যৰ সহজাত গুণ।

নিচুকনি গীতটিয়ে কি ভাৱ প্ৰকাশ কৰিছে সেয়া কেঁচুৱা এটিৰ কাৰণে মুখ্য কথা নহয়, সুৰটিহে তাত মুখ্য। সুৰটিয়েহে সিঁহতক বেছি আকৃষ্ট কৰে। ধান নিকাবলৈ মাকজনী আৰতলীলৈ গৈছে, কেঁচুবাটিক বোকোচাত লৈ মাকে বন নিকাইছে। তাতে ফেঁকুৰি ফেঁকুৰি কেঁচুৱাটিয়ে কান্দিছে। তেতিয়া মাকে দিংঘৰলৈ (হেমতাক) কেঁচুৱাটিক লৈ আহি নিচুকাইছে এনেকৈ ঃ

খুক্খ্ৰেক্ খুক্খ্ৰেক্ নাং খাবালা খুক্খ্ৰেক্  
বাং আছনে লাংতেনে ৰেচ' আকঙৰ  
নেছনে চিলাং তেনে লুৰু আবিৰলে  
নাং বুনে নাং এনতা  
লাতা দুচিত চে  
বাং আছ' লাংদুন তেনে  
বাংকে দুচিত মান  
খুক্খ্ৰেক্ খুক্খ্ৰেক্ খাবালা খুক্খ্ৰেক্  
(মুকুল ইংতিৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ লোকৰ কেঁচুৱা ৰাজকোঁৱৰৰ নিচিনা ধুনীয়া, আমাৰটোহে টিকা ওলোৱা। কান্দি থাকিলে টিকা নোলাবই বা কিয়।

আগতে উল্লেখ কৰি অহাই হৈছে যে কেঁচুৱাক কেতিয়াও বাঘ-শিয়ালৰ ভয় দেখুৱাই বা আনন্দ লগা কথাকৈও টোপনি নিয়াবলৈচেষ্টা কৰা হয়। তাৰে এটি গীতৰ নমুনা এনে ধৰণৰ ঃ

অ' মাই চিচিত্ নত্
চিচিত্ পুপে তেনে নাং
চিৰাত পা' কৰে
অ' মাই চুৰুয়েক
চুৰুয়েক তিলৌ মাই
মামা ৰাঙেতাং
অ মাই চিচিত্নত্
মামা ৰাঙে তেনে মাই
দ' দক্তা ৰানে
অ' মাই চুৰুয়েক
চুৰুয়েক তেনে নাং মাই
জতাতা ৰানে।
(চশী ৰংপে মুখৰ পৰা সংগ্ৰহ)

গীত ফাকিৰ প্ৰথম চোৱাত শিশুটিক ভয় খুৱাই কোৱা হৈছে 'বাচা, তই টোপনি যা, টোপনি নগ'লে কিন্তু টিকা দিয়া পিপৰটোক (চিৰাত) কামুৰিব দিম।' তৎমুহূৰ্ততে মাকে বা আইতাকে ভাবিছে ভয় খুৱালেই জানো শিশুটি টোপনি যাব? লগে লগে গীতৰ কথা সলনি কৰি গাইছে 'বাচা, নাকান্দিবি দেই , এতিয়া টোপনি যা, আজি মামা আহিব, তৌলৈ পকা মিঠৈ আৰু জোতা আনিব।' এই শিশুটি নিশ্চয় কান্দুৰা, টিকা ওলোৱা শিশুটিকৈ কিছু ডাঙৰ।

কেতিয়াবা কোলাৰ কেঁচুৱাক ডিমৰুৱা ৰজাজন আহিলে তেতেলী গছৰ খোৰোঙত থকা বাদুলী পোৱালি কেইটিকে ৰান্ধি-বাঢ়ি খুওৱাৰ কথাকৈও শিশুটিক টোপনি নিওৱাৰ চিত্ৰ এখন নিচুকনি গীতত এনেদৰে পাও ঃ

তিনতিলিকপে আংচংকে
ৰ'ৰ প্লাক পেছি আহমদ'
থানেক দেই নে বংজাং
ক্লং ক্লং



ডুমুৰা ৰেচ' ডুমুৰা ৰেচ' ৰাঙেতাং
ৰক ৰক পেন আন পাচক
থানেক দেই নে বংজাং ক্লং ক্লং
(ড° বীৰেন্দ্ৰ নাথ দত্তৰ 'চিফুং গুংগাং'ৰ পৰা সংগ্ৰহ)

কাৰ্বি ৰাইজৰ পাহাৰ-পৰ্বতৰ লগত তেনেই নিবিড় সম্বন্ধ। পাহাৰৰ দোং বা জুৰিত পোৱা মাছ-পুঠি কেইটি পাহাৰীয়া শাকে-পাতে ৰান্ধি ভাত মুঠি আজিও তেওঁলোকে সুখেৰে খায়। মাছ-পুঠি, শাক-পাত বিচাৰি যোৱা মাকজনী আহি পোৱাত পলম হ'লে শিশুটিয়ে মাকক বিচাৰি কান্দিবই। তেতিয়া 'বকালী 'বা ধাইজনীয়ে নিচুকুৱা চলেৰে শিশুটিক কৈছে ঃ

নাং আই পেনে লাপ্ৰে পেকে
আছ' চিৰণৰে
নাং আই পেনে লাপ্ৰে পেকে
আছ' চুৰুতা চিৰণৰে
নাং আই পেনে লাপ্ৰে পেকে
দুংকেক হেক দামদ' অ' ছেৰবং
(লালচিং ইংতিৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ আইজনী, নাকান্দিবি, মায়েৰে যি ওলাই গ'ল গ'লেই। ইফালে কেঁচুৱাই কান্দিছেনে হাঁহিছে খবৰেই নাই। নাকান্দিবি, মায়েৰে ঢেঁকীয়া-কচু, লালুকী, মিছামাছ ধৰিবলৈ গৈছে।

এটা সময়ত কেঁচুৱাই বোকোচা বা কোলাএৰি লগৰ সমনীয়াৰ লগত ওমলিব পৰা হয়। তেতিয়া সিহঁতে ভাত খাবই লাগেনে শুবই লাগে পাহৰিয়ে থাকে। সমনীয়াৰ সৈতে ওমলা গীত এটি এনে ধৰণৰ ঃ

| কাৰ্বি | অসমীয়া |
|---|---|
| তে আতাকে? | ককা দেউতা ক'লৈ গ'ল? |
| ফুৰুলতুক দামদ'। | আলু খান্দিবলৈ গ'ল। |
| তে ফুৰুল কে? | আলুটোনো ক'ত গ'ল |
| ফাক্‌ছ' দেতৃন'। | গাহৰিয়ে খালে। |
| তে আফাক্‌কে? | গাহৰিটো কলৈ গ'ল? |

| | |
|---|---|
| টকাণজৰ বুম্‌ব'। | যাঠিৰে হানি মাৰিলে। |
| তে অটকাণ কে? | যাঠি পাত কি হ'ল? |
| মে ঠেক দেত্‌ন'। | জুয়ে পুৰিলে। |
| তে আমে কে? | জুইকোৰা কি হ'ল? |
| লাং দুং দেত্‌ন। | পানী দি নুমাৰালে। |
| তে আলাং কে? | পানীখিনি ক'ত গ'ল? |
| কলংকে আপাৰ। | কলঙত পৰিল। |
| তে আকলং কে? | কলংখন কি হ'ল? |
| লাংথেপ দেত্‌ন'। | শুকাই গ'ল। |

পৰিবৰ্ত্তনৰ ধামখুমীয়াত পৰি সময়ে আজি বাগৰ সলোৱা মুহূৰ্তত লোক সমাজৰ পৰা গধূলিৰ চোঁতাল, জোন-তৰা-আকাশ ভালেখিনি আঁতৰি গ'ল যেন লাগিলেও এটা সময়ত এই নিচুকনি গীত বোৰে শিশুৰ খেয়ালী মনৰ মনোজগৎ খনকেই অধিকাৰ কৰি আহিছিল। অকল ইমানেই নহয়, এইবোৰে শিশু সাহিত্যৰ ভঁৰালটিও চহকী কৰি ৰখাত বৰঙণি যোগাইছিল। শিশু এটিক গীতৰ সুৰ এটিৰ মাজেৰে, কওতা গৰাকীৰ কথনভংগীৰ মাজেৰে টোপনি নিয়াব পৰাটো কম কথা নহয়। এয়াই নিচুকনি গীতখিনিৰ লগতে মাক, আইতাক বা ধাইমাক কেইগৰাকীৰো পাৰদৰ্শিতাৰ কথাকেই নিশ্চয়কৈ সূচায়।

দৈনিক অসম, ৭অক্টোবৰ, ২০০১



# বোৱা-কটা গীত 'ফল কিফেৰ আলুন' আৰু 'পে কিথাক আলুন'

কাৰ্বি লোক সমাজ শ্ৰম বিমুখী নহয়, তেওঁলোক কঠোৰ পৰিশ্ৰমী। কুকুৰা ডাকতে উঠি ভাত-পানী খাই আৰতলী বা অন্য কৰ্মস্থলীলৈ গৈ কামত ধৰাটো আজিও তেওঁলোকৰ নিত্যনৈমিত্তিক কৰ্তব্য। পুৰুষ সকলৰ নিচিনাকৈ কাৰ্বি মহিলা সকলেও কঠোৰ পৰিশ্ৰম কৰা দেখা যায়। ক'বলৈ গ'লে মহিলা সকলৰ ভূমিকা কাৰ্বি সমাজত বেছি যেনেহে লাগে। বোৱাৰী পুৱাতে উঠি ঢেঁকী বা উৰলত (লং) ধানবানি, সেই চাউলেৰে ভাত ৰান্ধি গৃহস্থ জনক বা দেৱৰেক জনক খুৱাই, লগতে একোটাকৈ ভাতৰ টোপোলা (আনবৰ) কলপাতত বান্ধি নিজৰ কৰ্মস্থলীলৈ পঠিওৱাৰ উপৰিও পাহাৰৰ পৰা খৰি অনা, নিজৰাৰ পৰা ডাঙৰ-দীঘল বাঁহৰ চুঙা 'লাংঠে'ত পানী অনা, বনৰীয়া শাক-পাত তোলা আদি কামবোৰ মহিলা সকলেই কৰে। আকৌ জুম খেতিৰ বতৰত গাভৰু সকলে 'চংখ্ৰাম' দলৰ লগত 'চেংবে' আৰু 'লুনআপে'ৰ ঢোলৰ ছেৱে ছেৱে, গীতৰ সুৰে সুৰে আৰকুৰি যোৱা লোক সকলক 'আলাংআহৰ' যচাৰ কামখিনি বা বৰবিয়াত বিশেষ লাগতীয়াল বস্তুবোৰ থ'পাত কৰি কইনা ঘৰলৈ কঢ়িয়াই নিয়াৰ কাম খিনিও কাৰ্বি গাভৰুৱে পালন কৰিব লাগে। তেনেদৰে বোৱাৰী বা বয়সস্থ মহিলা সকলে আৰতলীত বয়সস্থ সকলৰ 'নৰতাপ' দলৰ হৈ বনবোটলা, কাম কৰিবলগীয়া হয়, আৰতলীৰ ধানবোৰ দোলাৰে জাৰি-ফুকি ঘৰলৈ অনাত সহায় কৰিব লাগে, বহাগ বিহুত ডেকা সকলে চোঁতালত নাচিবলৈ আহিলে বৌ সম্বন্ধীয় বোৱাৰী সকলে মদ চেকি চুঙাত যাচিলেহে মদৰ নিচাই চকু পিৰিকাই তোলা ডেকা সকলৰ মুখে 'দ'মাহী আলুন' বা বিহু গীতৰ কলি এটি ওলায়। আনহাতে মৃত ব্যক্তিৰ ওচৰত বিননি তুলি কন্দাৰ পৰম্পৰাটিও মহিলাই পালন কৰিবলগীয়া হয় 'উচেপী'ৰ দায়িত্বৰে।

ইমানবোৰ কাম অতাই মেলি এই গাভৰু বা বোৱাৰী খিনিয়েই

তাঁতশাল খনতো (মাটিৰ শালেই হওক, উৰা মাকুৰ শালেই হওক) বহিবলগীয়া হয়। নিজে পিন্ধাৰ উপৰি ঘৰখনে পিন্ধিবৰ কাৰণে ববলগীয়া হয় 'পানিক' বা 'পিনি (মেখেলা), 'পেকক' (গাত লোৱা চাদৰ), 'পংহ' বা গামোচা, 'শ্বলচাং' (দহিবটা চোলা), 'ইংকি আপে' (এৰী কাপোৰ) ইত্যাদি কৰি ভালেমানবিধ কাপোৰ। তাঁতশাল (তাংহাল) খনৰ কাপোৰেৰে ভাঙিবলগীয়া হয় বিহুৰে-তিথিয়ে ডেকাই ধৰা ঠেহ-পেচ বোৰো। ক'বলৈ গ'লে পৰিয়ালৰ প্ৰয়োজন সাপেক্ষে সকলো ধৰণৰ কাপোৰ তাঁত শালত বৈ উলিয়াব লাগে মহিলা সকলেই। নিজৰ বা পৰিয়াল সকলৰ পচন্দ অনুসৰি সেই কাপোৰ বোৰত ৰং কৰাৰ কামো কাৰ্বি শিপিনী সকলেই এটা সময়ত কৰিছিল। কাৰ্বিৰ দেৱতা চৰাই ভীমৰাজটিৰ গাৰ ক'লা ৰং টিয়েই কাৰ্বি সমাজৰ আজিও আদৰৰ যদিও ৰঙা আৰু হালধীয়া ৰঙেও তাঁতৰ পাতত ৰহণ চৰায়।

ভৈয়াম কাৰ্বি সকলেও আৰতলীতে কপাহ খেতি কৰে। সেই কপাহ নেওঠি, ধুনি, পাঁজিবটি, সূতাকাটি কাপোৰবৈ উলিওৱা হয়। এটা সময়ত দেখা গৈছিল কাৰ্বি মহিলা সকলে সূতা কাটিবলৈ হাদাৰী (জাৰদাপ) খেলিছিল। হাদাৰী হ'ল পালপাতি কৰা কাৰ্য্য (পুৰুষেও হাদাৰী খেলে)। আজি যদি ৰাতি এঘৰত পাল পাতি সূতা কাটে, কাইলৈ আন এঘৰত কাটে। এই হাদাৰী প্ৰথা আজিও দুই এখন ভিতৰুৱা জনজাতীয় গাঁৱত দেখিবলৈ পোৱা যায়। কাপোৰ বোৱাৰ বাহিৰে সূতাকটা, কপাহ নেওঠা, পাঁজিবটা কামবোৰ ৰাতিহে কৰে।

ৰাতিৰ সূতাকটা কামখিনি কাৰ্বি মহিলা সকলে গীতে-মাতে পাৰ কৰি দিয়ে। এইখিনি শ্ৰম বিষয়ক গীতক ভাগৰ জুৰোৱা গীতো বুলিব পাৰি। গীতবোৰ বৰ অৰ্থপূৰ্ণ।

কপাহবোৰ গছৰ পৰা ছিঙি আনি তাৰ পৰা গুটিবোৰ 'মিচংক্ৰেট'ৰে (নেওঠনি) উলিয়াই লোৱাৰ পিছত ধনুৰ নিচিনা ধোনাবাৰি এডালেৰে ধুনি সেইবোৰ লেৰা-লেফেৰা কৰা হয়। কপাহ ধোনা কাৰ্য্যক ভৈয়াম কাৰ্বিত 'ফল' কিআপ' বোলে। এই সময় খিনিতো হাদাৰী খেলা মহিলা সকলে 'ফল' কিআপ আলুন' গাই মনৰ ভাগৰ পলুৱায়। তেনে এটি গীতৰ কলি এনেধৰণৰ ঃ



কেংৰি পাচিংদমৰূপ
অ' জাৰবাং ৱাং পাৰজাং
নুৰে জাৰ্লল'
ই ফল' কিআপকে জাৰবাং
লিকছ'তা চিমেত দেত্ন'
নৌ জাৰবাং পেকক-পানিং আফান
ফল' আপনে ফল' ফেৰনাং
ছুপেন পিংহান আফান
জাৰদাপ পাদ'নে ফল' আপ' নাং
(আদৰ ৰহাঙৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ অ' হাদাৰী সকল, ৰাতি বহু হ'ল, কপাহ ধোনাৰ কাম সোনকাল কৰ। কপাহ ধুনি, কপাহ নেওঠি মেখেলা-চাদৰ (পেকক-পানিং) বব লাগিব, গৃহস্থ আৰু নাতি-পুতিক দিব লাগিব।

কপাহ ধুনি হোৱাৰ পিছত পাঁজি বটা হয়। পাঁজিবোৰ যঁতৰৰ (মিঁ) মহুৰা শলাত ভৰাই সূতা কটা হয়। কিছুমানে পাঁজিবোৰ টাকুৰিতো কাটে। সেইখিনিৰ বৰ্ণনাও 'ফল' কিফেৰ আলুন (সূতা কটা গীত) ৰ জৰিয়তে কাৰ্বি চহা কবিয়ে শিপিনীৰ মুখত দি যাব পাহৰা নাই। গীতত পাও ঃ

টকৰা কাৰ্টিংকে ইমেক আৰ্তিংমান
ল'কাই হেল হ্ণচ' ৱাংফেৰ মান
নুৰে জাল চিনিনে নে
ফল' চিফেৰ নাং।
হ্ণ' ফল' চিফেৰ নে।
পেৰিক চিথাক নাং
ফল' ফানচি ফেৰ ফেৰনে
পিংহানছ'প পাইক নাং
(আনা ৰংপীৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ টাকুৰিটো চাই থাকিলে চকু-মূৰ ঘূৰি যায়। এন্ধাৰ হ'লেও সূতা কাটো বল। এখন দুখন বৈ কাটি ঘৰৰ মানুহক পিন্ধাও।

আগতে উল্লেখ কৰি অহাই হৈছে শিপিনীৰ মুখত প্ৰচলিত

বোৱা-কটাৰ গীত সমূহ তেনেই অৰ্থপূৰ্ণ বুলি। সূতা কাটি থকাৰ চলেৰে ঘৰৰ মানুহ খিনিক এজনী গাভৰুৱে কেনেকৈ পলুৱাই খেদাই শত্ৰুৰ মুখৰ পৰা ৰক্ষা কৰিছিল, তাৰ সুন্দৰ বৰ্ণনা সূতা কটা গীতত আছে। তেনেকৈ লুমজাং পৰ্বতৰ পৰা ভৈয়ামলৈ পলাই অহা কাৰ্বি লোকখিনিক টুমুং ফুচুং নামৰ কাৰ্বি বীৰাংগনা এগৰাকীয়ে তাঁতশালৰ চিয়ঁৰিৰে কপিলীৰ পানী দুফাল কৰি পাৰ কৰি দিয়াৰ কাহিনীও ডিমৰীয়াৰ ভৈয়াম কাৰ্বিৰ মালিতা এটিত পোৱা যায়। সূতাকটা মহিলা বা গাভৰু সকল পটু ভাজনিও। একে ৰাতিৰ ভিতৰতে সূতা কাটি, কাপোৰবৈ যুদ্ধত ওলোৱা জনক 'কবচ' কাপোৰ হিচাপে দিব পাৰিলে 'ৰণজয়' হয় বুলি যেনেদৰে লোক বিশ্বাস এটি আছে, তেনেকৈ কাৰ্বি বোৱনীয়ে 'মোকৰ্দমা' ফুল তুলি মেললৈ যোৱা জনক, কোৰ্ট কাছাৰীলৈ যোৱা জনক দিব পাৰিলে 'মেলত জয় হয়। কথাত জয়হয়' বুলি বিশ্বাস এটি কৰি আহিছে। মোকৰ্দমা ফুলৰ উল্লেখ থকা কাপোৰবোৱাগীত 'পেকিথাকআলুন' এটি হ'ল ঃ

থাক্ কচং থাক্কচং থাক্নাং (তাঁত শালৰ শব্দ)
ফল' ফানচি আহনে
পেৰিকচি থাকনাং
ইপাক্ পাক্নি থাক্ থাক্নে
পে-প' পাজিৰ নাং
ইলিতা চি এন নাং
পেৰিক কিথাক ইলিতা চিৰ্লিলাং
নি-অপ- নিতম চি এন নাং
কিচুম ফাংঅ'ক চিৰাল নাং
তাংহাল আলং ইনিংনে
আহি আপান চিৰ্লি নাং
মকৰতমা আহিনে
ইমেক আবুৰ পা প্ৰাং নাং
(দশমী টুমুঙৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ আহা আমি কপাহ-সূতা কাটি কাপোৰ বওঁ। নিজে পিন্ধাৰ লগতে মা-দেউতাকো পিন্ধাও, শীতৰ পৰাও হাত সাৰো। অকল



কাপোৰ ব'ব জানিলেই নহ'ব, মোকৰ্দমা ফুলটিও তুলিব জানিব লাগিব।

ভৈয়ামকাৰ্বি সকলৰ মুখত ভালেমান কাৰ্বিসুৰীয়া অসমীয়া লোকগীতো ৰচিত হৈছে। এই গীত সমূহতো তাঁতশাল, গামোচাৰ কথা উল্লেখ পাও। মনৰ মানুহ জনক মন থাকিলেও কামৰ ভিৰৰ কাৰণে বিহুৰ গামোচা দিব নোৱাৰি ৰংমালী নামৰ গাভৰু জনীয়ে দুখ প্ৰকাশ কৰাৰ লগতে চেংকাকা ডেকাজনক প্ৰতিশ্ৰুতি এটি দি কৈছে ঃ

(১)

চেংকাকা ঐ এৰি নাযাবি মোক
দহি সূতা জৰাই জৰাই গামোচা পিন্ধাম তোক।

(২)

ৰঙা ফালি বৈ থৈছং গলত ল'বলৈ
কামৰ ভিৰত লগ নাপালং তোকে দিবলৈ।

তেতিয়া, চেংকাকা ডেকাজনেও ৰংমালীক বখানি গাইছেঃ
ধান কাটং ধান চপাং জাৰৰে পুহত
ৰঙা ফালি গলত লৈছং ৰংমালী জহত।
(কাৰ্তিক টুমুঙৰ পৰা সংগ্ৰহ)

দৈনিক অসম, ১৯ ডিচেম্বৰ, ২০০৪

# বিথাৰ কিতাক আলুন

জুমখেতি অসমৰ জনজাতিলোক সকলে পাহাৰত কৰা খেতি। ঠিক তেনেকৈ কার্বি ৰাইজে শালিখেতিৰ পথাৰত পথাৰ কোদালি কৰা খেতিক 'বিথাৰ কিতাক' আৰু তাত পৰিৱেশন কৰা গীত সমূহক ' বিথাৰ কিতাক আলুন' ৰূপে জনা যায়। এই গীত সমূহে কার্বি লোক জীৱনৰ সুৰদি-সুৰীয়া লোক পৰম্পৰা এটিৰেই বতৰা কঢ়িয়ায়।

শালিতলীৰ পথাৰখন কুৰিবলৈ গৃহস্থই ৰাইজক আহাৰ-শাওন মাহত 'চিৰণে' বা হাউৰি মাতে। অৱশ্যে শালিখেতিৰ 'চিৰণে' ত গাভৰু সকলে অংশ গ্ৰহণ নকৰে বা 'মেনছ' (গাভৰু) সকলক নিমন্ত্ৰণ কৰা নহয়। 'ৰেত্‌কিনং' অনুষ্ঠানৰ নিচিনাকৈ 'বিথাৰ কিথতাক' অনুষ্ঠানতো 'আলুন আপে' (গায়ক) জনে মুখ্য ভূমিকা গ্ৰহণ কৰিবলগীয়া হয়। তেৰেঁই বিভিন্ন সুৰত অনর্গল গাই যাবলগীয়া হয় 'বিথাৰ কিতাক আলুন'ৰ মিঠা,মিঠা সুৰ বোৰ, মিঠা মিঠা কলিবোৰ। ডেকা সকলেও গীতৰ সুৰে সুৰে কোৰেৰে শালি খেতিৰ বুকুবোৰ কুৰি যায়। লগতে গীতৰ কলিবোৰো ধৰি যায়। পথাৰ কোদালি কৰা খেতি যথেষ্ঠ কষ্টকৰ যদিও বোকাত লুতুৰি-পুতুৰি হোৱা ডেকা সকলৰ ভাগৰুৱা দেহা শাঁত পেলায় গৃহস্থই তেওঁলোকৰ মুখৰ আগত যচা পোহন মদৰ এচুঙা মদে। পথাৰত নমাৰ আগতে বা গীত আৰম্ভ কৰাৰ আগমুহূৰ্তত গায়ক জনে তেওঁ গাবলগীয়া গীত-মাত খিনিৰ ভুল-ভ্ৰান্তিৰ মাৰ্জনা বিচাৰি বয়সস্থ সকলৰ ওচৰত আঁঠু লৈ পথাৰত নামে। তাৰ পিছত গৃহস্থই কি কাৰণত তেওঁলাকক পথাৰ কোদালিবলৈ মাতিলে তাৰ কাৰণ বৰ্ণাই তেওঁ 'বিথাৰ কিতাক আলুন' বোৰ আৰম্ভ কৰে এনেকৈ ঃ

হেৰাদে হৈৰাদে অহৈয়াক আহৈয়াক হৈ লাং হাই
লাছি অ' ইংতিপ' ৰংবং তাং
অ' ৰংহাং প' ৰংবং তাং
লাছি অ' ইংতিপ' পুমানতাং লাছি
অ' ৰংহাং পুমান তাং



অছ' এ-নে পাদল' অ' ছথুৰনে
পাদল অ' হাই হাই
লাছিঅ' ইংতিপ' পুমান পুমান
নেনংপে কাংৰেল'
লাছিনে নংপে কাংৰেল' পুলঅ'
নেনংল' কাংৰেল'তাং
লাছি অ' ইংতিপ' পুমান পুমান
অ' ৰংহাংপ' পুমানতাং
অ' চমাংপে কুচাম পুমান লাছি
অ' চমাংপে কুলিৰ্ন তাং
লাছিঅ' ইংতিপ' পুমান তাং
অ' চমাংপে কুচাম পুমান
লাছি অ' চমাংপে কুচাম পুমান লাছি
অ' নেনংপে চানচেব'
লাছি অ' আনংপে চানচেব'তাং
অ' আনংল' চানচেব'তাং
(মুকুল ইংতিৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ ইংতি আৰু ৰংহাং ঘৰীয়াৰ পথাৰত হাল মাৰিবলৈ গৰু নাই। সেয়েহে কোৰেৰে কোদালি মাটি চহাবলৈ এজাৰি মদ বনাই ৰাইজক সাউৰি মাতিছে। গৰু-গাই নাই হেতুকে খাচীয়া কোৰেৰে পথাৰখন চহাও আহা।

এচুঙা পোহন মদে যেনেকৈ ডেকা সকলৰ দেহৰ ভাগৰ কিছু আঁতৰায়, তেনেকৈ প্ৰেম-প্ৰীতিৰ গোন্ধ থকা চহা কবিৰ প্ৰাণৰ প্ৰকাশ এই ' বিথাৰ কিতাক আলুন ' সমূহেও ডেকা সকলৰ মনৰ উদ্যম বঢ়ায়। ডেকাৰ মন পুলকিত কৰা তেনে এটি গীত হ'ল এনেকুৱা ঃ

তিংজবা হৈ য়াক আৰো হৈয়া
লাছি থেৰে আকমেমপ' মাৰদি
লাছি চাংপুম আকুৰি পে
লাছি কুলি ৰ'কুৰদুম পুমানদি চাৰিনে

কেংজাং লাছি
ছাৰিনে কেংজাংপে আথেতাং দেই
কুলি ৰ'কুৰ দুমপে আৰবাক তাং
(সন্তৰাম ৰংপেৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ আঁহত গছ জোপাৰ তলত ডেকা-গাভৰু সকলে কথাপাতি থাকোতে হাইতাল চৰাইজনীয়ে তাত গুটি খাই থকাৰ কথা ক'বকে পৰা নাই, আনকি আঁহত গছৰ গুটিবোৰ পেলাই দিওঁতেও। কুঐ কুঐ বুলি মাতোতেহে সিহঁতে গম পালে আৰু লাজ পাই ঘৰলৈ গুচি আহিল।

লোক গীত-মাতেৰে কাৰ্বি মৌখিক সাহিত্য তেনেই চহকী। ওপৰত উল্লেখ কৰা 'বিথাৰ কিতাক আলুন'টিৰ নিচিনাকৈ প্ৰেম-প্ৰীতিৰে ভৰা কাৰ্বি 'লুনফাৰৱ'ও আছে। এই গীত-মাতবোৰ কাৰ্বি ডেকা-গাভৰু সকলে পাহাৰলৈ খৰি লুৰিবলৈ যাওঁতে বা কচু-ঢেঁকীয়া তুলিবলৈ যাওঁতে মনৰ উলাহত গায়। তেনে এটি বনগীতৰ কলি তুলি দিয়াৰ মোহ সামৰিব নোৱাৰিলো। ডুমুৰা বা টৌমৰা পাহাৰত ৰাতি জিলিপোক (বেংচেৰেত) ধৰিবলৈ নিয়াৰ চলেৰে ডেকাজনে গাভৰু জনীৰ স'তে দুআষাৰ মনৰ কথা পতাৰ মন। ডেকা জনে গীতত কৈছে ঃ

দৌ লাৰি লাৰি বেংচেৰেতছ' হুম দামনাং
ডুমুৰা লংক্লাম লাৰি জৰা চানচেনাং
জৰা চানচেনে লাৰি লাং চেংলং চাংদামনাং
ঐ লাৰি লাৰি চিলাংদৈ ৰ'কুৰ ৰাকছ'
(চশী ৰংপেৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ ডাউক চৰাই লেখিয়া লাজুকী মৰমী জনী, আজি ৰাতি আমি ডুমুৰা পাহাৰত জিলী ধৰিবলৈ যাওঁ বলা, বন বাঁহৰ জোৰ জ্বলাই বাটপোহৰ কৰি যাম, পাহাৰৰ সমান ঠাইত জিৰণি লৈ মনৰ কথা পাতিম।

'বিথাৰ কিতাক আলুন' সমূহত খাচীয়া ৰজাৰ লগত লগা কাৰ্বি বাংঠেৰ ৰণখনৰ কথাৰ উপৰি ভৈয়ামত খাৰু-মণি বিকা বেপাৰীজনৰ কথাও এই গীত মাতবোৰে সামৰি ল'ব পাহৰা নাই। তেনে এটি গীত



'লুন আপে' জনে গাইছে ঃ

আহনে আলুংলেং তাহুক লাছি
কাংহাৰ বণিয়া
ৰাং চাংদ' তাং হৈ
কাংহাৰ বণিয়া ৰাং চাংদ পুতেনে হৈ
মায়ক আনিদেন তাংতে হৈ
মায়কছ' আনিদেন পুতেনে হৈলা
বেহাছ' ফুৰিয়ে তাংহুক হৈ লি
.........................................
.........................................
লা কমবাক্ বাক্ ৰাদামনে দা হৈলা
কম্‌বাক্ বাক্ ৰাদাম নে হৈ
ছিকানে ইচি তেনে হৈ লা
হংকেৰে হিনি হংমান তাং হৈ
ছিকানে হিনি পুতেনে হৈলা
হংকেৰে হিনি হংমান তাং হৈ
(মাধৱ কাঠাৰৰ মুখৰ পৰা সংগ্ৰহ)

ভাৱাৰ্থঃ ভৈয়ামৰ বেপাৰী জনে খাৰু-মণিবোৰ এটকাত এঘাৰডাল আৰু দুটকাত বাৰডাল দিয়া হ'ব বুলি কোৱাত মহিলা সকলে যিয়ে যিমান পাৰে কিনিলে। বেপাৰীজনৰ লোকচানেই হ'ল।

দৈনিক অসম

# চহা কবিৰ ৰচনাত কার্বি সুৰীয়া অসমীয়া গীত

বৃহত্তৰ ডিমৰীয়া অঞ্চলটি মূলতঃ জনজাতীয় লোকেৰে পৰিবেষ্টিত অঞ্চল হোৱা হেতুকে ডিমৰীয়াৰ লোক সংস্কৃতিত জনজাতীয় প্ৰভাৱেই সৰহ বুলি ক'ব পৰাৰ স্থল যথেষ্ট আছে। আনহাতে জনজাতীয় প্ৰভাৱ বুলি কওতে আকৌ, ইয়াত বসবাস কৰা ভৈয়াম কার্বি লোক খিনিৰ কথাও উনুকিয়াব পৰা যায়। ইয়াৰো কাৰণ একেটাই বুলিব পাৰি, যিহেতু আন জনগোষ্ঠীৰ লেখিয়াকৈ ইয়াৰ কার্বি লোক সংস্কৃতিও নিজস্ব সত্তাৰে জাকত জিলিকা কিম্বা তেনেই হিয়া চুই যোৱা। 'ৰেত কিনং আলুন ' (জুমতলীৰ গীত) বোৰত যেনেকৈ কার্বি সমাজ জীৱনৰ ছবি এখন নিখুঁট ৰূপত ফুটি উঠা দেখা যায়, তেনেকৈ অন্যান্য কার্বি লোকগীত সমূহেও সেই একেই বতৰাকে কঢ়িয়ায়। এই গীত খিনিৰ উপৰি কার্বি চহা কবিয়ে অসমীয়া ভাষাত ৰচনা কৰা কার্বি সুৰীয়া গীত এমুঠিৰো তেওঁলোক অধিকাৰী। গীতখিনি জোৰা গীতৰ লেখিয়া। ইয়াক আজৰি সময়ৰ গীত ৰূপেও চিহ্নিত কৰিব পৰা যায়। কেতিয়াবা ডেকাই গাভৰুক, গাভৰুৱে ডেকাক জোকাই মুখৰ চুপতি মৰাও গীতবোৰেত দেখা যায়। ইয়াত কিছু কটাক্ষ বা বক্ৰোক্তি পৰিলক্ষিত হয়। সাধাৰণতে আৰখন কুৰি হোৱাৰ পিছত গধুলি পৰত গৃহস্থৰ ঘৰলৈ ঘুৰি আহোতে ডেকা-গাভৰু সকলে বাটতে এজাৰি বা একলহ মদ খায় আৰু গীত-মাত আৰম্ভ কৰে। সেইগীত-মাতৰ ভিতৰত অকল ৰেতকিনং আলুনকেই নাগায়, কটাক্ষৰে ভৰা কার্বি সুৰীয়া অসমীয়া গীত-পদ এমুঠিও তেওঁলোকে পৰিৱেশন কৰে। আকৌ, গীত খিনিযে আৰকোৰা শেষত বাটত আহোতেহে গোৱাহয় তেনে নহয়, পাহাৰলৈ খৰি লুৰিবলৈ যাওঁতে, কচু তুলিবলৈ, খেৰ কাটিবলৈ যাওঁতেও গোৱা হয়। এই গীত খিনিক কার্বি সুৰীয়া বুলি এই কাৰণেই কোৱা হৈছে যে ইয়াৰ সুৰ কার্বি 'লুনফাৰৰ' বা ' দ'মাহী আলুন 'ত গোৱা গীতৰ লগত একেই সুৰীয়া। দেখা যায় বহাগ বিহুৰ সময়ত 'চেং-মুৰীত ' (ঢোল-কালি) বজাই



ৰাইজে গৃহস্থৰ চোতালত 'দ'মাহী কিকান' নাচোতে এই কার্বি সুৰীয়া অসমীয়া গীত সমূহো আৱেগ ঢালিয়েই গায়। কার্বি লোকৰ উপৰি অন্যান্য জনগোষ্ঠীৰ মাজতো এনে লক্ষণ যুক্ত গীতৰ প্ৰচলন দেখা যায়। আজিৰ প্ৰৱন্ধৰ আলোচনাৰ মেজলৈ কেইটিমান কার্বি সুৰীয়া অসমীয়া গীত বিভিন্ন জনৰ মুখৰ পৰা বুটলি অনা হৈছে।

জুমখেতিটোৰ লগত ডিমৰীয়াবাসী তেনেই চিনাকি।তেনেদৰে তেওঁলোকৰ ইয়াৰ বিল-খাল,পাহাৰ-পর্বতৰ সৈতেও সম্বন্ধ মধুৰ। তাৰ উল্লেখ চহা কবিয়ে জোৰাগীতবোৰৰ মাজেৰে দিযাব পাহৰা নাই। যেনে ঃ

আৰ কোৰং নোকোৰং<br>
থিয়া কাখৰি<br>
টকণ এডাল ন'হলে<br>
পৰং বাগৰি।

ঠিক তেনেকৈ খেৰ কটাৰ সম্পৰ্কেও গীতত উল্লেখ আছে ঃ

খেৰ কাটং নাকাটং<br>
খেৰ বৰঙা<br>
ভদাই কুছিৰ ছোৱালীৰ<br>
কঁকাল থৰঙা।

ডিমৰীয়াৰ বিল-খাল বোৰ বিহুৰ সময়ত মাৰে। ইয়াৰ পাৰশালি বিলৰ পাৰলৈ আজিও কার্বি ৰজাক সংস্কৃতি ৰক্ষাৰ হেতুকেই ডিমৰীয়া বাসীয়ে 'লালিলাং' বা 'কেঁচা বিহুগীত' গাই আদৰি নিয়ে। তামুলী দোভা, জালিশৰা, বমণী-দুৰণী বিলতো ৰজাই বাচি দিয়া জনজাতীয় গাওঁ সমূহৰ পৰা যোৱা নাচনীয়া দলে বিলত ডিমৰীয়াৰ 'পঞ্চদেৱতা'ৰ নামত তামোল এবটা বিলৰ পানীত পুতিলেহে আন ৰাইজে বিলত জাল, পল' এচাব পেলায়। দুৰনী, বমণী, ইটিলা, ঘগৰা বিলৰ মাছ বিশেষকৈ বৰালি মাছ সোৱাদ বুলি বিল কেইখনৰ সদ নামেই আছিল (অৱশ্যে আজি ঘগৰা, ইটিলা বিলৰ পানী জাগীৰ'ডৰ নগাঁও কাগজ কলৰ পানীয়ে লেতেৰা কৰি পেলাইছে)। ইয়াৰ বিল সমূহ মাৰিবলৈ আজিও পাহাৰ-পর্বতৰ লোকেৰে ভৰি পৰেহি। তালৈ মাছ মাৰিবলৈ অহা গাভৰুক 'ডেকা চাবলৈ অহা ' বুলি খংতোলাই ৰংচাই কোনোবা ডেকাই গায় ঃ

ঐ বাই লেঙা দৈ
তোক লাগে খাচিয়া পৈ।
হয়না নহয় বৰগিৰি
বান্দৰ মাৰা চিকাৰি।

গাভৰুৱেও ডেকাক উত্তৰ দিয়াত কাৰ্পণ্য নকৰি গীতেৰে উত্তৰ দিয়ে এনেকৈ ঃ

দুৱাণী বিলতে আকাহি জাল
নাযাং মই নাযাং মই নকৰং কাল
ঐ নকৰং কাল।

ইমানেই নহয়, ডেকাক গাভৰুৱে সাহস দি কৈছে ঃ

ঘগৰা বিলতে ৰাঘোৰা মাছ
ঐ ৰাঘোৰা মাছ
ঘৰলৈ যাংতে উঠি যাম বাছ
ঐ উঠি যাম বাছ।

আন এটি কাৰ্বি সুৰীয়া অসমীয়া গীতত ডেকাই কৈছে ঃ

টেঙা মেচেতা আই
টেঙা মেচেতা
মাৰ্কাংৱালী গাভৰুৰ
নাক চেপেটা।

গাভৰুও কমজনী নহয়। উত্তৰ দি কৈছে ঃ

সোণাপুৰ বজাৰৰ ভাজা পাপৰ
আই ভাজা পাপৰ
এইটো আপা নালাগে ঐ
চুটি চাপৰ।

এই শ্ৰেনীৰ গীতবোৰত যে অকল ডেকা-গাভৰুৱে ইজনে-সিজনৰ প্ৰতি কৰা কটাক্ষ বা প্ৰেম-প্ৰীতিৰ কথাহে আছে তেনে নহয়, অন্যান্য দিশৰ প্ৰতিও গীত সমূহে সকিয়াই থৈছে। ডাকৰ বচনৰ লেখিয়া দুই-এটি কৃষি নিৰ্দেশনাও এই বোৰত পাও। যেনে—



(১)

কি বস্তু গন্ধাইছে
বাৰীত ৰোৱা আম
বাৰীখন আল ধৰিলে
সদায় খাব পাম

(২)

বা চেনি মালভোগ আঠিয়া কল
চাফা কৰিবি তল
চেনি মালভোগ কল খালে
গাত পাবি বল।

'মামালী-ৰংমালি' নামৰ কাৰ্বি সুৰীয়া অসমীয়া গীত কিছুমান কামৰূপ জিলাৰ চন্দ্ৰপুৰ অঞ্চলত প্ৰচলিত হোৱা দেখা যায়। তাৰে কেইটি মান 'মামালী-ৰংমালি' তুলি দিয়া হ'ল ঃ

(১)

মাজে মাজে দুৰলৈ
মুৰ দাঙি চাং
ৰংমালিকে কিজানি
এপাক দেখাপাং।

(২)

কাৱৰ কান্দে কেলেলেক
গছৰ ওপৰত
ৰংমালিয়ে এৰি গ'ল
মনৰ বেজাৰত।

(৩)

ঐ পঘা বটং নবটং
তিনি গুণীয়া
ৰংমালিৰে অন্তৰ খন
হ'ল ঘূণীয়া।

(৪)

পাছ ফালৰ তামোল ডাল
পাবে পাবে লেখং
ৰংমালিক সপোনত
বাৰে বাৰে দেখং।

(৫)

খামৰেঙা বিলৰে
মাছৰে পৰং
ৰংমালিৰে বেজাৰত
শুকাই মৰং

(গীত কেইটি কাৰ্তিক টুমুঙৰপৰা সংগ্ৰহ)

কাৰ্বি সুৰীয়া গীত সমূহে অসমীয়া ভাষাত ৰচনা কৰাৰ মূলতে একাংশ কাৰ্বি ৰাইজে নিজৰ ভাষাটো হেৰুৱাই পেলোৱাটোৱেই কাৰণ বুলি এচামে ক'ব বিচাৰে যদিও সেই কথা ডিমৰীয়া কাৰ্বি সকলৰ ক্ষেত্ৰত মুঠেও প্ৰযোজ্য নহয়। ইয়াত আজিও কাৰ্বি ভাষাটো বৰ্ত্তিয়েই আছে। আচলতে এই গীতবোৰ ৰচনাৰ মুলতে কাৰ্বি সকলৰ অসমীয়া ভাষাটোৰ প্ৰতি থকা শ্ৰদ্ধা আৰু আগ্ৰহৰ তাগিদাহে বুলিব পাৰি। এই তাগিদাই অসমীয়া গীত সাহিত্যৰেই হিতসাধন কৰানাই, ইয়ে ডিমৰীয়াৰ ভমকাফুলীয়া ৰূপটিও দাঙি ধৰিবলৈ সক্ষম হৈছে। প্ৰবন্ধৰ পৰিশেষত ড° বীৰেন্দ্ৰ নাথ দত্তই গোৱা 'সাত খন সুৰীয়া নৈ গলৰ সাতে সৰি হৈ' ৰ সুৰীয়া গীতটিৰ ভাৱাৰ্থৰ সমৰ্থনতেই আমিও ক'ব পাৰো যে কাৰ্বি চহা কবিয়ে লিখা কাৰ্বি সুৰীয়া অসমীয়া লোকগীত মুঠিও অসমীয়া লোক সংস্কৃতিৰেই একো একোটি মুকুতাৰ মণি।

দৈনিক অসম,১১ ফেব্ৰুৱাৰী ২০০১



# ৰেতকিনং আলুনত কাৰবি সমাজ জীৱনৰ ছবি

জুমখেতি অসমৰ জনজাতীয় লোক সকলে পাহাৰত কৰা খেতি। এই খেতিটোৱে তেওঁলোকক পেটৰ ভাতকেইটি যোগান ধৰাৰ উপৰিও পাহাৰৰ আলু-কচু, তিয়হ-বাঙী, কেৰেলা-কোমোৰা, আদা-হালধি আদিও যোগান ধৰি আহিছে। জুমখেতিটো কাৰবি সকলৰো অতি প্ৰিয় খেতি। পাহাৰৰ বুকুবোৰ কুৰি এই খেতিটো কৰিবলগীয়া হয় কাৰণে কাৰ্বিত ইয়াক 'ৰেতকিনং' বোলে আৰু অনাকাৰ্বি খিনিৰ মুখত ই আৰখেতি বা জুমখেতিৰূপে পৰিচিত। আৰখেতিত গোৱা গীত সমূহেই 'ৰেতকিনং আলুন' বা আৰকোৱা গীত।

চ'ত-বহাগ মাহত পাহাৰৰ হাবি-বন কাটি তাত জুইজ্বলাই চাফ-চিকুণ কৰি লোৱাৰ পিছত গৃহস্থই আৰকুৰিবলৈ ৰাইজক আৰতলীলৈ মাতে। আৰখন তলৰ পৰা ক্ৰমে ওপৰলৈ কুৰি যায়। বীজ ছটিওৱা ব্যক্তি 'ছক্‌কিৰিক' জনে ডেকা-গাভৰুৰ দলটিৰ আগে আগে বিধান লোৱা পাত্ৰ 'ছক্‌চিলি'টোৰ পৰা ধানবোৰ আৰখনত ছটিয়াই যায়।ডেকা গাভৰুৰ দল 'চংখ্ৰাম'টিৰ পিছতে থাকে ঢুলীয়া বা 'চেংবে' জন। দলটিয়ে চেংবে' জনৰ ঢোলৰ ছেৱে ছেৱে তিনি চাবকৈ কোদালৰ চাব মাৰি মাৰি ওপৰলৈ কুৰি যায়। মন কৰিবলগীয়া কথা এয়ে যে চেংবে জনে অকল ঢোলত চাপৰ মাৰিয়েই ক্ষান্ত থাকিব নোৱাৰিব, তেৱেঁই অনৰ্গল গাই যাব লাগিব ৰেতকিনং আলুনৰ মিঠা মিঠা সুৰবোৰ। অৰ্থাৎ চেংবেজনেই আলুন 'আপে'ৰ (গায়কৰ) ভূমিকাও ল'বলগীয়া হয়। 'চেংবে'ৰ পিছতে থাকে বয়সস্থ 'নৰতাপ' দলটি আৰু একেবাৰে শেষত থাকে বন বুটলি যোৱা বয়সস্থ মহিলাৰ দলটি। আৰতলীখন এপাৰি কুৰি হোৱাৰ পিছত মদবিলোৱা গাভৰু হৰকিপিমেনছ' চাৰিজনীৰ দুজনীয়ে 'ছক্‌কিৰিক' আৰু 'চেংবে'ক যাচে মুখৰ আগত 'আলাং আহৰ হৰলাপং' বা পোহন মদৰ চুঙা। তাৰ

পিছত দুজনীয়ে ডেকা-গাভৰুদলক, এজনীয়ে 'নৰতাপ' দলক আৰু আনজনীয়ে মহিলা দলক মদ বিলাই ভাগৰুৱা দেহা শাঁত পেলায়।

জুমখেতিটোৱে পাহাৰ-পৰ্বতৰ অশেষ ক্ষতি কৰিলেও জুমতলীত গোৱা 'ৰেতকিনং আলুন' বোৰ লোক-সাহিত্যৰ অমূল সম্পদ। ইয়াত কাৰ্বি সমাজ জীৱনৰ ছবি এখনেই সুন্দৰ ৰূপত ফুটি উঠা পৰিলক্ষিত হয়। 'আলুন' সমূহত প্ৰকাশ পায় কেতিয়াবা হাঁহি কান্দোনৰ ছবি, কেতিয়াবা প্ৰকাশ পায় প্ৰেম-প্ৰীতিৰ কথা আৰু কেতিয়াবা প্ৰকাশ পায় যুদ্ধ-বিগ্ৰহৰ কথা। এই গীত-মাত খিনিৰ ক্ষেত্ৰতো এটি কথাই ক'ব পৰা যায়— 'ৰেতকিনং আলুন'ত যি নাই সেয়া কাৰ্বি সমাজতেই নাই।

ডিমৰীয়াৰ লোক-সংস্কৃতি কলঙৰ দৰে গভীৰ আৰু গতিশীল, ডুমৰা বা ঢৌমৰা পাহাৰৰ দৰে বিশাল অথচ তেনেই ধীৰ-স্থিৰ। আনহাতে ডিমৰীয়াৰলোক-সংস্কৃতি বুলিলে ক'ব পৰা যায়—তাহানিৰে পৰা ডিমৰীয়া বাসীৰ মাজত পৰম্পৰাগত ভাৱে পালন কৰি অহা নিয়ম-নীতি, আচাৰ-ব্যৱহাৰ, খোৱা লোৱা, পূজা-পাতলৰ বিধি, গীত-মাত, লোক উৎসৱ, লোক বিশ্বাস আদিয়ে ডিমৰীয়াৰ লোক-সংস্কৃতি। ইয়াৰ লোক-সংস্কৃতিত জনজাতীয় প্ৰভাৱেই বেচি, যিহেতু ই এটি জনজাতীয়লোকৰে পৰিবেষ্টিত অঞ্চল। এই ক্ষেত্ৰত নাহেন্দ্ৰ পাদুনে তেওঁৰ 'অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি'ত দিয়া মন্তব্য এষাৰ প্ৰনিধান যোগ্য। তেওঁৰ মতে 'অসমৰ লোক সংস্কৃতিৰ ঘাই ভেটিটো ইয়াৰ থলুৱা জনসমষ্টিৰ লোক-সংস্কৃতি বুলিব পাৰি। এই থলুৱা জনগোষ্ঠীৰ সৰহভাগকে বৰ্তমানে জনজাতি আখ্যা দিয়া হৈছে। সেই বাবেই চমুকৈ অসমৰ লোক-সংস্কৃতিৰ ভেটি জনজাতীয় লোক-সংস্কৃতি বুলিলে নিশ্চয় ভুল কোৱা নহ'ব।' সেয়েহে ডিমৰীয়াৰ ভৈয়াম কাৰ্বি সকলৰ লোক-সংস্কৃতিও অসমৰ লোক-সংস্কৃতিৰ মাজত থাকিয়েই জাকত জিলিকা। তেওঁলোকৰ মাজত প্ৰচলিত গীত-মাত বোৰে ডিমৰীয়াত বাস কৰা কাৰ্বি লোক জীৱনৰ সুৱদি সুৰীয়া পৰম্পৰা এটিৰে বতৰা দিয়ে। এই ৰেতকিনং আলুন বোৰে ডিমৰুৱাৰ মৌখিক ইতিহাসৰো আঁত একোটি ধৰি আহিছে বুলি ক'ব লাগিব। কিয়নো এইবোৰ কাহিনী গীতৰ মাজেৰে আমি জানিব পাৰিছো ডিমৰীয়া কাষৰ খ্ৰীম্ বা খৈৰাম ৰজাৰ লগত হোৱা মাৰ্মে বাংঠৈৰ সেই বিখ্যাত অথচ



অতি কৰুণতাৰে ভৰা ৰণখনৰ কথা, জানিব পাৰিছো ডিমাপুৰৰ লুমজাং পাহাৰৰ পৰা কাৰ্বি সকলে ডিমৰুৱাৰ ইংলংমেকাৰলৈ পলাই অহাৰ কথা। তেনেকৈ ইয়াৰ 'চেনাহৈ আহাট' বা চেনেহৰ বজাৰখনত গাভৰু ছোৱালী বেচা-কিনা হোৱাৰ কথাও জানিব পাৰিছো।

ৰেতকিনং আলুন সমূহ যিকোনো সময়তে গাব নোৱাৰে। কাছমলাৰ নংক্ৰেক গাঁৱৰ বৰবাংঠৈৰ ঘৰত ৰেতকিনং আৰ্ণামটি কৰি উঠাৰ পিছতহে কাৰবি ৰাইজে জুমতলীত ধান সিঁচিব পাৰে। লগতে আৰকোৱা গীতবোৰো গাব পাৰে। কাঠাৰ বা বৰবাংঠে জনে বৰঘৰত পূজাটো কৰি উঠাৰ পিছত ঢোল (চেং) বাঁহী (পংছী) আৰু কাঁহ (সান) আদি বাদ্য-বাজনাবোৰ বৰঘৰৰ মুধৰ বাৰান্দাত স্থাপন কৰেহি। তেতিয়া ঢুলীয়াই ঢোল লয়, আন বোৰেও বাঁহী আৰু কাঁহ বজায়। আলুন আপে জনে কৃষি দেৱতাৰ সন্তুষ্টিৰ কাৰণে গীত গায়। আলুনটি হ'ল—

জালদি ৰালদাম অ'
জালদি ৰাল বহে অ'
দাংকুৰি চিচুম নাং অ'
মাপেআদাংকুৰ অ'
ৱচাংকে বিনাং
ৰাজাককে ৱবং
হানে দাংকুৰ কিচু ম মনাং
ঐ ৱবং চি চুম
দাংকুৰ নাং অ'
মাপে ৰংচিনি অ'
ঐ নামতুংনে কিৱাং অ'
অ' নকিছ আৰবৃক অ'
লমেকপ' আৰৱক অ'
ৰংখৈ কাংৰে কাংৰেছ অ'
হানে ফাৰ্ল চিলাঙ
হানে ফাৰ্ল পাজিম জাম
ঐ ফৰ্লতা মেছ' অ'

ঐ জালদিতা মেছছ' অ'
ঐ ৰংখৈ জাংৰেছ' ঐ
তিংজৰাক দামনে অ' জালদিতা ফাৰলেপ' ব'
জালদিতা ফাৰলেপ নে
লাতা নক্‌পাকতা বিচাৰ নাং
নক্‌পাকতা কাংৰেল অ'
লাতা সমালতা বিচাৰ নাং অ'
ঐ মাপে সমাল ল'
ঐ চাতাৰা আসমাল।
নক্‌পাকতা পাথেপ পম' অ'
লাতা আঙাৰতা কাংৰেল'
ঐ ৰংখৈ জাংৰেছ' অ'
মাপে আঙাৰতা' অ'
অঙাৰতা পিল' অ'
নক্‌পাক্‌তা পাংথেম'
নক্‌পাক্‌তা ৰাংহোঙ
তিংজ' ৰাক দামনাং
জালদি ফাৰলেপ ম'
জালদিতা পাচোক নাং
ঐ ৰংখৈ কাংৰেকছ' অ'
ৰংখৈ দামদেছ' অ'
জালদি পাচোক নাং
অ' অগুনি দামদেত ব'
অগুনি নাংহল'
ঠেংপেতা চেকঙ
ইঠেংপে চেকঙ
ঐতিংজ' ৰাকদামনে
খেতি চানচেব'
আৰজিতা গনেল'



বুতিতা গনেল'
ঐ আৰ্জি গনেকে
তিপিলি জালজাঙ
ফালাং জাল জাঙ
ঠেংপে তলম'
ঠেংলং তলম'
ঐ জালদি কাৰৰপে।[২]

ভাৱাৰ্থ ঃ আমি আৰতলীখন (জালদি) চাবলৈ গ'লো, তাত গছৰ ডাল ফালি গছৰ পাত আৰু কেঁচুমতা মাটি দি চিন থলো, সপোন (ফাৰ্ল) দেখিলো, সপোনত বনদেৱতাই তাত আৰ ল'ব পাৰিম বুলি কৈছে। আৰখন বাৰু ললোৱেই, দা কুঠাৰ পাম ক'ত? কমাৰ বিচাৰিব লাগিব। কমাৰ বাৰু পালোৱেই, এঙাৰ বাৰু পাবি ক'ত? কমাৰে (সমাল) কৈছে সোণাৰু গছৰ এঙাৰেই ভাল। দা-কুঠাৰ পালো, গছ কাটিলো, তাত জুই দিলো, কোৰেৰে এতিয়া তাক কুৰিম তাত ধান ছটিয়াম। ধানবোৰ গজিব, সি খেৰৰ দৰে বাঢ়িব, গছৰ মূঢ়াবোৰ ধানে তল নিয়াব।

'ৰেতকিনং আৰ্নামি'ৰ আন এটি মন কৰিবলগীয়া কথা যে এই পূজাটি পতাৰ পাঁচ দিনৰ আগৰ পৰা প্ৰতিদিনে বৰবাংঠৈৰ গাঁৱৰ ৰাইজে পাহাৰত পহু ডকাবলৈ যায়। পহুপালে মাংসবোৰ শুকুৱাই ৰাখে। সপ্তম দিনাখন সেই মাংসেৰে কৃষি দেৱতাক পূজে, লগতে তাত উপস্থিত থকা আলহী-অতিথিকো খুৱায়।

চহা কবিৰ প্ৰাণৰ প্ৰকাশ এই 'ৰেতকিনং আলুন'বোৰত একো একোটি কাহিনী লুকাই আছে। আচলতে এই গীতবোৰ একো একোটি মালিতা বা কাহিনী গীতৰ সমষ্টি। এই কাহিনীবোৰত ডিমৰীয়া অঞ্চলৰো কাহিনী লুকাই আছে হেতুকে, কাহিনীৰ মাজে মাজে সেয়েহে আমি এই অঞ্চলৰ নৈ-নিজৰা, পাহাৰ-পৰ্বতৰ কথাও উল্লেখ পাওঁ।

কছাৰী ৰজাৰ খেদাখাই কাৰ্বি সকল কেনেকৈ ডিমাপুৰৰ 'লুমজাং' বা 'লাংপি'ৰ পৰা পলাই আহিবলগীয়াত পৰিছিল বা কপিলী পাৰ হৈ অনেক বিপদ-বিঘিনিৰ মাজেৰে ডিমৰীয়াৰ (ঐতিহাসিক নাম ডিমৰুৱা) 'ইংলং মেকাৰ'ত (জুইশিখা পৰ্বতত) থিতাপি লাগিছিল তাৰ বৰ্ণনাও

আৰতলীৰ এই গীতবোৰৰ মাজেৰে পাও। কাৰ্বি সকল পলাই আহিব লগীয়াত পৰিছিল কছাৰী ৰজাৰ বাঘৰ পোৱালিটিক খোৱাবলৈ কাৰ্বি বীৰাংগনা ৰংফাৰপীৰ বুকুৰ গাখীৰ খিৰাই নিবলৈ আহোতে। ৰংফাৰপীয়ে খৰি ফালি থকা কুঠাৰখনেৰে গাখীৰখিৰাব খোজা কৰ্মচাৰী (ক্লেংদুন) জনৰ মুৰ দুফাল কৰি দিছিল। ইংলং মেকাৰ গীতটিৰ এয়া এছোৱা—

ইংলং মেকাৰপে লংজন
আচন আকুৰি আফ্রাং
পিৰ্থে আকিমি পাচিপে
ডুমুৰা আদাক কিছাং
টুমুং ফুচুংপে লাতাং
আচন আতৰন কিৰাং
আচন লাছি নাংকি পাম।[৩]

'ইংলং মেকাৰৰ বুকুৰে বৈ গৈছে আম্‌প্ৰী নামৰ এখনী সৰু নৈ। তাই হেনো কপিলীৰ বৰ জীয়ৰী। আম্‌প্ৰীৰ সিপাৰত 'খ্ৰীম' বা খাচীয়া ৰাজ্য আৰু ইপাৰত আছিল 'ডিমৰুৱা' ৰাজ্য। এদিন মৰ্মাইৰ বৰকোঁৱৰৰ লগত খাচীয়া ৰজা থেলুলংফ্লাঙৰ মাজত ৰণ এখন লাগে। দুজন ৰজাৰ লগত লগা যুদ্ধ খনৰ কথা 'থেলুলংফ্লাং' নামৰ ৰেতকিনং আলুনটিত সুন্দৰকৈ প্ৰকাশ হৈছে। গীতটিৰ মাৰ্মে বাংঠেয়ে খ্ৰীম্ ৰজাৰ প্ৰজাসকলক ডিমৰুৱা (ডুমৰা) ৰাজ্যৰ 'গাহনচখৰা' দেখুওৱা হ'ব, বিনা পইচাত 'লপুলপুল কাছাৰাং' বা বিড়ি চিগাৰেট বিতৰণ কৰা হ'ব বুলি লোভ দেখুৱাই মাণিকপুৰ পাহাৰৰ সমতল ভূমিলৈ (লংক্লাম) মাতি আনি নৃশংসভাৱে হত্যা কৰাৰ কাহিনী বৰ্ণোৱা হৈছে। উল্লেখযোগ্য যে এই ৰণত হেনো 'ৱাল' আৰু 'চিং' নামৰ ডিমৰুৱাৰ দুজন বীৰেও মাৰ্মে বাংঠেক সহায় কৰিছিলগৈ। গীতটিত উল্লেখ পাও—

লাংহে আদে অহৈ আদে বা লাংহে আদে অহৈৱা
ডুমুৰা লুংলে পাৰা গাহন চকৰা হেল, লকাই
লাছি বৰ বৰ চনে কিলাংমে তাং।
মাৰ্মে বাছৰং কে দামঅংতা হেংহে অং
পুমান লাছি বৰবৰ চনে কাহল' হে।



নংফলাং থাৱাংপ' লকাই কামাই চানচেদ'
লাছি মাণিকপুৰ লংক্লাম হে।
কামাই চানচেনে আলং লকাই লপুলপুল কাছাৰাংদ'
লাছি মাণিকপুৰ লংক্লাম লং।
মাণিকপুৰ লংক্লাম লকাই দেউলযাত্ৰা দ'হে
লাছি উলাংগৰ চানচে দ'হে।
লংফালাং ঠাৱাংপ' লকাই কামাই চামফ্ৰুদাং
পুমান লাছি নাং আৰফি ৱৰেলহে।
নাং আৰফি ৱ'ৰেল ঠাৱাং বা মুমু কিথল দ'
লাছি ৰংমাৰ্মেআছ'হে।
নংফলাং ঠাৱাং পুমান মাপে নংফলাং পুমান
লাছি থেলু লংফলাংহে
থেলু লংফলাং প' লকাই লাছি জু প্ৰাণ নাং এন-ন'
পুমান লাছি ৰংমাৰ্মে আছ'হে।

সপাতি ৰজাজন বৰ এলেহুৱা আৰু ঘূৰিফুৰা স্বভাৱৰ আছিল। ধনেশ পক্ষীয়ে (ৱতাৰাং) যেনেকৈ আজি ইডাল ভেলৌ গছত, কালি সিডাল ভেলৌ গছত বাহ সাজি ফুৰে, তেনেকৈ সপাতি ৰজায়ো আজি ডিমৰুৱা ৰাজ্যত, কালি খৈৰাম বা টেঘেৰীয়া ৰাজ্যত অনাই-বনাই ঘূৰি ফুৰিছিল। সেইজন সপাতি ৰজাই কিন্তু এই কেইখন ৰাজ্যৰ ধন-সম্পতিৰো ভাগ বিচাৰিছিল। ধনেশ পক্ষীৰ উল্লেখ থকা 'আলুন'টি হ'ল—

অ' সপাতিৰেছ' পুমান আহনৰাং কিছাংলকাই
অ' সপাতি ৰেচ' প'
অ' ডুমুৰা ৰেচ'পেন কৰ্তেচিপুল' পুতাং
অ' সপাতি ৰেচ'কে
অ' সপাতি ৰেচ' মাপে গনেদ' লকাই
পে ডুমুৰা আদাকহে
মাপে গনেদ' লকাই
অ' সপাতি ৰেচ'
পুমান লাছি চেৰছ'ছি গনেদ'

ৰতাৰাং ৰ'ৰচাংপ' পুমান কিচ' কাংকহাম পুল'
অ' সপাতি ৰেচ' আয়ক।
চেৰছ'নে ৰাংগনে মান্‌তা চেৰছ'তা হংহেল' হে
পেডুমুৰা আদাক কে।
অ' ডুমুৰাৰেচ'কে চেৰছ'তা পিপেল' লকাই
চেৰচতা পিপেল'হে।
অ' ডুমুৰা আদাক পুমান চেৰছ' হংহিয়ঙবা
অ' সপাতি ৰেচ' প'।[৫]

আগতে উল্লেখ কৰি অহাই হৈছে যে 'ৰেতকিনং আলুন'বোৰ চহা কবিৰ প্ৰাণৰ প্ৰকাশ। ইবোৰত ৰং-ৰহস্যৰ কথা যেনেকৈ আছে তেনেকৈ হা-হুমুনিয়াহেৰেও গীতবোৰ ভৰি আছে। 'ফাক্কৰ দেবেৰা' ৰেতকিনং আলুনৰ কাহিনীত সেই করুণতাই ফুটি উঠা দেখিবলৈ পোৱা যায়। কলংপুৰৰ ঘাতমাউৰা ল'ৰাজনক কাছমলাৰ নংক্ৰেক গাঁৱৰ মোমায়েকজনে ছোৱালী দিমবুলি ফুচুলাই আনে এনেকৈ 'অ' বাপা হানজাং, ক্ৰোৰ মা-দেউতাৰাই তোক মাখিয়ে কণী পৰা লেখিয়াকৈ কণী পাৰি থৈ গুচি গ'ল, তই ঘাটমাউৰা হলি, তোক আল-পৈচান ধৰিবলৈ কোনো নাই। তই মোৰ নিজা বাইৰ চনা (ল'ৰা), আমি একেগছৰ গুটি (ফানচিনে আছ')। সেয়েহে মই তোক কাকো নিদিও, দেহেনকো (কিচে) নিদিও, খাচীয়াকো (চমাং) নিদিও; তোক মই নিজৰ হাতৰ মুঠিত ৰাখি ডাঙৰ-দীঘল কৰিম। তই এতিয়া মোৰ ঘৰত গৰু চাৰিবি, চনা বকালী লবি। তই ডেকা হ'লে মোৰ ছোৱালীজনীকে তোক বিয়াদিম।' (মোমায়েকৰ ছোৱালী কাৰ্বি সমাজত বিয়া কৰাব পাৰে)। পিছে, সময়ত কোনো এজনীয়ে তাৰ লগত বিয়াত বহিব মন নকৰি আনলৈকেহে পলাই গ'ল। হানজাং' বুলি মৰমেৰে মাতি 'বেনজাং' বুলি নিন্দালে। তাৰ মাত্ৰ ঘৰ জোঁৱাই নামটিহে থাকিল, সঁচা জোঁৱাই হ'লে হ'বলৈ নাপালে। তাতে ডেকাজনে মৰি যোৱাৰ সমান লাজ পালে। এদিন সি তাৰ কুৰিবলৈ বাকী থকা আৰখনলৈ ৰাইজক মাতি নি নিজেই ঢোল বজাই গীত গাবলৈ ধৰিলে। সেই গীতবোৰত মোমায়েকে তাক ছোৱালী দিম বুলি ফুচুলাই আনি কেনেকৈ ঠগিলে তাৰেই কাহিনী বৰ্ণাবলৈ ধৰিলে। এটা সময়ত



গীত গাই গাই ডেকাজন জুমতলীতে ঢলি পৰিল। জুমতলী কাঁহপৰি জীণ গ'ল। করুণতাৰে ভৰা গীতটি এনেকুৱা—

অ' নাংৰিপে এজাং নাংৰপ' হানজাং
ইংথানবাদী হৌ বুতুবাদী হৌ
নাং পাংদাক দাম'নাং পাক্ৰিদাম' তেমানাং
নাংবাদী হানজাং বা ছ' নাংছ' জাংৰে চাঙ
পাজাংৰে দল' তেমানাং
নাংবাদী হানজাং নাংপে কাংৰেল'
নাংপ' কাংৰেল' তেমানাং
নুছ কাংৰেল' হক কাংৰেল'
পাজাংৰে চাঙ তেমানাং
নাংবাদী হাংজাং তেনাং অছ'বকালী
ওন পাৰাকে ছৰংখোখ্ৰে ওন পাৰাকে
নুছতা অলেল' হলকতা অলেল'
ফাক্কৰ দেবেৰা হেম আছ' তেমানাং
নাংবাদী হানজাংতে পাজাংৰে চাংমান
কিচে পাহ্লেংহে তেমানাং
চমাং পাহ্লেং হে নাংবাদী হানজাংছ'
নেৰী মুঠি আছ' নে হানজাং আছ'
কিচে পাহ্লেং হে তেমা পা
পাজাংৰে চাংমান্‌তা নাংবাদী
হানজাংছ' তেবা নাংপাতি এল এলি তেমা।[৬]

বেলি বহিবৰ সময়ত 'চেংৰে'ই জমুতলীৰ সামৰণিৰ 'ম'কিৰেপ আলুন' নামৰ গীতটি গায়। গীতটি গোৱাৰ লগে লগে বুজিব লাগিব যে সিদিনাৰ কাৰণে আৰতলীৰ কাম সামৰণি পৰিল। উচ্ছ্বাসেৰে ভৰা গীতত পাওঁ—

লাংহেৰাক অহৈ ৰাদে এহেৰা এ হাই হাই
থেৰে আকামেম্মাৰ লকাই চাংপুম আকুৰি মাৰ
ৰাংতাক ৰাংহাৰ লাঙত লকাই ৰাহং চিংবেৰ'হে।

লাছি হেমফু আৰ্ণামকে লকাই জৰলাং পাংদাঙহে।
জৰলাং পাংদাঙ তেমা লাছি জৰলাং পাহ্লেল' হে।
আৰ' লাংহেৰাক্ অহৈৰাদে হুৰচৌ হুৰলাং হাই হাই
অ' চাংপুম আকুৰি চমাৰ অ'থেৰে আকমেমমাৰ
ৰাত্থল ৰ'লংকমহেল লকাই ৰেমৰু ইংজাৰ'হে।
ৰাত্থল ৰ'লংকমৰাদী লকাই ম'তা ৰাং কমত্‌ত'
নাংথিয়ক নাংতুম লকাই ত'ৰাং উজাৰনত্‌ত'
ৰাহংপে চিংবেল' লকাই লাছি বল ফাৰাং ৰাংপিনত্‌ত'।
লাছি হেনজাক হামওক ৰাংতুন দ' লকাই
আৰ্‌তিপেন হাৰমল তাং।
কাম্পী কুজুৰুকপ' মেচাং কুজুৰুকপ' লাংদেই লাংদেই হুৰচৌ।

ভাবাৰ্থঃ ডেকা গাভৰু সকল, সোনকালে কোৰ মাৰ। তহঁতৰ কাৰণে গৃহস্থই মদবনাই খুৱাইছে। বেলি ডুবিব এতিয়া। পথাৰত চৰিফুৰা বগলিবোৰ (ৰ'লংকম) নিজৰ নিজৰ বাহলৈ ঘূৰি যাবলৈ ধৰিছে। গৃহস্থই ঘৰতো তহঁতৰ কাৰণে কচু (হেনজাক), বাহঁৰ গাজ (হামওক) আৰু আমলখি (আৰ্‌তি) আঞ্জা ৰান্ধি থৈছে। সেয়েহে ডেকা সকল, গাভৰু সকল খৰকৈ কোৰ মাৰ।

আৰখন কুৰিহোৱাৰ পিছত বুঢ়া-মেথা, ডেকা-গাভৰু আটায়ে জিৰণি লয়। তেতিয়া 'চেংবে' জনক মদৰ লাউ দুটা (হৰবংহিনি), দুবটা তামোল পাণ (আৰকেং বটা হিনি) দি সেৱা কৰে। কাৰণ আটায় চেংবে' জনৰ গীত-মাতবোৰ ধৰি যাওঁতে ভুল ভ্ৰান্তি হৈছিলেই কিজানিবা! তেতিয়া 'চেংবে' আৰু বয়সস্থ সকলে ডেকা দলৰ পৰা এজন ডেকা আৰু গাভৰু সকলৰ পৰা এজনী গাভৰু (একেকুলৰ হ'ব নালাগিব) মাতি আনি মিছা-মিছিকৈ দৰা-কন্যাৰ সম্বন্ধ দেখুৱায় আৰু দায়-দণ্ড বিচাৰে। ডেকা-গাভৰুৰ দায়-দণ্ড মাৰিবলৈ ডেকা সকলে কেচুঁমতাকে (হিকলংতাক) গাহৰি বনাই 'চেংবে' আৰু ছাৰপ' (মুখিয়াল) সকলক দিয়েহি। ৰাইজে ডেকা-গাভৰুৰ মংগল কামনা কৰি মন্ত্ৰমাতি কেচুঁমতাৰ গাহৰিটো কাটি আটাইকে ভগাই দিয়ে। ইয়াৰ পিছত আটায়ে গীত গাই গাই জুমতলীৰ পৰা নামি আহে। বাট দুৰ হ'লে বাটতে এবাৰ জিৰণি লয় আৰু মদ একলহ খায়। ইয়াতো



অন্যান্য গীত-পদ গায়। গৃহস্থৰঘৰ পালে ডেকাসকলে চোঁতালতে 'ৰেতকিনং আলুন' গাই এজাউৰি নাচে। ইয়াত গাভৰুসকলে অংশ নলয়। গধূলি গৃহস্থৰ ঘৰত ভাত মুঠি শাকে-পাতে খাই উঠাৰ পিছতহে আৰকোৱা কাৰ্য্যৰ সামৰণি পৰে। এটি কথা বিশেষ ভাৱে তাৎপৰ্য্যপূৰ্ণ যে ৰহাদাৰি 'চিৰনেপে'তহে ডেকা-গাভৰুক ভাত খুৱাব লাগে, সৰু সাউৰি চিৰনেছ'ত খুৱাব নালাগে। আকৌ, বৰ সাউৰিতহে ডেকা-গাভৰুৱে একেলগে আৰ কোৰে, সৰু সাউৰিত নোকোৰে। বৰসাউৰিত ডেকা-বুঢ়া আটায়ে গামোচা পিন্ধিব লাগে আৰু গাত ফালি ল'ব লাগে।

গতিশীলতাৰ বোকোচাত উঠি সময়ে আজি বাগৰ সলালে। আজিৰ দিনত গছ-বন কাটি আৰখেতি কৰাটো এটি সুচল ব্যৱস্থা বুলি ক'ব পৰা নাযায়। জুমখেতি কৰাটো যেন আজি তেনেই দোষণীয় কথা হৈ পৰিল। এই ক্ষেত্ৰত আমি কিছু বিনম্ৰতাৰে এটি কথা স্বীকাৰ কৰি থ'ব লাগিব যে বনধ্বংসী ৰূপত কাৰ্বি সকলক সজাবলৈ গৈ 'এজন কাৰ্বিৰ জন্মত সাতখন পাহাৰে কান্দে' বুলি যিমানেই কটাক্ষ নকৰক লাগিলে, তেওঁলোকৰ হাতৰ মুঠিত জমুখেতিৰ সমপৰ্য্যায়ৰ বিকল্প খেতি এটি তুলি দিব পাৰিলেহে বনধ্বংসী জুমখেতিৰ চাহিদা ক্ৰমে ক্ৰমে কমি আহিবলৈ ধৰিব। এনে কিছুমান সময় সাপেক্ষ বাস্তৱতাক মানি ল'বলৈ বাধ্যহোৱাৰ কাৰণতেই হয়তো 'ৰেতকিনং আলুন'ৰ ধাৰাবাহিকতাও আজি ভালেখিনি কমি আহিব পাৰে। সেয়েহে এই মুহূৰ্তত কোৰ, কোদাল, ধান, দিংঘৰ (হেমতাক), ঢোল আদিকে ৰেত কিনঙৰ প্ৰতীক হিচাপে কল্পনা কৰি হ'লেও জাতি এটিৰ গৌৰৱ বহন কৰি অহা লোক কৃষ্টি এটিক জীয়াই ৰখাৰ ব্যৱস্থা বুঢ়া-মেথাৰ লগতে ডেকা-গাভৰু (ৰিছ'-মেনছ') সকলেও কৰিব লাগিব। তেনে এটি ব্যৱস্থাৰে আগবাঢ়িব পাৰিলেহে 'ৰেতকিনং আলুন' সমূহক লোক-সংস্কৃতিৰ বুকুত জিলিকাই ৰাখিব পৰা যাব। সেই একেখিনি তৎপৰতাই ডিমৰীয়াৰ 'ৰেতকিনং আলুন' খিনিতো প্ৰয়োজন হ'ব।

১। ভৱেনক্ৰ আৰু লক্ষ্মী ৰহাঙৰ পৰা তথ্য সংগ্ৰহ। গাঁও— কাছমলা।
২। উবেৰ ৰংহাং, মাইনৰ ৰংহাং, শুক্লেশ্বৰ বে, লক্ষ্মী ৰহাং আৰু হেমন্ত ইংতিৰ মুখৰ পৰা সংগ্ৰহ। গাঁও— কাছমলা।

৩। পোহৰ টেৰণ, উজান ৰংচনৰ মুখৰ পৰা সংগ্ৰহ। গাঁও— বাৰকাছৰং
৪। ৺ৰঘুটেৰণ, ৺লক্ষেশ্বৰ টেৰণৰ মুখৰ পৰা সংগ্ৰহ। গাঁও— পেচামচুৰু
৫। মুকুল ইংতিৰ মুখৰ পৰা। গাঁও— বৰবিতলী
৬। মাইনৰ ৰংহাঙৰ মুখৰ পৰা।
৭। মুকুল ইংতিৰ মুখৰ পৰা সংগ্ৰহ। গাঁও— বৰবিতলী



# কাৰ্বি পৰম্পৰাত আঘোণ

পাহাৰত কৰা জুম বা আৰখেতিটোৱে (ৰেতকিনং) কাৰ্বি কৃষি পৰম্পৰাত যেনেকৈ সুকীয়া আসন এখন গ্ৰহণ কৰি আহিছে, তেনেকৈ পথাৰ কোডালি কৰা শালিখেতি (বিথাৰ কিতাক) টোৱেও কাৰ্বি লোক-সংস্কৃতিৰেই ভালেমান কথা কয়। আনহাতে আঘোণত পতা কাৰ্বি কৃষি উৎসৱ সমূহেও কাৰ্বিৰ বহুৰঙী সংস্কৃতিৰ বতৰাকেই কঢ়িয়াই। আকৌ, জুমতলীত গোৱা গীত 'ৰেতকিনং আলুন' বোৰ যেনেকৈ একো একোটি কাহিনী গীত বা মালিতাৰ সমষ্টি, তেনেকৈ 'পথাৰ কিতাক' বা আঘোণৰ কৃষি উৎসৱত গোৱা 'আলুন' (গীত) বোৰেও একো একোটি জন কাহিনীকে কোৱা পলিক্ষিত হয়। আজিৰ আমাৰ প্ৰৱন্ধটিত মাথোন আঘোণত পতা কৃষি পৰম্পৰাৰ কেইটিমান উৎসৱৰ কথাহে কবলৈ প্ৰয়াস কৰা হৈছে।

কাবি সকলৰ লোক বিশ্বাস মতে পৃথিৱীত ধান খেটিটো আদৰি আনিছিল এজনী 'আকালাং' বা অকুমাৰী ছোৱালীয়েহে। এদিন মাক-বাপেকৰ লগত ভৈয়ামৰ মাছমৰীয়া এজনৰ ঘৰলৈ আলহী হিচাপে যাওঁতে সৰু ছোৱালী জনীয়ে ঘৰৰ বাৰাণ্ডাৰ চালিত এশীহা ধানৰ থোক খুচি থোৱা দেখে। সেই ধানৰ শীহটো মাছমৰীয়া জনে সখিয়েকহঁতক খুৱাবলৈ বিলত মাছ মাৰিবলৈ যাওঁতে পানীত ভাঁহি থকা দেখি তাক ঘৰলৈ বুটলি লৈ আনিছিল। সৰু ছোৱালী জনীয়ে মাক-বাপেকক সেই ধানৰ থোকটোকে আনিবলৈ বাৰে বাৰে কুতুৰি থকাত তাঁৰেয়েকে তাইক সেইখিনি দি পঠিয়ালে। ঘৰলৈ আনি তাই সেইখিনি পানীপচাত সিঁচি থ'লে। সময়ত তাৰ পৰা গছ হৈ তাত গুটি ধৰি পকিল। পকাধান কেইটিৰ পৰা চাউল উলিয়াই ভাত ৰান্ধি প্ৰথমতে ঘৰৰ কুকুৰা চৰাই আৰু কুকুৰ কেইটাক খাবলৈ দিলে। ভাত খাই সিহঁত নমৰিল, নোদোকাহে হ'ল। তাৰ পিছত মানুহে খাবলৈ ধৰিলে। এনেকৈয়ে পৃথিৱীত ধানৰ সৃষ্টি হ'ল। 'হাৰ্চেপ দনছৰ' নামৰ কাহিনী গীত এটিত ইয়াৰ সুন্দৰ বৰ্ণনা পোৱা যায়।

গীতটিৰ এফাকি এনেকুৱা—

হাৰ্চেপ' দনছৰ লকাই মিনিহেন আদিনকে
আহনৱাং কিছাংহে।
মায়াক চি চিয়ক মা লকাই আহন ৱাং চিছাঙ।
আই ঐ মাপেচি গনেদ' লকাই হাৰ্চেপ' দনছৰ।
ৰেহচি গনেদ' লাছি হাৰ্চেপ দনছৰ পুমান
লাছি লেজাং আমাৰাং ৰেমৰু ৱাংচাংদ'
হাৰ্চেপ' দনছৰ পেন লেজাং আমাৰাং লকাই সখি চিবিয়েতাং।
লেজাং আমাৰাং পেন হাৰ্চেপ' দনছৰ লকাই সখি চিবিল' পুল'।
হাৰ্চেপ' দনছৰ লকাই লেজাং আমাৰাং পেন আখইত ৱাংবিল পুল'।
লেজাং আমাৰাং লকাই আখইতপ' ৰেমৰু লাছি দনৰাতছ' দাম ম'পুল।

দনৰাতছ দামকে লকাই লেজাংনে চেৰং ছ'কে
কংহেৰনে কংহেৰ কিপো
কংহেৰনে কংহেন লকাই লাছি লেজাং নে চেৰ্বং ক'ক
হাৰ্চেপ' দনছৰ লকাই লাংলং কিহং আবাবছ' লকাই
আখইতপ' আছ'পে আৰিদেং পিল'।
আৰিদেং কিপি আফেল লেজাংনে চেৰ্বংছ' লকাই
আমেক জাংছিতন'।
লেজাং আমাৰাংয়ক ফালমুলুক থানছি লকাই
মানহত্কাৰ তিকিল'।
মানহতকাৰ কিপি আফেল ছক্ আৰ্ং ৱাং লকাই
হিক আয়ক পাছ ল'।
হিককিচ' আফেল মুনুচিকিচ' চিৰন ন' লকাই
লাছি মিনিহক আৰ্লেং ছ'পল'।[১]

সেয়েহে বোধহয় আজিও ভৈয়ামৰ কাৰ্বি সকলে (বিশেষকৈ ডিমৰীয়াৰ কাৰ্বি সকলৰ দুই এখন গাঁৱত) আঘোণৰ পথাৰত নমাৰ আগমুহূৰ্ততে 'মনুকিএন' নামৰ লক্ষ্মীপূজা এটি কৰা দেখা যায়। ইয়াতো অকুমাৰী ছোৱালী এজনীয়েই মুখ্য ভূমিকা গ্ৰহণ কৰিবলগীয়া হয়। পূজাৰ



আগদিনাখন ধানৰ টোপোলা এটা বা গুটিধান কিছু পানীৰ দোভাত (দঠাইত) পেলাই থৈ আহে। পিছদিনাখন নতুন সাজ-পাৰ পিন্ধি সৰু ছোৱালী এজনীয়ে দোণ এটিত নতুন কাপোৰ লৈ নিজৰাটিৰ পাৰত থিয় হৈ থাকেগৈ। 'কাঠাৰ' জনে (পুজাৰী) পূজা সেৱা কৰি নিজৰাত ডুব মাৰি ধানৰ টোপোলাটি বা ধানবোৰ বালিৰে সৈতে পাৰলৈ তুলি আনি ছোৱালী জনীয়ে মূৰত লৈ থকা দোণটিত মন্ত্ৰ মাতি স্থাপন কৰে আৰু ওচৰৰে শিল এচটাত ছাগলী এটা কাটি লক্ষ্মীদেৱীৰ নামত আগবঢ়ায়। তাৰ পিছত 'আহন আপংছী' নামৰ বাঁহী আৰু দলৌবাঁহৰ দীঘল চুঙাৰে মাটিত খুন্দিয়াই ঢোংঢোংকৈ ঢোলৰ নিচিনা শব্দ উলিয়াই ছোৱালীজনীৰ আগত নাচি-বাগি 'দেহাল' (দেওশাল) থানলৈ আনে। গধূলি তাত গাভৰু ছোৱালীয়ে মূৰত ওৰণি লৈ লৈ নাচে। এই নৃত্যক 'আমে মৈ কিকান' আৰু ইয়াত গোৱা গীত সমূহক 'আমে মৈ কিকান আলুন' বোলে। গীত সমূহত ধানৰ বৰ্ণনা কৰাৰ লগতে 'আকালাং' ছোৱালীবোৰ যে লক্ষ্মী সদৃশ তাৰো বৰ্ণনা কৰিছে। তেনে এটি গীত হ'ল—

আমে মৈ আমে মৈ
অ' মৈ মৈ..............।
টাৰ্মে আচিংজে আচিংজে
অ' মৈ মৈ..............।
ক্লিৰ্মে আকুৰি আকুৰি
অ' মৈ মৈ..............।
ক্লিৰ্মে আকুৰি আকুৰি চাকেদি
নাং চৰনাম কি-জ নেকি-জ পুমান
অ' মৈ মৈ................।
নাংচৰনাম কি-জ পুমান দি লাছি
টাৰমে আচিংজে পুমানতাং লাছি
ঐ মৈ মৈ আমে মৈ।[২]

ভাবাৰ্থ ঃ ভনীজনী, ককায়েকলৈ মনমেলিব নাপায় নহয়। তই লখিমী সদৃশ, কিয়নো তয়েই প্ৰথমতে জলৰ পৰা থললৈ লক্ষ্মীক আদৰি আনিছিলি।

আঘোণত যেতিয়া ধানবোৰ পকি উঠে, তেতিয়া পালন কৰা হয় 'চক্আলন কিৱান' বা 'চকআগ, কিৱান' (ধানৰ আগঅনা) উৎসৱ। এই কার্যখিনিও অকুমাৰী ছোৱালী এজনীয়ে সমাধা কৰা দেখা যায়। বোৱাৰী পুৱাতে নতুন সাজ-পাৰ পিন্ধি ঘৰৰ মুখিয়াল জনৰ সৈতে ছোৱালীজনী পকাধানৰ পথাৰলৈ যায়। প্ৰথম ধানৰগছ লোৱা ঠাইৰ পৰা কোনো কোনোৱে তিনিগছা আৰু কোনো কোনোৱে পাঁচ গছা ধান কাটে। কাঁচিখন ধুই-পখালি নিয়ে। ছোৱালীজনীয়ে ধানকেই গছা বাওঁ হাতেৰেহে কাটিব লাগে। ধানকেইগছা কটাৰ আগমুহূৰ্তত ঘৰৰ মুখিয়াল জনে বা কাঠাৰ জনে 'আতাম-পাতাম' (শ্লোক-মন্ত্ৰ)' গায় এনেকৈ—

তে হেম হেম হেম
তে নাং থলগিৰি নাং জলগিৰি
তে মনন বাদিচি চমে ৱাংফি চু-মে ৱাং প্লাং।
তে হালি চুমচা আছ'তা, চুমচি আছ'তা
কুৰমে নাং পাদ দাৰমে নাং পাদ
তেহালি কুৰমে নাং পাদআফেল
দাৰমে নাং পাদ আফেল।
দাৰমে নাং পাদ আফেল।
আল নাং এন'
পচন নাং এন'।
আৰ'— চেৰ আনককে পেন ৰূপা আনককে পেন
চেৰ নক্কে নাং পাজিৰব'
ৰূপা নক্কে নাং পাজিৰব'
চেৰ আহপেন, ৰূপা আহপেন
ফুনাং এনচি, ফাং নাং এনচি
নুমপে আকাংৰি, নুমপাক আকাংৰি
মান আথে আয়ক, হত্কাৰ আথে আয়ক
তেহেম হেম হেম, কোঁৰে কোঁৰে কোঁৰে।[৩]

ভাৱাৰ্থঃ হে লক্ষ্মী আই, তোমাক জলৰ পৰা আনি থলত থাপিলো। তুমি ধান হৈ গজিলা, থোৰ মেলি পকিলা। আমি সোণৰ কাঁচিৰে, ৰূপৰ



কাঁচিৰে কাটিলো। সোণৰ দোণত, ৰূপৰ দোণত ভৰাই নতুন কাপোৰেৰে ঢাকি লৈ যামগৈ। তোমাক মান-সৎকাৰ কৰিমগৈ।

ইয়াৰ পিছত দোণটো আগলতি কলপাতত 'ৱানকুক আকিমি'ৰে (নতুন কাপোৰেৰে) ঢাকি আনি বৰঘৰৰ বৰখুঁটাৰ (চক্আলন কিৱান নুমপে) কাষত থয়হি। তাৰ পিছত ঘৰৰ গৃহস্থই বা কেতিয়াবা গাঁৱৰ বুঢ়াজনক (ৰং ছাৰপ') মাতি আনি লক্ষ্মী পূজা কৰে। পূজাৰ নামত হাঁহ কাটে। কিছুমানে বগা মাইকী কুকুৰা কাটে।তাৰ পিছত কাটি অনা ধান কেইগছা 'বৰফালাং' বৰঙাখেৰেৰে বৰখুঁটাত বান্ধি থয়। পূজাত মদ-ভাতৰ লগতে পিঠাগুৰিৰ ব্যৱহাৰ তেনেই অপৰিহাৰ্য্য। পূজাৰীজনে পঞ্চদেৱতালৈকো মদ-ভাত আগবঢ়ায়। আন এটি মন কৰিবলগীয়া কথা এয়ে যে আঘোণৰ এই কৃষি উৎসৱবোৰ পতাৰ আগমুহূৰ্তত প্ৰতিঘৰ কাৰ্বি গৃহস্থই কাঠাৰ জনৰ হতুৱাই কাৰ্বি পৰম্পৰাৰে 'বীৰকিলুত' মাতি নিজৰা বা দোঙৰ পাৰত গৈ শুচি হ'ব লাগে।

কাঠাৰ জনৰ স্থান কাৰবি সমাজত মন কৰিবলগীয়া। তেওঁ তেওঁৰ পথাৰত ধান কাটিবলৈ গাঁৱৰ ৰাইজক নিমন্ত্ৰণ কৰিব পাৰে। ধান কটাৰ আগে আগে তেওঁ লক্ষ্মী আইৰ নামত পূজা এভাগ কৰি ধানৰ আগ আনিব যোৱাত গোৱা 'আতাম-পাতাম' বোৰকে গায়। তেওঁ শ্লোক-মন্ত্ৰবোৰ মাতি উঠাৰ পিছত পথাৰত গোটখোৱা ৰাইজে সেৱা একোটি কৰি ধান কাটিবলৈ আৰম্ভ কৰে। কাঠাৰজনৰ পথাৰতেই কেতিয়াবা ৰাইজে বিজুলীবাঁহ একোজাৰ ৰুই লয়। কাৰ্বি সমাজে বিজুলীবাঁহক লক্ষ্মীবাঁহ হিচাপে মানি আহিছে। ই প্ৰজননৰো প্ৰতীক। এই লক্ষ্মীবাঁহ জোপাৰ চাৰিওফালে ৰোৱা ধানখিনি কাঠাৰজনে গৰখীয়া আৰু ডেকা-গাভৰু সকলৰ নামত উছৰ্গা কৰে। সেয়েহে এই ধানখিনি ডেকা-গাভৰু, গৰখীয়াই গীত গাই গাই কাটে। কটা হোৱাৰ পিছত ধানৰ মুঠিবোৰ বিজুলী বাঁহজোপাৰ আগলৈ দলিয়ায় আৰু অহা বছৰো খেতি পথাৰ ধান খেতিৰে উভৈনদী হোৱাৰ কামনা কৰে। তাৰ পিছত তললৈ সৰি পৰা মুঠিবোৰ গোটাই আনি সেইবোৰ ভৰিৰে মাৰি এটা অংশ আঁখে ভাজি বা পিঠাগুৰি খুন্দি পিঠা-পনা বনাই খায় আৰু এটা অংশ 'খোক্খ্ৰেদেহাল' (গৰখীয়া দেওশাল) পূজালৈ ৰাখে। তাতো লক্ষ্মী

সম্বন্ধীয় গীত-মাতকে পৰিৱেশন কৰে। আঘোণৰ এই উৎসৱটিক 'যাঠী কিৱাৰ' বোলে।

কাৰ্বি সকলেও 'ধানেই লক্ষ্মী' বা 'ধানেই ধন' বুলি বিশ্বাস কৰি অহাৰ লগতে 'ধান নাই যাৰ, মান নাই তাৰ' বোলা বচন ফাকিৰ কথাও বিশ্বাস কৰি আহিছে। আৰু সেয়েহে কৃষি সম্পৰ্কীয় প্ৰতিটো অনুষ্ঠানৰ প্ৰতিয়েই তেওঁলোক শ্ৰদ্ধাশীল। সেয়া লাগিলে আঘোণৰ লখিমী আদৰা অনুষ্ঠান 'মনুকিএনেই' হওঁক, লাগিলে ধানৰ আগ অনা অনুষ্ঠান 'চক্ আলনকিৱানে'ই হওঁক।

সভক্তিৰে পতা ধানৰ পোৰা বন্ধা অনুষ্ঠানটিক কাৰবিত 'চক্ কিপাথপ' আৰু নোৱান বা নখোৱা উৎসৱক 'আকিমি আনকিছ' বোলে। সোণৰ কাঁচিৰে, ৰূপৰ কাঁচিৰে আঘোণৰ ধান কেইগছিমান কাটি দোণত নতুন কাপোৰেৰে ঢাকি 'আকালাং বা অকুমাৰী ছোৱালীয়ে ঘৰলৈ আনে। তাক ধানৰ আগ অনা বোলে। ইয়াৰ পিছত ধানবোৰ কাটি মাৰি গুটিবোৰ চোতালত দ'মাই থৈ পোৰা বন্ধা আৰু নোৱান খোৱা অনুষ্ঠান দুটি গৃহস্থৰ ঘৰত অনুষ্ঠিত কৰে। উক্ত অনুষ্ঠান দুটি আৰখেতিৰ সময়ত হ'লে কাতি মাহত পতা হয় আৰু শালিখেতিৰ হ'লে আঘোণ-পুহ মাহত পাতে। বাৰ হিচাপে মংগল, বৃহস্পতি আৰু শনিবাৰটো ভাল।

জুমখেতি আহিন মাহত কাটি-মাৰি হোৱাৰ পিছত জুমতলীৰ পথাৰত বা দিংঘৰত (হেমতাক) গুটি ধান বোৰ দ'ম কৰি লৈ অনুষ্ঠানটি পতাৰ আগদিনা খনেই ৰাইজক পোৰা বান্ধিবলৈ মাতি থৈ আহেগৈ। পোৰা বন্ধাৰ আগমুহূৰ্তত 'চক্আবুল কাৰ্তপ' নামৰ পূজাটো লক্ষ্মী দেৱীৰ নামত পাতে। ঘৰৰ মুৰব্বী (হেম ছাৰপ') জনে পূজাটো কৰে। সিদিনাখন দীঘল ঠেঙীয়া 'জংকৰা' দেৱতালৈকো এপাতলি আগবঢ়ায়। পূজাত মদৰ লাউ দুটা (হিনি হৰবং), দীঘলঠেঙীয়াক দিবলৈ মদৰ চুঙা তিনিটা (কিথম হৰকিৰিক) লাগে। বলি হিচাপে মতা ৰঙা কুকুৰা এটা, মাইকী ৰঙা কুকুৰা এটা, দীঘল ঠেঙীয়ালৈ ক'লা মাইকী কুকুৰা এটা, গাহৰি এটা (গাহৰি নাপালে মতা হাঁহ) কটাৰিৰে কাটে। পূজাত ছটিয়াবলৈ পিঠা গুৰিও (হিম আদুক) লাগে। পূজাৰ স্থানত পোৰা বন্ধা কেচাৰি (খেংঘিৰি, গছৰ ছালেৰে গোলকৈ সাজিলোৱা যতন), পাচি (পাশ্বিক), দোণ (হ') আৰু



পোৰা বন্ধা টঙাল (জিংতাক) খিনিও উছৰ্গে। পূজাটো সাধাৰণতে ৰাতিৰ ভাগত হয়। পূজাটো শেষ হোৱাৰ পিছতে দীঘলঠেঙীয়াৰ নামত আগবঢ়োৱা মদৰ লাউটোৰ মদখিনি পূজাৰী আৰু বুঢ়া কেইজনে ভগাই-বিতাই খায়। বাকী থকা মদৰ লাউটো 'চকুল'ৰ (ধানৰদ'ম) মাজত ধানেৰে ঢাকি থয়। গধুলি দেৱতাৰ নামত কটা কুকুৰা, গাহৰিৰ মাংসেৰে ভাত সাজ খোৱা হয়। মাজৰাতি উঠিহে ৰাইজে পোৰাবন্ধা কাম আৰম্ভ কৰে। কেচাৰিত টঙাল আৰু ধান খেৰ দি তাত চাৰিদোণকৈ (এপোৰা) ধান দি পোৰাটো বান্ধে। নিয়ম মতে প্ৰথম পোৰাটো গৃহস্থই বান্ধিব লাগে। পোৰাবোৰ বান্ধি উঠি ধানৰ দ'মৰ মাজত ৰাখি থোৱা মদৰ লাউটোৰ মদখিনি ৰাইজে খায়। তাৰ পিছত গধুলিৰ বাকী ৰোৱা ভাত আঞ্জাখিনিৰে দুপৰীয়াৰ আহাৰ কৰি কিছুপৰ জিৰণি লৈ টঙালেৰে শিকিয়াসাজি দুপোৰাকৈ ধান গৃহস্থৰ ঘৰলৈ কঢ়িয়াই লৈ আনে (শালিধান গৃহস্থৰ চোতালত মাৰে কাৰণে পোৰাবোৰ কঢ়িয়াবলগীয়া নহয়)। কুহুহ'ই কুহুহ'ইকৈ ভাৰখন কান্ধত লৈ আহোতে বাটে বাটে মাতি অহাৰ উদ্দেশ্য এটাই 'আমি ধানৰ পোৰাবোৰ লৈ আহি আছো, গৃহস্থৰ মদ-পানী যোগাৰ কৰি থবৰ হ'ল।' ঘৰলৈ আনি পোৰাবোৰ বৰঘৰৰ চাং 'বৰঘৰ আৰাক'ত তুলি থয়। বেলি লহিওৱাৰ সময়ত গৃহস্থই নোৱান খোৱাৰ উৎসৱ পাতে। কলপাতত নতুন ভাত খিনি প্ৰতিজনৰ মুখৰ আগে আগে দি যোৱা হয়। প্ৰথম ভাত গৰাহ মুখত দিয়াৰ আগমুহূৰ্তত বুঢ়া লোক সকলে লক্ষ্মীদেৱীলৈ প্ৰাৰ্থনা জনাই আতাম-পাতম (স্তুতি) গায় এনেকৈ—

নাংপে লক্ষ্মী, নাংপ' লক্ষ্মী
ঠেংটুক থি থি মান্তা ঠেংলং থি থি মান্তা
নাংতি দাম' নংৱাৰ দাম'
তিপিলি পাল ই ইল ফালাং পাজালযাঙ
সাম্পুৰৱাদি হলংৱাদি সামপুৰৱাদি
হলংৱাদি সামপুৰপুৰ' হলংপুৰ'।
চুমছা আছ'কে চুমছি আছ'কে
বাৰ নাংলাংচি জু নাং লাংচি
নাং ৰত্ন নাংৱানন'

তলপ আপে পেন তলপ আৰিক পেন
চেৰ আখল আয়ক ৰূপাহেমতাক আয়ক নাংৱান
কেংপেন নাং দুঙ ৰিপেন নংপাম'
হালিকেহ' চেৰ আলংপেন ৰূপা ঢেংকী পেন
নাংতকঙ নাং দংঙ
চেৰ আবালেংপেন ৰূপা আংক্ৰোং পেন
নাং ইংক্ৰোঙ নাং ইংচাল
তে লাল'হ' ফুলে নাংলাং চাং নাংজ'
লাছি মিনি জাৰহি আলক পেন দাতহি আলকপেন
নোৱান পুছি নধক পুছি
নোৱান পাদল' নধক পাদল'
তে লাল' হ'- চিপে আমল ক্ৰেং নাংনে
চৰপে আমল ক্ৰেং নাংনে
ঐ নাংপে লক্ষ্মী, নাংপ' লক্ষ্মী
তে লাকে দাম' হ',
ফু ইন্দেৰ লাগে ফাং ইন্দেৰ লাগে
তে কাম্পীকিছ আমুনো মেচাংকিছ' আমুনো
ৰিহ নাংলাংব' ৰিফেক নাংলাংব'
তে নাংপে লক্ষ্মীয়ংতা নাংপ' লক্ষ্মী য়ংতা
মনদুক চিপুয়েক মনলাক চিপুয়েক
তে বাংকেহ' আনচ্যতাং দেৱেৰা তাং।[৪]

ভাৱাৰ্থঃ হে লক্ষ্মী আই, তোক আৰত সিঁচিলো, বাঁহৰ মূৰা, গছৰ মূৰাৰ চেপে পেলালো, খেৰৰ নিচিনাকৈ ধান হৈ গজিলি, ঠোৰ ধৰিলি, ধান ওলাই পকিলি, আমি মানুহ জাতিয়ে দিন বাৰ চাই তোক কাটিলো, আগ আনিলো, তোক টঙালেৰে ডাঙৰি বান্ধি দিংঘৰৰ চোঁতাললৈ আনিলো, ভৰিৰে মাৰিলো, হাতেৰে জোকাৰিলো, সোণৰ উৰলত, সোণৰ ঢেঁকীৰে তোক বানিলো, সোণৰ ডলা আৰু সোণৰ চালনিৰে তোক জাৰিলো, চালিলো, চৰু চাই পানী দিলো। পানী চাই চাউল দিলো, সেয়েহে হাদাৰি খেলেই হওঁক, সাউৰি খেলেই হওঁক আজি আমি 'নোৱান' বা ন-ভাত



খাম, ডাৰণৰ তলীখন শুকাব নালাগে, চেকনিৰ তলীখন শুকাব নালাগে। লক্ষ্মী আই, দায়-দোষ নধৰিবি, বাওঁ হাতেৰে খালেও, সোঁহাতেৰে খালেও।

শালিধানৰ পোৱাবন্ধা অনুষ্ঠানটিতো জুমতলীৰ পোৱাবন্ধা নিয়ম-নীতিখিনিয়েই প্ৰযোজ্য। মাথোন ইয়াক আঘোণ মাহত ধান কাটি পুহ মাহত পতা হয়। আৰতলীৰ ধানবোৰ গৰুৰে নামাৰে, শালিতলীৰ ধানবোৰ গৰুৰে মৰণা মাৰে। কাৰ্বি ৰাইজৰ বিশ্বাস মতে এটা সময়ত পাহাৰীয়া ধানবোৰ গৰু খুৱাৰ ভয়ত ভৈয়ামৰ পৰা পলাই গৈছিল। ইয়াত গোৱা আতাম-পাতাম খিনিও প্ৰায় একে। আৰতলীত ধানবোৰ গছ-বাঁহৰ চেপে চেপে পেলোৱাৰ কথা কৈছে, আনহাতে শালিধানৰ ক্ষেত্ৰত গৰু খোজৰ চেপত, কেঁকোৰা ঠেঙৰ চেপত পেলোৱাৰ কথা কৈছে 'চৰংআবত থিথি মানতা, চেহে আবত থি থি মান্তা' বুলি। দুয়োটা খেতিতে ধান জাৰিবলৈ গাভৰু সকল যাব পাৰে। কিছুমান গাঁৱত ভাত খাই উঠি ৰাইজ ঘৰা-ঘৰি অহা দেখা যায়।

আমি যদি এনেকৈ কাৰ্বি বহুৰঙী সমাজৰ পৰম্পৰাবোৰ বিশ্লেষণ কৰি চাওঁ, তেতিয়া হ'লে দেখিবলৈ পাওঁ যে এইবোৰেই তেওঁলোকক অসমীয়া লোক-সংস্কৃতিৰ মাজত থাকিও নিজস্ব সত্বাৰে জিলিকাই ৰাখিছে। অৱশ্যে ওপৰত উল্লেখ কৰি অহা অনুষ্ঠানকেইটিৰ গাম্ভীৰ্য্য থাকিলেও ইয়াৰ সৰহ খিনিয়েই অত্যন্ত খৰচি অনুষ্ঠান। সেয়েহে আৰ্থিক ভাৱে স্বচ্ছল লোকখিনিয়েহে ৰাজহুৱা ভাৱে এই অনুষ্ঠানসমূহ পতা পৰিলক্ষিত হয়। সেয়ে হলেও সোণ সেৰীয়া কাৰ্বি সংস্কৃতিবোৰ ধৰি ৰখা এটাই উপায় আছে 'হাতীটোৰ ঠাইত মাখিটো'দি অনুষ্ঠান সমূহ জীয়াই ৰখাৰ ব্যৱস্থা কৰাটো। সংস্কৃতিবান লোকসকলে মাউখে উটি বলি-বিধান, মদ-ভাতবোৰ কমাই আনিবলৈ চেষ্টা কৰক, আতাম-পাতামতেও লক্ষ্মী আই সন্তুষ্ট হয় বুলি বিশ্বাস কৰক। মনত ৰখা উচিত হ'ব যে আমাৰ জাকত জিলিকা এই লোক-সংস্কৃতিবোৰ নাথাকিলে, আমি এটা সময়ত কোণা জাতি এটি হৈহে জীয়াই থাকিব লাগিব গৈ।

১। মুকল ইংতি, সন্তৰাম ৰংপেৰ মুখৰ পৰা সংগ্ৰহ। গাঁও— বৰবিতলী।
২। মুকুল ইংতিৰ মুখৰ পৰা সংগ্ৰহ।
৩। মাধৱ কাঠাৰৰ মুখৰ পৰা সংগ্ৰহ। গাঁও— টেঘেৰীয়া
৪। সন্তাৰাম ৰংপেৰ মুখৰ পৰা সংগ্ৰহ।

# কাৰ্বি সমাজ জীৱনৰ ছবি


ফটো ঃ সমীৰ চৌধুৰী

সীমান্ত দাস



বিলত মাছ ধৰা দৃশ্য





ডিমৰীয়াৰ কাৰ্বি ৰজাৰ ৰাজ সংগ্ৰহালয়ত থকা অস্ত্ৰ-শস্ত্ৰ



কাৰ্বি গাভৰুৱে তাঁতশালত কাপোৰ বোৱা দৃশ্য



এহাল কাৰ্বি ডেকা গাভৰু




উৰলত ধান বনাৰ দৃশ্য



পূজাত ব্যৱহাৰ কৰা লাউ



পথাৰত ধান কটাৰ দৃশ্য



ঝুমতলীত থকা টঙীঘৰ



কাৰ্বি মহিলাই পাহাৰৰ
পৰা খড়ী অনাৰ দৃশ্য